# বেলতলা মহাবিদ্যালয়

# BELTOLA COLLEGE

# গৰিমা

বছৰেকীয়া মুখপত্ৰ

ত্ৰয়োবিংশতিতম সংখ্যা




**তত্ত্বাৱধায়কদ্বয়**

এলি কুমাৰী দাস

মফিদা বেগম

**সম্পাদক**

চামিমা মোৱাশ্বীৰা

# — শ্ৰদ্ধাঞ্জলি —



## জুবিন গাৰ্গ

জন্ম ঃ ১৮ নৱেম্বৰ, ১৯৭২।। মৃত্যু ঃ ১৯ ছেপ্টেম্বৰ, ২০২৫



### দীপক শৰ্মা

জন্ম ঃ ২৩ আগষ্ট, ১৯৬৮
মৃত্যু ঃ ৩ নৱেম্বৰ, ২০২৫



### ৰামচৰণ ভৰালী

জন্ম ঃ ১৮ জানুৱাৰী, ১৯৪৫
মৃত্যু ঃ ৮ নৱেম্বৰ, ২০২৫



### জে চি গগৈ

জন্ম ঃ ২২ অক্টোবৰ, ১৯৪৫
মৃত্যু ঃ ৮ নৱেম্বৰ, ২০২৫

# গৰিমা

বছৰেকীয়া মুখপত্ৰ
ত্ৰয়োবিংশতিতম সংখ্যা

## বেলতলা মহাবিদ্যালয়

২০২৪ - ২৫ বৰ্ষ

তত্ত্বাৱধায়ক
এলি কুমাৰী দাস
মফিদা বেগম

সম্পাদক
চামিমা মোৱাশ্বীৰা

**GARIMA:** The Annual Magazine of Beltola College, Bongaon, Beltola, Guwahati-28, Edited by Samima Mobasira, Published by JD Printers & Publication on behalf of Beltola College Students' Union, 2024-2025.

## বছৰেকীয়া মুখপত্ৰ ত্ৰয়োবিংশতিতম সংখ্যা
## বেলতলা মহাবিদ্যালয়, ২০২৪-২৫ বৰ্ষ

# গৰিমা




**প্ৰকাশক**
**বেলতলা মহাবিদ্যালয় ছাত্ৰ একতা সভা**
বনগাঁও, বেলতলা, গুৱাহাটী-২৮

**ISBN :** 978-93-48635-39-6

**সম্পাদনা সমিতি**

| | | |
|---|---|---|
| **অধ্যক্ষ** | ঃ | ড° অজিত বৰকটকী |
| **তত্ত্বাৱধায়কদ্বয়** | ঃ | এলি কুমাৰী দাস |
| | | মফিদা বেগম |
| **সদস্য** | ঃ | ড° মৃগেন্দ্ৰ নাথ শৰ্মা |
| | | পংকজ কুমাৰ কলিতা |
| | | দিব্যজ্যোতি ডেকা |
| **সম্পাদক** | ঃ | চামিমা মোৱাশ্বীৰা |
| **বেটুপাত** | ঃ | পংকজ পৰাণ |

**মুদ্ৰণ** ঃ মিতালী অফছেট প্ৰিণ্টাৰ্ছ
কামাখ্যা, গুৱাহাটী-১০

'গৰিমা'ত প্ৰকাশিত গল্প-প্ৰবন্ধ-কবিতা বা অন্যান্য লেখাসমূহৰ মৌলিকতা বিষয়ত সম্পাদনামণ্ডলী দায়বদ্ধ নহয়

বেলতলা মহাবিদ্যালয় ছাত্ৰ একতা সভা আৰু 'গৰিমা' সম্পাদনা সমিতিৰ দ্বাৰা প্ৰকাশিত আৰু সৰ্বস্বত্ব সংৰক্ষিত

**ভাগৰত প্ৰাণ দুৱৰা**
**সভাপতি**
**বেলতলা মহাবিদ্যালয় পৰিচালনা সমিতি**
**বেলতলা, গুৱাহাটী-৭৮১০২৮**



# শুভেচ্ছা বাণী

বেলতলা মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'গৰিমা'ৰ আগন্তুক প্ৰকাশৰ বাবে প্ৰস্তুতি চলাইছে বুলি জানিবলৈ পাই অতিশয় আনন্দিত হৈছো। প্ৰতিটো বৰ্ষতে ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাৰ প্ৰচেষ্টাত 'গৰিমা' মুখপত্ৰ ন ন ৰূপত উজ্জ্বলি উঠে। নতুন প্ৰযুক্তি আৰু সৃষ্টিশীল ধ্যান-ধাৰণাৰে ভৰা ছাত্ৰ-ছাত্ৰীসকলৰ লিখনিসমূহ এই সংখ্যক প্ৰকাশত যাতে প্ৰস্ফুটিত হয় তাকেই কামনা কৰিলোঁ। আশাকৰোঁ অনাগত দিনবোৰত মহাবিদ্যালয় পৰিয়ালৰ সপোনবোৰ সুস্থ শৈক্ষিক বাতাবৰণৰ সৃষ্টিৰে বাস্তৱায়িত হৈ অধিক উন্নতিৰ দিশে আগুৱাই যাব। এই বাৰ্তাৰ জৰিয়তে মহাবিদ্যালয়ৰ সকলো সদস্যলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ। 'গৰিমা' মুখপত্ৰ সৰ্বাংগ সুন্দৰ ৰূপত উজ্জ্বলি উঠক তাৰেই কামনাৰে—

**(ড° ভাগৰত প্ৰাণ দুৱৰা)**

**ড° অজিত বৰকটকী**
**অধ্যক্ষ, বেলতলা মহাবিদ্যালয়**
**গুৱাহাটী-২৮**




# শুভেচ্ছাবাণী

বেলতলা মহাবিদ্যালয়ৰ 'গৰিমা' বাৰ্ষিক মুখপত্ৰখন প্ৰকাশৰ বাবে আগবাঢ়িছে বুলি জানিব পাৰি অতিশয় আনন্দিত হৈছো। এখন মহাবিদ্যালয়ৰ বাবে বাৰ্ষিক মুখপত্ৰখন দৰ্পণস্বৰূপ। এই দৰ্পণত ছাত্ৰ-ছাত্ৰীসকলৰ সোণোৱালী সপোনবোৰ সৃষ্টিশীলতাৰ মাজেৰে প্ৰতিবিম্বিত হোৱাৰ লগতে অসমীয়া সাহিত্যৰ জগতলৈ অনবদ্য অৱদান আগবঢ়াব। এই সংখ্যক প্ৰকাশত ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন প্ৰতিভাসমূহ লিখনিৰ জৰিয়তে বিকশিত হ'ব। এই বাৰ্তাৰ যোগেদি মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতিত ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা আৰু সমগ্ৰ শৈক্ষিক পৰিয়ালৰ প্ৰচেষ্টা অব্যাহত থাকক তাকেই কামনা কৰিলোঁ। বেলতলা মহাবিদ্যালয়ৰ সাহিত্য চৰ্চাৰ সাধনাৰ থলী 'গৰিমা' সৰ্বাংগ সুন্দৰ ৰূপত প্ৰকাশ পাওঁক সেই শুভ ইচ্ছাৰে—

(ড° অজিত বৰকটকী)

## তত্ত্বাৱধায়কৰ কলমেৰে....



# এই সংখ্যাৰ প্ৰসংগত

**মহাবিদ্যালয়** এখনৰ পৰা প্ৰকাশিত আলোচনী এখনে শিক্ষাৰ্থীসকলৰ বৌদ্ধিক দিশটোৰ ওপৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শিক্ষাৰ্থীসকলৰ সুপ্ত প্ৰতিভা লগতে সুস্থ মানসিক চিন্তাধাৰা বৰ্তাই ৰাখিবলৈ মহাবিদ্যালয়ৰ আলোচনী এখনৰ অৰিহণা নুই কৰিব নোৱাৰি। বিগত বৰ্ষৰ দৰে এই বৰ্ষও বেলতলা মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সন্মিলিত প্ৰচেষ্টাত "গৰিমা" আলোচনীখনৰ ২৩তম সংখ্যাটি প্ৰকাশ হ'বলৈ আগবাঢ়িছে। শিক্ষাগুৰুসকলৰ বৌদ্ধিক চিন্তাধাৰা আৰু শিক্ষাৰ্থীসকলৰ নৱ প্ৰতিভা বিকশিত কৰাৰ একমাত্ৰ আলোচনীখনেই হৈছে মেৰুদণ্ড স্বৰূপ।

আলোচনীখনৰ তত্ত্বাৱধায়কৰ দায়িত্ব মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অজিত বৰকটকীদেৱে আমাক অৰ্পণ কৰাত নথৈ আনন্দিত হৈছো। আমাৰ আশা এইটোৱে যে আলোচনীখনে নৱ প্ৰতিভাৰ বিকাশ ঘটাবলৈ সক্ষম হ'ব। "গৰিমা" আলোচনীখনে বাস্তৱ অৰ্থত বেলতলা মহাবিদ্যালয়খনৰ গৰিমা বৰ্তাই ৰাখক আৰু আগন্তুক দিনত সমৃদ্ধিৰ পথ অব্যাহত ৰাখক তাৰেই আশাৰে...

**এলি কুমাৰী দাস**
**মফিদা বেগম**

তত্ত্বাৱধায়কদ্বয়
গৰিমা মুখপত্ৰ, বেলতলা মহাবিদ্যালয়।

# ছাত্ৰ একতা সভাৰ প্ৰতিবেদন



## আলোচনী সম্পাদিকাৰ একলম



**বাৰ্ষিক** আলোচনী অৰ্থাৎ “গৰিমা”ৰ অংশ হ’বলৈ পায় গৌৰৱ অনুভৱ কৰিছোঁ। মই ভাবো যে মহাবিদ্যালয়ৰ আলোচনীৰ দ্বাৰা আমাৰ ছাত্ৰ-ছাত্ৰীবোৰৰ প্ৰতিভা প্ৰদৰ্শন কৰাৰ দিশত নিজৰ নিজৰ লুপ্ত প্ৰতিভাসমূহ প্ৰকাশ পাব যাৰ দ্বাৰা আমি সকলোৱে আলোচনী পঢ়িবলৈ আগ্ৰহী হ’ম আৰু অভিজ্ঞতা হ’ব।

এইখিনিতে মই আমাৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰীসকললৈ (বন্ধু-বান্ধৱী, দাদা-বাসকল) অশেষ ধন্যবাদ জনাইছোঁ, কলেজৰ আলোচনীৰ প্ৰকাশৰ বাবে তেওঁলোকে লিখনি প্ৰেৰণ কৰিছিল।

আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ পৰা লেখাসমূহ সংগ্ৰহ কৰাত অহৰহ সহায় আগবঢ়োৱা এলি কুমাৰী দাস বাইদেউ আৰু মফিদা বেগম বাইদেউক অশেষ ধন্যবাদ জনাইছোঁ।

শেষত “গৰিমা” তথা বেলতলা মহাবিদ্যালয়ৰ দীৰ্ঘায়ু কামনা কৰিলোঁ।

জয়তু বেলতলা মহাবিদ্যালয়
জয়তু বেলতলা মহাবিদ্যালয় ছাত্ৰ একতা সভা
“জয় আই অসম”

**চামিমা মোৰাশ্বীৰা**
আলোচনী সম্পাদিকা,
বেলতলা মহাবিদ্যালয় ছাত্ৰ একতা সভা (২০২৪-২৫ শিক্ষাবৰ্ষ)

# ছাত্ৰ একতা সভাৰ প্ৰতিবেদন



## সভাপতিৰ দুআষাৰ



**প্ৰতিবেদনৰ** আৰম্ভণিতে বেলতলা মহাবিদ্যালয় প্ৰতিষ্ঠা কৰা মহান ব্যক্তিসকললৈ মোৰ শতকোটি শ্ৰদ্ধা অৰ্পণ কৰিলোঁ, যিকেইজন মহান ব্যক্তিৰ অপাৰ পৰিশ্ৰম আৰু অপৰিসীম ত্যাগৰ ফলস্বৰূপে ঐতিহ্যমণ্ডিত বেলতলা মহাবিদ্যালয়খন গঢ় লৈ উঠিছে। বেলতলা মহাবিদ্যালয়ত উচ্চশিক্ষা গ্ৰহণৰ উদ্দেশ্যে নামভৰ্তি কৰিছিলোঁ। শিক্ষাগুৰুসকলৰ আশীৰ্বাদ আৰু সতীৰ্থসকলৰ মৰম তথা সমৰ্থনে মোক ছাত্ৰ-একতা সভাৰ সাধাৰণ নিৰ্বাচনত সভাপতি হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ সুবিধা দিয়াৰ বাবে শিক্ষাগুৰু, সতীৰ্থসকললৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

পোন প্ৰথমবাৰৰ বাবে সভাপতিৰ পদ অলংকৃত কৰিবলৈ পাই মই নিজকে ধন্য মানিছোঁ আৰু সেই মুহূৰ্তৰ, পৰাই এই মহাবিদ্যালয়ৰ উন্নতিৰ ক্ষেত্ৰত আৰু অধিক সতৰ্ক আৰু কৰ্তব্যপৰায়ণ হৈ পৰিছিলোঁ। সেইবাবে অপাৰ চেষ্টা চলাই গৈছিলোঁ। মই অধ্যাপিকা শ্ৰীযুতা এলি কুমাৰী দাস বাইদেউ আৰু মফিদা বাইদেউক তেওঁলোকৰ বহুমূলীয়া উপদেশৰ বাবে ধন্যবাদ জনাইছোঁ।

সদৌ শেষত সকলোকে আন্তৰিক ধন্যবাদ জনালোঁ মহাবিদ্যালয়ৰ সেৱাত মোৰ সভাপতিৰ কালছোৱাত যদি অজানিতে কিবা ভুল-ভ্ৰান্তি হৈছে তাৰ বাবে মই ক্ষমাপ্ৰাৰ্থী আৰু লগতে 'গৰিমা' তথা 'বেলতলা মহাবিদ্যালয়'ৰ দীৰ্ঘায়ু কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু বেলতলা মহাবিদ্যালয়
জয়তু বেলতলা মহাবিদ্যালয় ছাত্ৰ একতা সভা
।। জয় আই অসম।।

**চানদ্বীপ দাস**
সভাপতি,
বেলতলা মহাবিদ্যালয় ছাত্ৰ একতা সভা, (২০২৪-২৫বৰ্ষ)

# ছাত্ৰ একতা সভাৰ প্ৰতিবেদন



## সাধাৰণ সম্পাদকৰ একলম



**প্ৰতিবেদনৰ** আৰম্ভণিতে বেলতলা মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰা মহান ব্যক্তিলৈ মোৰ শ্ৰদ্ধা অৰ্পণ কৰিলো, আৰু দেশৰ হকে প্ৰাণ ত্যাগ কৰা আমাৰ শ্ৰদ্ধাৰ বীৰসকলৰ পবিত্ৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো, লগতে মই বিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° অজিত বৰকটকী তথা মহাবিদ্যালয়ৰ পৰম পূজনীয় শিক্ষাগুৰু, ছাত্ৰ-একতা সভাৰ বিষয়ববীয়াসকল আৰু মোৰ সহপাঠী আৰু দাদা-বাইদেউ, ভাইটি-ভন্টিলৈ মৰম আৰু ধন্যবাদ জনাই মোৰ প্ৰতিবেদনৰ পাতনি মেলিলোঁ।

বেলতলা মহাবিদ্যালয়ত উচ্চশিক্ষা গ্ৰহণৰ উদ্দেশ্য নাম ভৰ্তি কৰিছিলোঁ। এই কলেজখনৰ এজন ছাত্ৰ হিচাপে অংশ ল'বলৈ পায় নিজকে মই সদায় সৌভাগ্যৱান বুলি অনুভৱ কৰিছিলোঁ। এই প্ৰতিষ্ঠানখনে মোক কেৱল শৈক্ষিক জ্ঞানেই নহয়, জীৱনৰ বহু মূল্যৱান অভিজ্ঞাতাও দিছিল। এই কলেজখনত শিক্ষা গ্ৰহণ কৰাৰ লগতে কলেজখনৰ হকে কাম কৰাৰ অপাৰ ইচ্ছা আছিল। সেয়েহে ২০২৪-২০২৫ বৰ্ষৰ সাধৰণ নিৰ্বাচনত নিজৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিলোঁ আৰু লগতে জয় যুক্ত হৈছিলো। সাধৰণ সম্পাদক হিচাপে দায়িত্ব লাভ কৰাৰ পাছত কলেজৰ সৈতে মোৰ দায়িত্ব আৰু আৱেগ অধিক গভীৰ হৈ পৰিছিল। কলেজখনৰ বাবে কিবা এটা অৰ্থপূৰ্ণ কৰিবলৈ আৰু ছাত্ৰ সমাজৰ কণ্ঠস্বৰ প্ৰতিনিধিত্ব কৰিবলৈ মোৰ অন্তৰৰ পৰা এক প্ৰবল ইচ্ছাই জন্ম লৈছিল। এই দায়িত্ববোধৰ পৰাই মই মোৰ সামৰ্থ্য আৰু সক্ষমতাৰ ভিতৰত থাকি কলেজ ছাত্ৰ সংসদৰ বিভিন্ন কাৰ্যসূচীত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিছিলোঁ। শৈক্ষিক, সাহিত্যিক, সাংস্কৃতিক আৰু সামাজিক ক্ষেত্ৰসমূহত ছাত্ৰ-ছাত্ৰীসকলক আগ্ৰহ বৃদ্ধি কৰিবলৈ মই সদায়ে আন্তৰিক প্ৰচেষ্টা চলাইছিলোঁ। আৰু যাৰ ফলত ২০২৪-২৫ বৰ্ষৰ গ্ৰন্থমেলাত জয় যুক্ত হৈছিলো। শিক্ষকবৃন্দৰ দিশ-নিৰ্দেশনাৰে মই মোৰ দায়িত্বসমূহ নিষ্ঠা আৰু সততাৰ সৈতে পালন কৰিবলৈ চেষ্টা কৰিছিলোঁ। এই সমগ্ৰ অভিজ্ঞতাই মোক নেতৃত্ব দায়িত্ববোধ আৰু দলগত কামৰ মূল্য শিকাইছিল। সাধৰণ সম্পাদক হিচাপে কৰা এই যাত্ৰা মোৰ বাবে চিৰজীৱন এক স্মৰণীয় অধ্যায় হিচাপে স্মৃতি হৈ ৰব আৰু কলেজখনৰ সৈতে জড়িত থাকিবলৈ পোৱাটো মোৰ বাবে এক গৌৰৱৰ বিষয় হৈ ৰব।

"এই প্ৰতিষ্ঠানখন মোৰ বাবে কেৱল এখন কলেজ নহয় এক মূল্যৱান অভিজ্ঞতাৰ যাত্ৰা আছিল।" "ছাত্ৰ হিচাপে আৰম্ভ হোৱা যাত্ৰাই সাধাৰণ সম্পাদক হিচাপে দায়িত্ব ৰূপ লৈছিল।" "এই কলেজখনৰ সৈতে জড়িত প্ৰতিটো স্মৃতি মোৰ জীৱনৰ এক স্মৰণীয় অধ্যায় হিচাপে ৰব।"

জয়তু বেলতলা মহাবিদ্যালয়
জয়তু বেলতলা মহাবিদ্যালয় ছাত্ৰ একতা সভা
।। জয় আই অসম ।।

**প্ৰশান্ত দাস**
সাধাৰণ সম্পাদক,
বেলতলা মহাবিদ্যালয় ছাত্ৰ একতা সভা (২০২৪-২৫ বৰ্ষ)

# ছাত্ৰ একতা সভাৰ প্ৰতিবেদন



## সহকাৰী সাধাৰণ সম্পাদকৰ দুআষাৰ



**প্ৰথমতে** মই মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলক আৰু মোৰ মৰমৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকলক আন্তৰিক অভিনন্দন জনাইছোঁ। বেলতলা মহাবিদ্যালয় কেৱল এখন শিক্ষানুষ্ঠানেই নহয়, ই আমাৰ বৌদ্ধিক আৰু মানসিক বিকাশৰ এখন পৱিত্ৰ থলী। মই মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ এজন সদস্য হিচাপে সেৱা কৰিবলৈ সুযোগ পোৱাটো মোৰ বাবে গৌৰৱৰ বিষয়।

২০২৪-২৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ কাৰ্যকালত মই মোৰ দায়িত্ব নিষ্ঠাৰে পালন কৰিবলৈ চেষ্টা কৰিছোঁ। মহাবিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ অটুট ৰখাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত একতা আৰু ভাতৃত্ববোধ গঢ়ি তোলাটোৱেই আছিল আমাৰ মূল লক্ষ্য। নিৰ্বাচনৰ সময়ত আপোনালোকে মোৰ ওপৰত যি বিশ্বাস আৰু আস্থা ৰাখিছিল, সেই বিশ্বাসক সাৰোগত কৰি মই ছাত্ৰ সমাজৰ প্ৰতিটো সমস্যা সমাধানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছোঁ।

মহাবিদ্যালয়ৰ বিভিন্ন অনুষ্ঠান-পৰ্বসমূহ সফল কৰি তোলাত আমাৰ সন্মানীয় অধ্যক্ষ মহোদয়, অধ্যাপক-অধ্যাপিকাসকল আৰু মোৰ সতীৰ্থ কৰ্মকৰ্তাসকলৰ সহায়-সহযোগিতা অবিহনে মই একোৱেই কৰিব নোৱাৰিলোহেঁতেন। মোৰ এই যাত্ৰাত কোনোবাখিনিত যদি কিব ভুল-ভ্ৰান্তি ৰৈ গৈছে, তাৰ বাবে মই ক্ষমা বিচাৰিছোঁ। ভৱিষ্যতেও মহাবিদ্যালয়খনৰ হকে আৰু সমাজৰ হকে কাম কৰি যোৱাৰ মোৰ দুৰ্বাৰ হেঁপাহ আছে। শেষত, বেলতলা মহাবিদ্যালয়ৰ জয়যাত্ৰা অব্যাহত থাকক তাৰেই কামনা কৰিলোঁ।

জয়তু বেলতলা মহাবিদ্যালয়
জয়তু বেলতলা মহাবিদ্যালয় ছাত্ৰ সমাজ
।। জয় আই অসম ।।

**অভিজিৎ সিংহা**
সহকাৰী সাধাৰণ সম্পাদক,
বেলতলা মহাবিদ্যালয় ছাত্ৰ একতা সভা (২০২৪-২৫ বৰ্ষ)

# ছাত্ৰ একতা সভাৰ প্ৰতিবেদন



## সমাজ সেৱা সম্পাদিকাৰ একলম



**প্ৰতিবেদনৰ** আৰম্ভণিতে সূৰ্যৰ কিৰণত শোভিত হোৱা ঐতিহ্যমণ্ডিত "বেলতলা মহাবিদ্যালয়"ৰ অতি শ্ৰদ্ধাৰ আৰু সন্মানীয় অধ্যক্ষ মহোদয় প্ৰমুখ্যে সমূহ শিক্ষাগুৰু আৰু মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দলৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো।

মই ২০২৪-২৫ বৰ্ষৰ বেলতলা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমাজ সেৱা সম্পাদিকা হিচাপে নিৰ্বাচিত হৈ মই আনন্দিত হৈছোঁ। ২০২৪ চনৰ নৱেম্বৰ মাহত দায়িত্বভাৰ গ্ৰহণ কৰোঁ, ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোক নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ হকে সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে এই ছেগতে বেলতলা মহাবিদ্যালয়ৰ সমূহ পৰিয়ালবৰ্গলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মোৰ কাৰ্যকালত হোৱা অনুষ্ঠানসমূহ— (ক) শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, (খ) মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস, (গ) মাহটোৰ অতিথি কাৰ্যসূচী, (ঘ) ছাত্ৰ একতা সভাৰ উদ্যোগত এন এছ এছ-ৰ সহায়ত মহাবিদ্যালয়ৰ চৌহদ পৰিষ্কাৰ কৰা (ঙ) মহাবিদ্যালয় সপ্তাহ, (চ) নবাগত আদৰণি সভা ইত্যাদি। মোৰ এই কাৰ্যকালত হোৱা বিভিন্ন কাৰ্যসূচীসমূহ সুকলমে আগবঢ়াই নিয়াত মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল তথা বন্ধু-বান্ধৱী, জ্যেষ্ঠ-কনিষ্ঠসকলৰ পৰা যি সহায়-সহযোগিতা লাভ কৰিলো তাৰ বাবে আপোনালোক সকলোৰে আগত মই চিৰকৃতজ্ঞ হৈ থাকিম।

সদৌ শেষত মই মোৰ কাৰ্যকালত নজনাকৈ যদি কিবা ভুল-ভ্ৰান্তি কৰিছোঁ তাৰ বাবে আপোনালোক সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ আৰু আগন্তুক দিনবোৰত "বেলতলা মহাবিদ্যালয়"ৰ উন্নতি কামনা কৰি মোৰ সমাজ সেৱিকা সম্পাদিকাৰ বাৰ্ষিক প্ৰতিবেদন সামৰণি মাৰিলো।

জয়তু বেলতলা মহাবিদ্যালয়
জয়তু বেলতলা মহাবিদ্যালয় ছাত্ৰ সমাজ
।। জয় আই অসম।।

**মঞ্জুৱাৰা বেগম**
সমাজ সেৱা সম্পাদিকা
বেলতলা মহাবিদ্যালয় ছাত্ৰ একতা সভা (২০২৪-২৫ শিক্ষাবৰ্ষ)

# ছাত্ৰ একতা সভাৰ প্ৰতিবেদন



## ক্ৰীড়া সম্পাদকৰ দুআষাৰ



**২০২৪-২৫** শিক্ষাবৰ্ষত মই বেলতলা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ক্ৰীড়া সম্পাদক হিচাপে দায়িত্ব পালন কৰাৰ সুযোগ পাই অত্যন্ত গৌৰৱ অনুভৱ কৰিছোঁ। ক্ৰীড়া মানে কেৱল প্ৰতিযোগিতা নহয়, ই হৈছে শৃংখলা, মিল-মিলাপ আৰু একতাৰ সঁজুলি। ক্ৰীড়াই মানুহক দেহৰ সৈতে মনেৰেও দৃঢ় কৰে, আৰু সমাজত ভ্ৰাতৃত্বৰ বীজ পোঁতে।

বেলতলা মহাবিদ্যালয়ত অনুষ্ঠিত আন্তঃবিভাগীয় ক্ৰীড়া প্ৰতিযোগিতা, কলেজ ক্ৰীড়া সপ্তাহ, দৌৰ, ফুটবল, ক্ৰিকেট, কাবাডি আদি খেলসমূহে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত নতুন উৎসাহ, সঁহাৰি আৰু দলীয় মনোভাৱ গঢ়ি তুলিছে। এই দায়িত্ব পালন কৰি মই বুজিলোঁ — বিজয় কেৱল ফল নহয়, ই অধ্যাৱসায় আৰু ঐক্যৰ প্ৰতিফলন।

বিশেষকৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ অধ্যক্ষ ড° অজিত বৰকটকী মহোদয়ৰ প্ৰেৰণা আৰু সহায়ৰ বাবে। মই বিশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ অধ্যাপিকা, অৰ্থনীতি বিভাগৰ শ্ৰীযুতা এলি কুমাৰ দাস বাইদেউ আৰু মফিদা বেগম, শিক্ষা বিভাগ। লগতে ধন্যবাদ ছাত্ৰ-ছাত্ৰী আৰু বৰ্তমানৰ সহপাঠী সকলক, যিয়ে সদায় সহযোগিতা আৰু উৎসাহ আগবঢ়াইছিল। মহাবিদ্যালয়ৰ নাম আগলৈও উজ্জ্বল হৈ থাকিব, আৰু প্ৰতিজন ছাত্ৰ-ছাত্ৰী শৃংখলা, কৃতিত্ব আৰু একতাৰ মনোভাৱ লৈ আগুৱাই যাব।

জয়তু বেলতলা মহাবিদ্যালয়
জয়তু বেলতলা মহাবিদ্যালয় ছাত্ৰ সমাজ
।। জয় আই অসম।।

**বাবলু চৌধুৰী**
ক্ৰীড়া সম্পাদক
ছাত্ৰ একতা সভা, বেলতলা মহাবিদ্যালয় (২০২৪-২৫ শিক্ষাবৰ্ষ)

# ছাত্ৰ একতা সভাৰ প্ৰতিবেদন



## ছাত্ৰী জিৰণি কোঠা সম্পাদিকাৰ একলম



**মই** সীমা ৰাণী সৰকাৰে “গৰিমা”ৰ অংশ হ'বলৈ পায় সঁচাকৈয়ে সুখী অনুভৱ কৰিছোঁ। বাৰ্ষিক আলোচনী ২০২৪-২৫ বৰ্ষ। তাৰ পিছত বেলতলা মহাবিদ্যালয়ৰ আলোচনা সমিতিলৈ “গৰিমা” উলিয়াই অনাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলো। মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে আমাৰ অধ্যক্ষ ড° অজিত বৰকটকী মহোদয়ক এই আলোচনীখনত আমাৰ প্ৰতিভা-প্ৰদৰ্শনৰ সুযোগ দিয়াৰ বাবে আৰু ভৱিষ্যতৰ ছাত্ৰ-ছাত্ৰীক প্ৰেৰণা যোগোৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

আমাৰ প্ৰাণৰ শিল্পী জুবিনদাই কৈছিল — “কিতাপ নথকা জাতিক গামাচোই বচাব নোৱাৰে।” যিহেতু “গৰিমা” এখন মহাবিদ্যালয়ৰ আলোচনী। যি আমাৰ প্ৰতিবছৰে এখন ছাত্ৰ-ছাত্ৰীৰ মাজলৈ উলিয়াই দিয়া হয়। এই আলোচনীৰ পৰাই আমি মহাবিদ্যালয়ৰ ওপৰত গম পাওঁ মহাবিদ্যালয়খন কেনেকৈ ইমান কষ্টৰ মাজেৰে আগবাঢ়ি আহিছে।

মই বিশেষকৈ সেইসকল ব্যক্তি বা শিক্ষকসকলক ধন্যবাদ দিম যিসকলে এই “গৰিমা” আলোচনী প্ৰস্তুত কৰাত সহায় আগবঢ়াইছে। বিশেষকৈ এলি কুমাৰ দাস বাইদেউক বিশেষভাৱে ধন্যবাদ জনাইছোঁ, বহুমূলীয়া উপদেশ দি আমাক উৎসাহিত কৰা বাবে। লগতে মফিদা বাইদেউকো অশেষ ধন্যবাদ যাচিছোঁ।

শেষত “গৰিমা” আৰু “বেলতলা মহাবিদ্যালয়”ৰ দীৰ্ঘায়ু কামনা কৰিলো লগতে আলোচনীখনৰ সফলতাৰ অৰিহণা যোগোৱা সকলো ছাত্ৰ-ছাত্ৰীক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

জয়তু বেলতলা মহাবিদ্যালয়
জয়তু বেলতলা মহাবিদ্যালয় ছাত্ৰ একতা সভা
।। জয় আই অসম।।

**সীমা ৰাণী সৰকাৰ**
ছাত্ৰী জিৰণি কোঠা সম্পাদিকা
বেলতলা মহাবিদ্যালয় ছাত্ৰ একতা সভা (২০২৪-২৫ শিক্ষাবৰ্ষ)

# ছাত্ৰ একতা সভাৰ প্ৰতিবেদন



## সাংস্কৃতিক সম্পাদিকাৰ দুআষাৰ



**পোন** প্ৰথমে মই শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় ড° অজিত বৰকটকী ছাৰ আৰু আলোচনী সমিতিলৈ অশেষ ধন্যবাদ যাচিলো মোৰ প্ৰতিবেদন প্ৰকাশ কৰাৰ সুবিধা দিয়াৰ বাবে।

মই উচ্চ শিক্ষা গ্ৰহণ কৰিবলৈ এই মহাবিদ্যালয়লৈ আহিছিলোঁ। এই মহাবিদ্যালয়ৰ শিক্ষাগুৰু আৰু বন্ধু-বান্ধৱী, দাদ-বা সকলৰ মৰম আৰু আশীৰ্বাদে মোক সাংস্কৃতিক সম্পাদিকা হোৱাত যথেষ্ট সহায় কৰাত সকলোলৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো। এই মহাবিদ্যালয়ৰ ২০২৪-২৫ বৰ্ষৰ সাংস্কৃতিক সম্পাদিকা হোৱাত সাংস্কৃতিক দিশত উন্নতি কৰিবলৈ বহুত সুবিধা লাভ কৰিছোঁ। নৱাগত আদৰণি সভা, মাহত অহা অতিথিৰ কাৰ্য্যসূচী, মহাবিদ্যালয়ৰ সপ্তাহ, অসম গ্ৰন্থমেলা আদি। সকলো কলেজৰ ভিতৰত অসম গ্ৰন্থমেলাত হুচৰি মাৰি প্ৰথম স্থান আজুৰি আনি কলেজলৈ গৌৰৱ কৰিয়াই আনিবলৈ সক্ষম হৈছোঁ। ইয়াৰোপৰি মন্তুমণি শইকীয়াৰ গীতৰ শৰাই কলেজলৈ আনিব পাৰিছোঁ।

।। জয়তু বেলতলা মহাবিদ্যালয়।।

**প্ৰিয়না পাটোৱাৰী**
সাংস্কৃতিক সম্পাদিকা,
বেলতলা মহাবিদ্যালয় ছাত্ৰ একতা সভা (২০২৩-২৪ শিক্ষাবৰ্ষ)

# ছাত্ৰ একতা সভাৰ প্ৰতিবেদন



## ছাত্ৰ জিৰণি কোঠা সম্পাদকৰ একলম



**মই** ৰাহুল চন্দ্ৰ দাসে ২০২৪-২৫ বৰ্ষৰ বাৰ্ষিক আলোচনী অৰ্থাৎ "গৰিমা"ৰ অংশ হ'বলৈ পায় আনন্দিত হৈছো। তাৰ পাছত মহাবিদ্যালয়ৰ আলোচনী সমিতিলৈ "গৰিমা" উলিয়াই অনাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলো। মহাবিদ্যালয় ছাত্ৰী জিৰণি কোঠাৰ সম্পাদক হিচাপে, আমাৰ অধ্যক্ষ ড° অজিত বৰকটকী মহোদয়ক আলোচনীখনত আমাৰ প্ৰতিভা প্ৰদৰ্শনৰ সুযোগ দিয়াৰ বাবে আৰু ভৱিষ্যতৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰেৰণা যোগোৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিলোঁ। অধ্যাপিকা এলি কুমাৰী দাস বাইদেউ আৰু মফিদা বাইদেউক বিশেষভাৱে শলাগৰ শৰাই আগবঢ়ালো তেওঁলোকৰ উপদেশৰ বাবে।

শেষত "গৰিমা"ৰ দীৰ্ঘায়ু কামনা কৰিলোঁ।

জয়তু বেলতলা মহাবিদ্যালয়
জয়তু বেলতলা মহাবিদ্যালয় ছাত্ৰ একতা সভা
।। জয় আই অসম।।

**ৰাহুল চন্দ্ৰ দাস**
ছাত্ৰ জিৰণি কোঠা সম্পাদক
বেলতলা মহাবিদ্যালয় ছাত্ৰ একতা সভা (২০২৪-২৫ শিক্ষাবৰ্ষ)

# সূচীপত্ৰ...

## অসমীয়া বিভাগ


- সাম্প্ৰতিক সময়ত মহাপুৰুষ শংকৰদেৱৰ আদৰ্শৰ প্ৰয়োজনীয়তা ঃ এক অৱলোকন ........................ ১৩
  **ড° দীপালী ওজা**
- ধ্ৰুপদী অসমীয়া ভাষা আৰু কিছু প্ৰাসংগিক কথা.... ১৬
  **ড° মৃগেন্দ্ৰ নাথ শৰ্মা**
- এভুমুকি ........................................................... ২০
  **ভাৰতী দেৱী**
- ছাত্ৰ জীৱন আৰু আধ্যাত্মিকতা .......................... ২২
  **সাধনা কলিতা**
- শিক্ষা আৰু সংস্কৃতিৰ মাজৰ সম্পৰ্ক ...................... ২৫
  **তুলিকা কলিতা,** পঞ্চম যাণ্মাসিক
- নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা ................................. ২৬
  **ৰবিনা কুমাৰী,** পঞ্চম যাণ্মাসিক
- সমাজত শিক্ষাৰ প্ৰয়োজনীয়তা ............................ ২৮
  **ৰাণী ছাহ,** পঞ্চম যাণ্মাসিক
- উচ্চ শিক্ষাৰ গুৰুত্ব ............................................ ৩০
  **জংলাৰি ব্ৰহ্ম,** পঞ্চম যাণ্মাসিক
- শ্ৰীমন্ত শংকৰদেৱৰ অসমীয়া সমাজলৈ অৱদান ...... ৩২
  **ৰুস্তানা ইন্তাজ বেগম,** পঞ্চম যাণ্মাসিক
- জুবিন গাৰ্গ— জীৱনভিত্তিক আলোচনা ............... ৩৪
  **নিৰ্বাণ হালৈ,** পঞ্চম যাণ্মাসিক
- ব্ৰহ্মপুত্ৰৰ কবি ভূপেন হাজৰিকা ........................... ৩৬
  **বিকাশ দাস,** পঞ্চম যাণ্মাসিক
- কামাখ্যা মন্দিৰৰ গুৰুত্ব ..................................... ৩৮
  **হিমালাক্ষ্মী ডেকা,** চতুৰ্থ যাণ্মাসিক
- ভাস্কৰ বৰ্মন ........................................................ ৪০
  **সোণপাহি দাস,** চতুৰ্থ যাণ্মাসিক
- হিউৱেন চাং........................................................ ৪১
  **অনিমা বেগম,** চতুৰ্থ যাণ্মাসিক
- স্বচ্ছ ভাৰত অভিযানৰ প্ৰাসংগিকতা....................... ৪৪
  **তাপস বিশ্বাস,** চতুৰ্থ যাণ্মাসিক
- স্বচ্ছ ভাৰত অভিযান— এক সুন্দৰ পদক্ষেপ ......... ৪৬
  **পাৰবিন চুলতানা,** ছাত্ৰী
- লভিতা নাটক .................................................... ৪৮
  **ৰিম্পী নাথ,** তৃতীয় যাণ্মাসিক
- নিদৰ্শনসহ সাহিত্যৰ শ্ৰেণীবিভাগৰ বিশেষত্ব .......... ৫১
  **চয়নিকা ডেকা,** তৃতীয় যাণ্মাসিক
- জুবিন গাৰ্গৰ জীৱনৰ ইতিহাস ঃ অসমৰ হৃদয়ৰ স্পন্দন ........................................................ ৫৪
  **হিমানী পল,** প্ৰথম যাণ্মাসিক
- শিক্ষা আৰু সংস্কৃতি............................................ ৫৬
  **মণিকা দত্ত,** প্ৰথম যাণ্মাসিক
- সহযাত্ৰী (অণুগল্প) ............................................ ৫৭
  **এলি কুমাৰী দাস**
- উচ্ছেদ, জীৱনৰ অস্তিত্ব ইত্যাদি (গল্প) .................. ৫৯
  **কামাৰুজ জামান**


## কবিতা


- নতুনৰ গান ....................................................... ৭১
  **অভিজিত সিংহ**
- এটি যাত্ৰা জীৱনৰ ............................................... ৭১
  **হেমন্ত দাস**
- মৰমৰ মা .......................................................... ৭২
  **জুলি খান,** তৃতীয় যাণ্মাসিক
- বৰষুণ .............................................................. ৭২
  **জুলি খান,** তৃতীয় যাণ্মাসিক
- ফাগুনী বতাহ...................................................... ৭৩
  **আফৰিনা চুলতানা,** তৃতীয় যাণ্মাসিক
- সপোন ............................................................... ৭৪
  **চামিমা মোৰাশ্বীৰা**

# সূচীপত্ৰ...

## ইংৰাজী বিভাগ


- The book review on ‘Ghasiram Kotwal’ ....... ৭৫
  ✍ **Pankaj Kumar Kalita**
- Alienation in Modern and Contemporary British Poetry ................................................ ৭৮
  ✍ **Priyanka Basumatary**
- Siu-Ka-Pha and His Contributions ................ ৮২
  ✍ **Rashmirekha Hazarika**
- Sustainable Yield of Renewable Resources ..................................................... ৮৫
  ✍ **Dity Daimary**, Semester-VI
- Padma Shri Jadav Payeng (Forest Men of India) .................................. ৮৬
  ✍ **Rupsikha**, Semester-VI
- Deforestation & Global Warming .................. ৮৮
  ✍ **Dipanjali Konwar**, Semester-VI
- Swachh Bharat Abhiyan ............................... ৮৯
  ✍ **Nargish Begum**, Semester-V
- Unemployment .............................................. ৯১
  ✍ **Tiku Boro**, Semester-V
- The Role of Economics in our Daily Life ..... ৯২
  ✍ **Neeki Basumatary**, Semester-III
- Green Economy ............................................ ৯৩
  ✍ **Mamata Bora**, Semester-III
- Budget: It’s important ................................... ৯৪
  ✍ **Neha Kumari**, Semester-III
- Environment – a short concept ...................... ৯৫
  ✍ **Khusmuna Parbin**, Semester-III
- Codex: a short introduction ........................... ৯৬
  ✍ **Priyanka Paswan**, Semester-III
- Dimapur and it’s Culture .............................. ৯৭
  ✍ **Sashant Rai**, Semester-I
- Environmental Related Problems & Solution ..................................................... ৯৯
  ✍ **Monisha Boro**, Semester-I
- The Culture and Tradition of Nepali Cummunity ................................................ ১০১
  ✍ **Roshan Chetri**, Semester-I
- Empowering Minds (Poem) ...................... ১০৪
  ✍ **Sashant Rai**, Semester-I

প্ৰবন্ধ অসমীয়া শিতান

# সাম্প্ৰতিক সময়ত মহাপুৰুষ শংকৰদেৱৰ আদৰ্শৰ প্ৰয়োজনীয়তা ঃ এক অৱলোকন

ড° দীপালী ওজা
*অৱসৰপ্ৰাপ্ত অধ্যক্ষা, বেলতলা মহাবিদ্যালয়*

*মহাপুৰুষজনাই শিষ্যসকলক উপদেশৰ লগতে নিজ কৰ্মৰ দ্বাৰা আৰ্হি দেখুৱাই শাৰীৰিক আৰু মানসিকভাৱে সুস্থ-সৱল আৰু স্বাৱলম্বী কৰি তুলিছিল। গীত, বাদ্য, ভাওনাৰ বাহিৰেও খেতি-বাতি, বাঁহ-বেতৰ কাম, বয়ন শিল্প, ঘৰ-বাৰী সজা আদি কামৰ শিক্ষা দি কৰ্মঠ কৰি তুলিছিল। ইয়াৰ উপৰি সামাজিক ৰীতি-নীতি, স্বাস্থ্যসন্মত বিধান আদিৰো শিক্ষা দিছিল। গুৰুজনাই যোগ্যতা অনুসৰি মানুহক প্ৰাধান্য দিছিল, অৰ্থাৎ যিজন যি কামৰ বাবে উপযুক্ত সেইজনক সেই কামৰ দায়িত্ব দিছিল। দায়িত্ব গ্ৰহণ কৰোঁতাজনেও গুৰু আজ্ঞা শিৰে ধৰি ভক্তিসহ একাগ্ৰতাৰে সেই কাম পালন কৰিছিল।*

**মহাপুৰুষ** শ্ৰীমন্ত শংকৰদেৱে অসমৰ পাহাৰ-ভৈয়ামৰ সকলো লোককে একতাৰ ডোলেৰে বান্ধি আধ্যাত্মিকতা, নৈতিকতা আৰু সদাচাৰৰ শিক্ষাৰে চেতনাবোধসম্পন্ন কৰি তুলিছিল। বৰ্তমান অসমৰ বিশৃংখল পৰিস্থিতিলৈ চাই গুৰুজনাই অসমৰ সমাজখনক দি থৈ যোৱা অৱদানসমূহক আকৌ নতুনকৈ অন্তৰেৰে উপলব্ধি কৰাৰ প্ৰয়োজন হৈ পৰিছে। বাহ্যিক দৃষ্টিৰে চালে শংকৰী ধৰ্মই যথেষ্ট প্ৰসাৰ লাভ কৰা যেন লাগে। ভালদৰে নিৰীক্ষণ কৰিলে দেখা যায় যে শংকৰী ধৰ্মৰ নামত পতা বৃহৎ উৎসৱ এক মেলামুখী উৎসৱৰ বাহিৰে একো নহয়। কাৰণ শংকৰী ধৰ্মৰ মূল আদৰ্শ প্ৰচাৰত গুৰুত্ব দিয়া দেখা নাযায়। গুৰুজনাই সাম্যবাদ আৰু সদাচাৰেৰে বুকুৰ আপোন কৰি লোৱা জনগোষ্ঠীসমূহ এটাৰ পিছত এটাকৈ আঁতৰি গৈ আছে কেৱল নিজকে খাচ অসমীয়া বুলি ভবাসকলে অৱহেলাৰ দৃষ্টিৰে চোৱাৰ বাবে। লোভ-মোহ, কাম-ক্ৰোধ, হিংসা-খিয়াল, স্বজনপ্ৰীতি, প্ৰবঞ্চনা-প্ৰতাৰণাই মানুহক ক্ৰমান্বয়ে অমানুহৰ শাৰীলৈ ঠেলি নিছে। সেয়ে বৰ্তমান



সময়ত একমাত্ৰ হৰিনাম কীৰ্তনেৰে গুৰুজনাৰ আদৰ্শক জীয়াই ৰাখিব পৰা যাব বুলি আশা কৰিব নোৱাৰি যদিহে তেৰাই সমাজত সিঁচি থৈ যোৱা মণি-মুকুতাসদৃশ আদৰ্শসমূহ গভীৰভাৱে উপলব্ধি কৰি ক্ৰমান্বয়ে ভাঙি থান-বান হ'বলৈ ধৰা অসমীয়া সমাজখনক হাতে-কামে পুনৰ গঠন কৰিব পৰা নাযায়।

মহাপুৰুষজনাই শিষ্যসকলক উপদেশৰ লগতে নিজ কৰ্মৰ দ্বাৰা আৰ্হি দেখুৱাই শাৰীৰিক আৰু মানসিকভাৱে সুস্থ-সবল আৰু স্বাৱলম্বী কৰি তুলিছিল। গীত, বাদ্য, ভাওনাৰ বাহিৰেও খেতি-বাতি, বাঁহ-বেতৰ কাম, বয়ন শিল্প, ঘৰ-বাৰী সজা আদি কামৰ শিক্ষা দি কৰ্মঠ কৰি তুলিছিল। ইয়াৰ উপৰি সামাজিক ৰীতি-নীতি, স্বাস্থ্যসন্মত বিধান আদিৰো শিক্ষা দিছিল। গুৰুজনাই যোগ্যতা অনুসৰি মানুহক প্ৰাধান্য দিছিল, অৰ্থাৎ যিজন যি কামৰ বাবে উপযুক্ত সেইজনক সেই কামৰ দায়িত্ব দিছিল। দায়িত্ব গ্ৰহণ কৰোঁতাজনেও গুৰু আজ্ঞা শিৰে ধৰি ভক্তিসহ একাগ্ৰতাৰে সেই কাম পালন কৰিছিল। উদাহৰণস্বৰূপে গুৰুজনাই ইহলীলা সম্বৰণৰ আগেয়ে তেৰাৰ বৰপুত্ৰ ৰমানন্দৰ সলনি প্ৰধান, প্ৰিয় আৰু যোগ্য শিষ্য মাধৱদেৱত একশৰণ নামধৰ্মৰ সম্পূৰ্ণ ভাণ্ডাৰ অৰ্পণ কৰি তেৰাৰ অবিহনে মাধৱদেৱক গুৰু মানি চলিবলৈ সকলোকে উপদেশ দিছিল। মহাপুৰুষ শংকৰদেৱৰ অসাধাৰণ ব্যক্তিত্বই শিষ্যসকলৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছিল। তেৰাৰ প্ৰতি থকা একান্ত ভক্তিৰ বাবে শিষ্যসকলে গুৰুজনাত অলৌকিক শক্তি আৰোপ কৰিছিল।

কোচৰজা নৰনাৰায়ণে অশেষ আকুতি-মিনতি কৰাৰ পিছতো মহাপুৰুষ শংকৰদেৱে ৰজাক শৰণ দিয়াৰ পৰা বিৰত আছিল। তেৰাৰ মতে প্ৰজা পালনেই ৰজাৰ প্ৰধান ধৰ্ম। বিভিন্ন ধৰ্মাৱলম্বীৰ লোক বাস কৰা ৰাজ্যত ৰজাজনে এটা বিশেষ ধৰ্ম গ্ৰহণ কৰিলে ৰাজ্যত বিশৃংখলতাই দেখা দিব পাৰে। গতিকে প্ৰজাৰ সন্তুষ্টিয়েই ৰজাৰ সন্তুষ্টি হোৱা উচিত। আনহাতে 'মা কামাখ্যা'ৰ প্ৰতি নৰনাৰায়ণ ৰজাৰ গভীৰ ভক্তি আছিল। এনেস্থলত গুৰুজনাই প্ৰচাৰ কৰা একশৰণ নামধৰ্মত শৰণ ল'লে ৰজাৰ ভক্তি ব্যভিচাৰ হ'ব পাৰে। গতিকে পৰম গুণী আৰু পণ্ডিত ৰজাজনক তেনে পাপৰ ভাগী হ'বলৈ দিয়াটো অনুচিত। কিন্তু গুৰুজনাৰ বুজনিৰ পিছতো ৰজা নিজৰ মতত আঁকোৰগোজ হোৱাত উপায়ন্তৰ হৈ তেৰাই ধ্যানস্থ হৈ ইচ্ছামৃত্যু বৰণ কৰি নিজ আদৰ্শ ৰক্ষা কৰিছিল। চৰিতপুথিসমূহৰ পৰা মহাপুৰুষজনাৰ সময়ৰ অনেক কথা জানিব পৰা যায়। কিন্তু এই পুথিসমূহ সংৰক্ষণ কৰি আছুতীয়াকৈ ৰখাৰ বাবে সৰ্বসাধাৰণ লোক এই বিষয়ে জ্ঞাত নহয়।

অসম বুৰঞ্জীৰ পৰা জনা যায় যে ৰজাঘৰীয়া স্বেচ্ছাচাৰিতাৰ বাবে মোৱামৰীয়া বিদ্ৰোহৰ সূত্ৰপাত হৈছিল। ৰজা শিৱসিংহৰ দিনত বৰৰজা ফুলেশ্বৰী কুঁৱৰীয়ে মায়ামৰা মহন্তক দুৰ্গাদেৱীৰ ওচৰত মূৰ দোঁৱাবলৈ বাধ্য কৰোঁৱাই বলিৰ তেজেৰে ফোঁট দিওঁৱাত মোৱামৰীয়াসকল বিদ্ৰোহী হৈ উঠিল। এই বিদ্ৰোহ প্ৰায় তেইশ বছৰ ধৰি চলিছিল। এই বিদ্ৰোহ দমন কৰিবলৈ আহোম ৰজাই ইংৰাজৰ সহায় ল'বলগীয়া হৈছিল আৰু ইয়েই আহোম ৰাজত্ব পতনৰ সূচনা কৰে। শংকৰী ধৰ্মৰ প্ৰতি থকা অটল বিশ্বাস আৰু ভক্তিৰ বাবেই মোৱামৰীয়াসকল একতাৰ ডোলেৰে বান্ধ খাই শক্তিশালী হৈ পৰিছিল।

একশৰণ নামধৰ্মই আৰ্থ-সামাজিক দিশত সৰ্বসাধাৰণ লোকক সকাহ দিবলৈ সমৰ্থ হৈছিল। মহাপুৰুষ শংকৰদেৱ

*মহাপুৰুষজনাই শিষ্যসকলক উপদেশৰ লগতে নিজ কৰ্মৰ দ্বাৰা আৰ্হি দেখুৱাই শাৰীৰিক আৰু মানসিকভাৱে সুস্থ-সবল আৰু স্বাৱলম্বী কৰি তুলিছিল। গীত, বাদ্য, ভাওনাৰ বাহিৰেও খেতি-বাতি, বাঁহ-বেতৰ কাম, বয়ন শিল্প, ঘৰ-বাৰী সজা আদি কামৰ শিক্ষা দি কৰ্মঠ কৰি তুলিছিল। ইয়াৰ উপৰি সামাজিক ৰীতি-নীতি, স্বাস্থ্যসন্মত বিধান আদিৰো শিক্ষা দিছিল। গুৰুজনাই যোগ্যতা অনুসৰি মানুহক প্ৰাধান্য দিছিল, অৰ্থাৎ যিজন যি কামৰ বাবে উপযুক্ত সেইজনক সেই কামৰ দায়িত্ব দিছিল। দায়িত্ব গ্ৰহণ কৰোঁতাজনেও গুৰু আজ্ঞা শিৰে ধৰি ভক্তিসহ একাগ্ৰতাৰে সেই কাম পালন কৰিছিল।*

আৰু মাধৱদেৱৰ বাহ্যিক উৎসৱ-অনুষ্ঠানৰ বিৰোধী আছিল। গুৰু দুজনাই সাধাৰণ মানুহখিনিক বুজাই দিছিল যে ভগৱানৰ ওচৰত সেৱা জনাবলৈ কোনো টকা-পইচা বা ব্ৰত-উপাসনাৰ প্ৰয়োজন নাই। শুদ্ধ অন্তঃকৰণেৰে ভাগৱত শাস্ত্ৰখনক সেৱা জনালেই ভগৱান সন্তুষ্ট হয়। ভগৱানৰ কৰুণা লাভ কৰাৰ বাবে এয়াই আটাইতকৈ সহজ পন্থা। গুৰু দুজনাই উদাৰভাৱে মানুহৰ মানসিক জগতৰ উন্নতি সাধনত গুৰুত্ব দিছিল। এনে কাৰণতে একশৰণ নামধৰ্মই সমাজৰ দুখীয়া পিছপৰা মানুহখিনিক অধিক আকৰ্ষণ কৰিছিল। অকল সেয়ে নহয়, মহাপুৰুষ শংকৰদেৱে তেৰাৰ শিষ্য তথা সমসাময়িক কবি-সাহিত্যিকসকলক ভক্তিমূলক গ্ৰন্থ অনুবাদ আৰু মৌলিক ৰচনাৰ বাবে প্ৰেৰণা যোগাবলৈ উপযুক্ত পৰিৱেশ গঢ়ি তোলাৰ জৰিয়তে আঞ্চলিক ভাষা-সাহিত্য-সংস্কৃতিৰ বিকাশ সাধনতো সহায় কৰিছিল। সেই সময়ত এইদৰেই নামনি অসমৰ উপভাষাটোৱে মান্য ভাষাৰ মৰ্যাদা লাভ কৰিবলৈ সমৰ্থ হৈছিল। এইবাবেই সেই সময়ছোৱাক অসমীয়া সাহিত্যৰ সোণালী যুগ বুলি কোৱা হয়।

অসমীয়া সমাজৰ প্ৰতিটো দিশতেই প্ৰভাৱ পেলোৱা গুৰুজনাৰ আদৰ্শই বৃহত্তৰ অসমীয়া সমাজখনৰ গাঁথনি সপ্তদশ শতিকাৰ প্ৰথমলৈকে মজবুত কৰি ৰাখিছিল। পিছলৈ ৰজাঘৰীয়া আৰু প্ৰতিপত্তিশীল মানুহৰ দান-বৰঙণিয়ে সত্ৰৰ আন্তঃগাঁথনি উন্নত কৰিলে যদিও পৰোক্ষভাৱে সত্ৰসমূহত ৰাজনীতিৰ প্ৰভাৱ পৰিল। ইয়াৰ ফলত সত্ৰসমূহৰ পূৰ্বৰ নিকা পৰিৱেশ কিছু পৰিমাণে ব্যাহত হ'ল। ব্যক্তিগত লাভালাভ আৰু ৰাজনৈতিক ক্ষমতাই মোহাচ্ছন্ন কৰি অসমীয়া মানুহৰ মাজত ধনী-দুখীয়া, উচ্চ-নীচ, দল-সংগঠনভেদে বিভিন্ন শ্ৰেণীৰ সৃষ্টি কৰিলে। বৰ্তমানৰ সোলোক-ঢোলোক অসমীয়া সমাজখনক সুস্থ-সবল আৰু উন্নত কৰি তোলাৰ বাবে গুৰুজনাৰ আদৰ্শসমূহ পথ প্ৰদৰ্শক হৈ থকা সত্ত্বেও এলেহুৱা, আৰামপ্ৰিয়, ক্ষমতালোভী, তোষামোদকাৰী অসমীয়াই তাক গ্ৰহণ কৰিবলৈ অনিচ্ছুক হৈ পৰিছে। অসমীয়া জাতিৰ বাবে ইয়াতকৈ দুৰ্ভাগ্যৰ কথা আৰু কি হ'ব পাৰে! ❐

**মহান ব্যক্তিৰ উক্তি**

*পৰিশ্ৰমেই হ'ল মানুহৰ একমাত্ৰ পৰিত্ৰাণ। যি মানুহে নিজে বাছি লোৱা কৰ্মক্ষেত্ৰত কঠোৰ পৰিশ্ৰম কৰিব পাৰে সেই মানুহৰ মনলৈ আত্মবিশ্বাস আপোনা-আপুনি আহে।*

**হোমেন বৰগোহাঞি**

---

*ভৱিষ্যতৰ বাবে তৈয়াৰী হোৱাৰ সকলোতকৈ শ্ৰেষ্ঠ পথ হ'ল সমস্ত বুদ্ধি, ক্ষমতা আৰু আগ্ৰহ সহকাৰে আজিৰ কাম কৰি যোৱা।*

**উইলিয়াম এছলাৰ**

# ধ্ৰুপদী অসমীয়া ভাষা আৰু কিছু প্ৰাসংগিক কথা

**ড° মৃগেন্দ্ৰ নাথ শৰ্মা**
*সহকাৰী অধ্যাপক (জ্যেষ্ঠ)*
*অসমীয়া বিভাগ, বেলতলা মহাবিদ্যালয়*

**আইৰ** মুখৰ ভাষাটোৱে ভাৰতৰ অন্যতম এটা ধ্ৰুপদী ভাষাৰূপে স্বীকৃত পোৱাতো সমগ্ৰ অসম আৰু অসমীয়াসকলৰ বাবে গৌৰৱৰ বিষয়। কিয়নো জাতিক ভালপোৱা প্ৰতিজনৰ অন্তৰতে থাকে ভাষিক চেতনা আৰু মাতৃভাষা প্ৰেম। অসমীয়া ভাষালৈ ধ্ৰুপদী মৰ্যাদাৰ পিছত চৰকাৰী উদ্যোগত আয়োজিত ভাষা গৌৰৱ সপ্তাহ এক প্ৰশংসনীয় পদক্ষেপ। এনেবোৰ কাৰ্যসূচীৰ দ্বাৰা মাতৃভাষাপ্ৰেমীসকলৰ ভাষাটোৰ প্ৰতি আৰু অধিক ওচৰ চপাই আনিব বুলি আশা কৰিব পাৰি। এটা জাতিৰ প্ৰথম পৰিচয় হৈছে সেই জাতিটোৰ ভাষা। জাতীয় ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰ অবিহনে জাতিৰ পৰিচয় শূন্য পায়। জাতীয় ভাষা বিলুপ্ত হ'লে সেই জাতি বাচি থাকিব নোৱাৰে। ভাষা



এটাই জাতি এটাক যিদৰে জীয়াই ৰাখে ঠিক সেইদৰে জাতি ৰক্ষাৰ প্ৰথম উপায় হৈছে ভাষা। পৃথিৱীৰ অধিক সংখ্যক জাতিয়ে নিজৰ নিজৰ ভাষাৰ অস্তিত্ব ৰক্ষাৰ্থে বিভিন্ন সময়ত সংগ্ৰামত লিপ্ত হোৱাৰ অলেখ উদাহৰণ আছে। ইয়াৰে কিছুমান ভাষা নিজৰ অস্তিত্ব ৰক্ষা কৰিব নোৱাৰি কালৰ সোঁতত বিলীন হৈ যোৱা দেখা গৈছে।

খ্ৰীষ্টিয় চতুৰ্থ শতিকা বা তাৰো আগৰে পৰাই ঐতিহ্য বহন কৰা অসমীয়া ভাষা পৃথিৱীৰ দুকুৰী চহকী ভাষাৰ ভিতৰত অন্যতম। বিভিন্ন জনগোষ্ঠী তথা ভাষা-ভাষী লোকে বসবাস কৰা অসমৰ অসমীয়া ভাষা ভাৰতীয় সংবিধানৰ অষ্টম অনুচ্ছেদ অনুসৰি স্বীকৃত ভাষা। ২০২৪ চনৰ ৩ অক্টোবৰ তাৰিখে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা ভাষাটোক ধ্ৰুপদী মৰ্যাদা প্ৰদান কৰাত ইয়াৰ ঐতিহ্যক আৰু অধিক মজবুত কৰি তুলিলে। অসমীয়া ভাষা বিভিন্ন জনগোষ্ঠীৰ মিলনভূমি অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত বিশেষভাৱে প্ৰচলিত। প্ৰকৃতপক্ষে ই সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ জাতি-জনগোষ্ঠীৰ প্ৰধান সংযোগী ভাষা। অসমীয়া ভাষাই উমৈহতীয়া ভাষা হিচাপে অসমৰ জাতি-জনগোষ্ঠীসমূহক সামৰি লৈছে। অতীজৰে পৰা জাতীয় জীৱনৰ লগত সাঙোৰ খাই থকা জনগোষ্ঠীসমূহ অসমীয়া ভাষাটোৰে অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগ হৈ আহিছে। অসমীয়া ভাষাই এই জনগোষ্ঠীসমূহৰ চিন্তা-ভাবনা তথা সংস্কৃতিৰ প্ৰতিফলন ঘটাব পাৰিব লাগিব তেতিয়াহে অসমীয়া ভাষা আৰু অধিক সমৃদ্ধিশালী হ'ব। ধ্ৰুপদী মৰ্যাদা লাভ কৰাৰ পাছত অসমীয়া ভাষা, ভাৰতৰ এক উচ্চস্তৰীয় ভাষা হিচাপে পৰিগণিত হ'ল আৰু এতিয়া আমাৰ সকলোৰে ভাষাটোৰ প্ৰতি থকা দায়-দায়িত্ব আগতকৈ দুগুণে বৃদ্ধি পালে। অৱশ্যে ইমান দিনে ভাষাটোৰ প্ৰতি অনাদাৰ-অৱহেলা কৰাসকলেও এতিয়া কিছু ভাবিবৰ অৱকাশ পাব। প্ৰতিজন অসমীয়াই মাতৃভাষাটোৰ প্ৰতি শ্ৰদ্ধাশীল হোৱাৰ লগতে ধ্ৰুপদী মৰ্যাদা অক্ষুণ্ণ ৰখাৰ বাবে দায়বদ্ধতাৰ পৰিচয় দিব পাৰিব লাগিব আৰু তেতিয়াহে অসমীয়া ভাষা আমাৰ বাবে গৌৰৱৰ বিষয় হৈ থাকিব।

*অসমীয়া ভাষাই উমৈহতীয়া ভাষা হিচাপে অসমৰ জাতি-জনগোষ্ঠীসমূহক সামৰি লৈছে। অতীজৰে পৰা জাতীয় জীৱনৰ লগত সাঙোৰ খাই থকা জনগোষ্ঠীসমূহ অসমীয়া ভাষাটোৰে অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগ হৈ আহিছে। অসমীয়া ভাষাই এই জনগোষ্ঠীসমূহৰ চিন্তা-ভাবনা তথা সংস্কৃতিৰ প্ৰতিফলন ঘটাব পাৰিব লাগিব তেতিয়াহে অসমীয়া ভাষা আৰু অধিক সমৃদ্ধিশালী হ'ব। ধ্ৰুপদী মৰ্যাদা লাভ কৰাৰ পাছত অসমীয়া ভাষা, ভাৰতৰ এক উচ্চস্তৰীয় ভাষা হিচাপে পৰিগণিত হ'ল আৰু এতিয়া আমাৰ সকলোৰে ভাষাটোৰ প্ৰতি থকা দায়-দায়িত্ব আগতকৈ দুগুণে বৃদ্ধি পালে।*

ধ্ৰুপদী ভাষা বুলি ক'লে প্ৰাচীন আৰু সুকীয়া সাহিত্যিক ঐতিহ্যসম্পন্ন একোটা ভাষাক বুজোৱা হয়। ২০০৪ চনৰ পৰা ভাৰত চৰকাৰে বান্ধি দিয়া কিছুমান চৰ্ত পূৰণ কৰা ভাষাসমূহক ধ্ৰুপদী মৰ্যাদা প্ৰদান কৰাৰ ব্যৱস্থা কৰা হয়। সেই অনুসাৰে ২০০৪ চনত প্ৰথম তামিল ভাষাক ধ্ৰুপদী মৰ্যাদা দিয়া হয়। আৰু তাৰ পৰৱৰ্তী কালত সংস্কৃত (২০০৫), তেলুগু (২০০৮), কন্নড় (২০০৮), মালায়ালম (২০১৩), ওড়িয়া (২০১৪) আদি ভাষাসমূহে ধ্ৰুপদী ভাষাৰ স্বীকৃতি লাভ কৰে। ২০২৪ চনৰ ৩ অক্টোবৰত ধ্ৰুপদী মৰ্যাদা লাভ কৰা ভাষাকেইটা হ'ল— মাৰাঠী, পালি, প্ৰাকৃত, অসমীয়া আৰু বাংলা ভাষা।

ধ্ৰুপদী ভাষা এটাৰ স্বতন্ত্ৰ সাহিত্যিক পৰম্পৰা থকাৰ লগতে সেই প্ৰাচীন সাহিত্যৰ কথিত আৰু লিখিত সমল থকাটো বাঞ্ছনীয়। যিবোৰ ভাষা প্ৰাচীন কালৰে পৰা চলি আহিছে আৰু স্বকীয় ঐতিহ্য বহন কৰা এই ভাষাবোৰে পৃথিৱীৰ আন আন ভাষাৰ বিকাশত বিশেষ অৱদান আগবঢ়াইছে। সেই ভাষাসমূহক ধ্ৰুপদী ভাষা আখ্যা দিয়া হয়। অৱশ্যে ধ্ৰুপদী ভাষাৰ স্বীকৃতি পাবলৈ চৰকাৰী বিধি-ব্যৱস্থাৰ

মাজেদি আগবাঢ়িব লাগে। ধ্ৰুপদী শব্দই বুজায় উচ্চ বা শাস্ত্ৰীয়, প্ৰগাঢ় ঐতিহ্যবাহী সম্পদ বিশেষ; প্ৰাচীন কালৰে পৰা প্ৰতিষ্ঠিত শ্ৰেষ্ঠ শৈলী ইত্যাদি। প্ৰাচীন ঐতিহ্যসম্পন্ন বা ইতিহাসসমৃদ্ধ কোনো ভাষাই বহুকাল আগৰে পৰা নিৰৱচ্ছিন্নভাৱে পৰিৱৰ্তন আৰু পৰিৱৰ্ধনৰ মাজেদি প্ৰচলিত হৈ থকা ভাষাকো ধ্ৰুপদী ভাষা বুলি কোৱা হয়। আনহাতে যিবোৰ ভাষা বৰ্তমান কথিত ৰূপত প্ৰয়োগ নহয় অথচ ইয়াৰ উৎপত্তি বহু প্ৰাচীন আৰু আন ভাষাৰে উৎপত্তি ক্ষেত্ৰত অৰিহণা আছে সেইসমূহ ভাষাকো ধ্ৰুপদী ভাষাৰ মৰ্যাদা দিয়া হয়।

২০০৪ চনত ধ্ৰুপদী ভাষাৰ চৰ্তসমূহৰ ভিতৰত ভাষা এটাৰ প্ৰাচীন কালৰ প্ৰাৰম্ভিক মানদণ্ড এশ বছৰীয়া বুলি ধৰা হৈছিল। তদুপৰি ভাষাটো পুৰুষানুক্ৰমে চলি অহাৰ লিখিত বা ঐতিহাসিক তথ্য থকাৰ উপৰিও মৌলিক সাহিত্যিক নিদৰ্শনৰ প্ৰয়োজন। ২০০৫ চনত এই চৰ্তসমূহৰ পুনৰীক্ষণ কৰি ইয়াৰ প্ৰাৰম্ভিক মানদণ্ড ১৫০০-২০০০ বছৰীয়া কৰা হয়। ১৫০০-২০০০ বছৰীয়া ঐতিহাসিক সমল, লিখিত তথ্য আদি পুৰুষানুক্ৰমে চলি অহা ভাষাটোৰ ওপৰত প্ৰভাৱ থাকিব লাগে। এই সমলসমূহ ভাষাটোৰ সম্পূৰ্ণ নিজৰ হোৱাৰ লগতে ভাষা আৰু সাহিত্যৰ ধ্ৰুপদী ৰূপৰ সৈতে বৰ্তমানৰ ৰূপৰ পাৰ্থক্য থাকিব লাগে। ২০২৪ চনত এই চৰ্তসমূহ পুনৰীক্ষণ হয় যদিও বিশেষ সলনি কৰা নাই। চৰ্তসমূহ ইয়াৰ ভিতৰত ১৫০০-২০০০ বছৰীয়া ঐতিহাসিক সমল; এই সমলসমূহ বৰ্তমানৰ ভাষিক গোষ্ঠীটোৰে ঐতিহ্য হিচাপে এই জ্ঞানমূলক গদ্য, পদ্যৰ লগতে ভাষাতাত্ত্বিক সমলসমূহ শিলালিপি, তাম্ৰলিপি আদিত থাকিব লাগে।

অসমীয়া ভাষাই প্ৰায় দুহেজাৰ বছৰীয়া ঐতিহ্যক সামৰি ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰিলে। বহু বিপদ-বিঘিনি, ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি বৰ্তমান অসমীয়া ভাষাই অভিধান, ব্যাকৰণ, সাহিত্য, বিশ্বকোষ, পাঠ্যপুথি, আলোচনী, বাতৰি কাকত, অনাতাঁৰ, দূৰদৰ্শন আদি সকলো দিশতে আধুনিক ভাৰতীয় ভাষা হিচাপে সমৃদ্ধশালী। ১৮৩৬-১৮৭৩ৰ দুৰ্যোগ কালৰ পিছত অসমীয়া ভাষাই স্বকীয়তাৰে আত্মপ্ৰতিষ্ঠা লাভ কৰে। ১৯৬০ চনৰ ৰাজ্যভাষা আইন আৰু স্কুল-কলেজত অসমীয়া মাধ্যম গ্ৰহণ কৰাৰ বাবে ১৯৭২ চনত অসমীয়াভাষীসকলে আন্দোলন কৰিবলগীয়া হয়। বহুবাৰ বিদেশী আক্ৰমণ, গৃহকন্দল আদিৰ মাজেদি অসমীয়া জাতিয়ে নিজৰ শৌৰ্য-বীৰ্যৰে অসমীয়া ভাষাৰ জয়যাত্ৰা অব্যাহত ৰাখিছে। কিন্তু যোৱা দুটামান দশকৰ পৰা হোৱা আলোচনা-বিলোচনাত মাতৃভাষাটোৰ প্ৰতি একাংশ লোকৰ অনাদৰ-অৱহেলাৰ বিষয়টোৱে স্থান লাভ কৰিবলৈ লৈছে। নিশ্চয়কৈ যি অসমীয়া ভাষাৰ প্ৰাণ প্ৰতিষ্ঠাৰ বাবে এচাম দেশহিতৈষীয়ে সংগ্ৰাম কৰি তাৰ হৃত মৰ্যাদা ঘূৰাই আনিছিল, সেইসকলৰ উত্তৰপুৰুষে ভাষাটোৰ ভৱিষ্যৎ সম্পৰ্কে পুনৰাই আশংকাত ভুগিব লগা হোৱাটো শুভলক্ষণ নহয়। ইংৰাজী মাধ্যমত পঢ়া-শুনা কৰিলেও মাতৃভাষাৰ সংস্পৰ্শৰ পৰা আঁতৰি আহিব লাগে বুলি কোনো কথা থাকিব নোৱাৰে। দৰাচলতে নিজৰ মাতৃভাষাক আদৰ-সাদৰ কৰিও ইংৰাজীকে ধৰি পৃথিৱীৰ আন আন ভাষা জ্ঞানৰ অধিকাৰী হ'ব পাৰি। এটা জাতিৰ প্ৰত্যেক ব্যক্তিয়ে নিজৰ ভাষা-সাহিত্য-সংস্কৃতিৰ ৰক্ষক হোৱাৰ লগতে শ্ৰদ্ধাশীল হোৱা আৱশ্যক। তেতিয়াহে

*যোৱা দুটামান দশকৰ পৰা হোৱা আলোচনা-বিলোচনাত মাতৃভাষাটোৰ প্ৰতি একাংশ লোকৰ অনাদৰ-অৱহেলাৰ বিষয়টোৱে স্থান লাভ কৰিবলৈ লৈছে। নিশ্চয়কৈ যি অসমীয়া ভাষাৰ প্ৰাণ প্ৰতিষ্ঠাৰ বাবে এচাম দেশহিতৈষীয়ে সংগ্ৰাম কৰি তাৰ হৃত মৰ্যাদা ঘূৰাই আনিছিল, সেইসকলৰ উত্তৰপুৰুষে ভাষাটোৰ ভৱিষ্যৎ সম্পৰ্কে পুনৰাই আশংকাত ভুগিব লগা হোৱাটো শুভলক্ষণ নহয়। ইংৰাজী মাধ্যমত পঢ়া-শুনা কৰিলেও মাতৃভাষাৰ সংস্পৰ্শৰ পৰা আঁতৰি আহিব লাগে বুলি কোনো কথা থাকিব নোৱাৰে। দৰাচলতে নিজৰ মাতৃভাষাক আদৰ-সাদৰ কৰিও ইংৰাজীকে ধৰি পৃথিৱীৰ আন আন ভাষা জ্ঞানৰ অধিকাৰী হ'ব পাৰি। এটা জাতিৰ প্ৰত্যেক ব্যক্তিয়ে নিজৰ ভাষা-সাহিত্য-সংস্কৃতিৰ ৰক্ষক হোৱাৰ লগতে শ্ৰদ্ধাশীল হোৱা আৱশ্যক।*

*বৰ্তমান তথ্য আৰু প্ৰযুক্তিৰ অভাৱনীয় পৰিৱৰ্তনৰ ফলস্বৰূপে পৃথিৱীৰ বুকুলৈ যি পৰিৱৰ্তন নামি আহিছে সেই প্ৰভাৱৰ পৰা অসমীয়া ভাষা-সংস্কৃতিও ৰক্ষা পৰা নাই। সাম্ৰাজ্যবাদী শক্তিসমূহে উন্নয়নশীল আৰু অনুন্নত ৰাষ্ট্ৰসমূহৰ মাজত ব্যৱসায়-বাণিজ্য, ভাষা-সাহিত্য, শিক্ষা, সমাজ-সংস্কৃতি, প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হোৱাতো লক্ষণীয় বিষয়। বিশ্বায়ন বা গোলকীকৰণৰ ফলত ইংৰাজী ভাষা মূল চালিকাশক্তি হৈ পৰাত পৃথিৱীৰ সৰু সৰু ভাষাসমূহক একপ্ৰকাৰ হেঁচি ধৰিছে। তদ্ৰূপ অসমীয়া ভাষাত ইংৰাজী ভাষাৰ অহৰহ আক্ৰমণৰ মুখামুখি হ'ব লগাত পৰিছে।*

জাতি আৰু ভাষাৰ ভৱিষ্যৎ সমৃদ্ধিশালী হ'ব।

বৰ্তমান তথ্য আৰু প্ৰযুক্তিৰ অভাৱনীয় পৰিৱৰ্তনৰ ফলস্বৰূপে পৃথিৱীৰ বুকুলৈ যি পৰিৱৰ্তন নামি আহিছে সেই প্ৰভাৱৰ পৰা অসমীয়া ভাষা-সংস্কৃতিও ৰক্ষা পৰা নাই। সাম্ৰাজ্যবাদী শক্তিসমূহে উন্নয়নশীল আৰু অনুন্নত ৰাষ্ট্ৰসমূহৰ মাজত ব্যৱসায়-বাণিজ্য, ভাষা-সাহিত্য, শিক্ষা, সমাজ-সংস্কৃতি, প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হোৱাতো লক্ষণীয় বিষয়। বিশ্বায়ন বা গোলকীকৰণৰ ফলত ইংৰাজী ভাষা মূল চালিকাশক্তি হৈ পৰাত পৃথিৱীৰ সৰু সৰু ভাষাসমূহক একপ্ৰকাৰ হেঁচি ধৰিছে। তদ্ৰূপ অসমীয়া ভাষাত ইংৰাজী ভাষাৰ অহৰহ আক্ৰমণৰ মুখামুখি হ'ব লগাত পৰিছে। উল্লেখ কৰিব পাৰি যে অসমৰ গ্ৰাম্য চহা জীৱনতকৈ নগৰীয়া উচ্চবিত্ত আৰু মধ্যবিত্ত সমাজ জীৱনক ই বেছিকৈ প্ৰভাৱিত কৰিছে। প্ৰথিতযশা সাহিত্যিক, শিক্ষাবিদ ড° নগেন শইকীয়াই এঠাইত মন্তব্য কৰিছে যে 'ব্যৱহাৰ নাথাকিলে ভাষা মৰাসুঁতি হয়। ব্যৱহাৰিক উপযোগিতা তথা প্ৰয়োজনীয়তা যেতিয়া হেৰায়, তেতিয়াই ভাষাৰ মৃত্যু ঘটে।' আজিকালি অসমীয়া ভাষাৰ বাক্য গাঁথনিত ইংৰাজী শব্দৰ সংমিশ্ৰণ একাংশ লোকৰ মাজত স্বাভাৱিক প্ৰক্ৰিয়াত পৰিণত হৈছে। তেনে একাংশ শিক্ষিত লোকৰ মাজত অহেতুক ইংৰাজী প্ৰীতিৰ মূলতে আধুনিকতাৰ নামত নিজক জাহিৰ কৰাৰ লগতে এক উচ্চাত্মিকতা তাৰ প্ৰদৰ্শনৰ প্ৰবলতাও জড়িত হৈ আছে। ইয়াৰ ফলত তেওঁলোকৰ মুখত অসমীয়া ভাষাটো এটা ইংৰাজী মিশ্ৰিত ভাষালৈ ৰূপান্তৰ ঘটি ক্ৰমাগতভাৱে বিকৃত হ'বলৈ আগবাঢ়িছে। ধ্বনি উচ্চাৰণ, শব্দ চয়ন, শব্দ গঠন, উপমা, পটন্তৰ আদি সকলোতে এটা পৰিৱৰ্তিত ৰূপ দেখিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে টিভি চেনেলৰ কিছুমান সাক্ষাৎকাৰ, আলোচনা-বিলোচনা, ৰাস্তাই-ঘাটে, বজাৰ-সমাৰ, এফ এম ৰেডিঅ', মোবাইলত, বৈদ্যুতিক বাৰ্তা প্ৰেৰণত, চিটিবাছ নাইবা ঘৰত অসমীয়া ভাষাৰ এটা আচহুৱা বাক্‌ভংগী পৰিলক্ষিত হয়। অৱশ্যে যুগৰ পৰিৱৰ্তনৰ লগে লগে ভাষা-সংস্কৃতি সদায় একেদৰে নাথাকে। অসমীয়া ভাষাৰ বিৱৰ্তনৰ গতিধাৰা লক্ষ্য কৰিলেই কথাষাৰ স্পষ্ট হয়। চৰ্যাপদকালীন অসমীয়া সমাজখনৰ পৰা বৰ্তমান বিশ্বায়নৰ যুগত অসমীয়া ভাষাই বহু পৰিৱৰ্তন আৰু পৰিৱৰ্ধন লাভ কৰিলে আৰু ভৱিষ্যতেও নতুন সংযোগ সাধন হ'ব। ভাষাৰ পৰিৱৰ্তন প্ৰকৃতিগত ঘটনা। কিন্তু অত্যধিক দেশী-বিদেশী শব্দৰ আমদানি তথা অনৰ্থক পৰিৱৰ্তন আৰু বিকৃতকৰণে ভাষাৰ স্বকীয়তাত আঘাত হানিব পাৰে। ইয়াৰ বাবে আমাৰ সকলোৰে সজাগতাৰ প্ৰয়োজন।❐

# এভুমুকি

**ভাৰতী দেৱী**
*সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ,*
*বেলতলা মহাবিদ্যালয়*

**১৯২৬** চনৰ ৮ ছেপ্টেম্বৰত ড° ভূপেন হাজৰিকাদেৱৰ শদিয়াত জন্ম হৈছিল। একাধাৰে কবি, গীতিকাৰ, সংগীত পৰিচালক, বোলছবি পৰিচালক, সাংবাদিক, ৰাজনীতিবিদ তথা স্বৰাজোত্তৰ অসমৰ সাংস্কৃতিক জগতৰ মধ্যমণি ড° ভূপেন হাজৰিকা আছিল বৌদ্ধিকভাৱে আৰু বৈচিত্ৰ্যপূৰ্ণ অভিজ্ঞতাৰে সমৃদ্ধ। অফুৰন্ত শিল্প প্ৰতিভাসম্পন্ন ব্যক্তিত্বৰ অধিকাৰী। পিতৃৰ কৰ্মসূত্ৰে বিভিন্ন ঠাইত ঘূৰি থাকিবলগীয়া হোৱা ভূপেন হাজৰিকাৰ শিক্ষা জীৱন আৰম্ভ হয় গুৱাহাটীৰ ভৰলুমুখত অৱস্থিত সোণাৰাম হাইস্কুলত। তেজপুৰ হাইস্কুলৰ পৰা প্ৰৱেশিকা পাছ কৰি কটন কলেজত আই এ মহলাৰ



পৰা ইণ্টাৰমেডিয়েট পৰীক্ষাত উত্তীৰ্ণ হৈ কাশী বিশ্ববিদ্যালয়ৰ পৰা ৰাজনীতি বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি বি বৰুৱা মহাবিদ্যালয়ত কিছুদিন শিক্ষকতা কৰিছিল। ১৯৪৮ চনত আকাশবাণীৰ শ্বিলং-গুৱাহাটী কেন্দ্ৰৰ প্ৰতিষ্ঠাৰে প্ৰায় ডেৰ বছৰ কাল চাকৰি কৰি ১৯৪৯ চনত এটা বৃত্তি লাভ কৰি উচ্চ শিক্ষাৰ বাবে নিউয়ৰ্কলৈ যাত্ৰা কৰে। তাতে তেখেতে কলম্বিয়া বিশ্ববিদ্যালয়ৰ পৰা গণ সংযোগ বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি ১৯৫২ চনত গৱেষণা কৰ্মৰ বাবে ডক্টৰেট হয়। ১৯৫৫ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষক হিচাপে যোগদান কৰে যদিও কিছু কাৰণত তেখেতে ১৯৫৬ চনত চাকৰিৰ পৰা ইস্তাফা দিয়ে। ইতিমধ্যে কথাছবি সংগীতৰ ৰেকৰ্ডিঙৰ কামত কলিকতালৈ অহা-যোৱা কৰোঁতে তাত কেইবাখনো সংগীতানুষ্ঠানত গীত পৰিৱেশন কৰি তেওঁ বঙালী শ্ৰোতাসকলৰ অতি প্ৰিয় গায়ক হোৱাৰ লগতে তেখেতে সপত্নীক কলিকতাৰ টালিগঞ্জত থাকিবলৈ লয়। 'পিয়লি ফুকন' কথাছবিৰ সংগীত পৰিচালক হিচাপে নিজক কথাছবিৰ লগত নিযুক্ত কৰি ক্ৰমান্বয়ে 'শকুন্তলা', 'লটিঘটি', 'ভাগ্য', 'চিক্‌মিক বিজুলী', 'চামেলি মেমচাব', 'কাঁচঘৰ', 'খোজ' আদি ভালেমান ছবি পৰিচালনা কৰে। অসমীয়া ছবিৰ লগতে বঙলা আৰু হিন্দী কথাছবি জগততো তেখেতৰ বলিষ্ঠ প্ৰৱেশ ঘটে। 'আৰোপ', 'একপল', 'ৰুদালী', 'দমন', 'দৰমিয়া' আদি তেখেতৰ দ্বাৰা পৰিচালিত হিন্দী ছবি। ড° হাজৰিকাই কথাছবিৰ লগে লগে অভিনয়ৰ ভাব, ভাষা আৰু বিভিন্ন বিষয়বস্তু লৈ গীত ৰচনা কৰি বলিষ্ঠ কণ্ঠেৰে গায়, অসম-বংগ, বাৰ্লিন-জাপান আদি বিশ্বৰ অলেখ ঠাইত ভিন্নবাসী হাজাৰ হাজাৰ জনতাক মন্ত্ৰমুগ্ধ কৰিবলৈ সমৰ্থ হৈছিল। আমেৰিকাৰ মহান শিল্পী পল ৰবছন, বিশ্ববিখ্যাত চিত্ৰশিল্পী পিকাছো, দাৰ্শনিক জাঁ পল ছাৰ্ত্ৰেৰ দৰে বৰেণ্য মনীষীৰ সান্নিধ্যৰে আৰু জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ স্নেহধন্য হৈ এইগৰাকী ব্যক্তিৰ মানসিক দিগন্ত সমগ্ৰ বিশ্বলৈ ব্যপ্ত হৈছিল। অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ জনগোষ্ঠীৰ সংস্কৃতি সমন্বয়ৰ বাৰ্তাবাহক ড° ভূপেন হাজৰিকা। অসমীয়া সংস্কৃতিক, অসমীয়া বুলি পৰিচয়টোক ড° হাজৰিকাই জগত সভালৈ লৈ গৈছিল। অসমৰ লোক সংস্কৃতিৰ সম্ভাৰৰ পৰা মৌ বুটলি তাকেই তেওঁ আধুনিক ৰূপত সজাইছিল, বিভিন্ন জনগোষ্ঠীৰ সাংস্কৃতিক পৰিচয়ক সন্মান সহকাৰে তুলি ধৰি সকলোৰে মাজত সমন্বয়ৰ বাৰ্তা লৈ জনতাৰ শিল্পী হৈ পৰিছিল। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতিটো জ্বলন্ত সমস্যাৰ সময়ত গীত আৰু সাংবাদিকতাৰে জনতাৰ পক্ষত নিৰ্ভয়ে মাত মাতিছিল। জন-সাংস্কৃতিক পৰিষদৰ সভাপতি হৈ তেওঁ সংঘাতজৰ্জৰিত বিভিন্ন ঠাইত শান্তিৰ বাৰ্তা বিলাইছিল। ড° ভূপেন হাজৰিকাৰ দৰে সন্মান, বঁটা পোৱা লোকৰ সংখ্যা বিশ্বত নিচেই কম। ১৯৭৭ চনত তেখেতলৈ আগবঢ়োৱা হয় পদ্মশ্ৰী সন্মান। ১৯৮৭ চনত শংকৰদেৱ বঁটা, ১৯৯২ চনত দাদা চাহেব ফাল্কে বঁটা, ২০০১ চনত পদ্মভূষণ, ২০০৯ চনত অসমৰ সৰ্বোচ্চ সন্মান 'অসম ৰত্ন', স্বৰ্ণ কমল বঁটাৰে সন্মানিত এইগৰাকী বৰেণ্য ব্যক্তি সংগীত নাটক অকাডেমিৰ সভাপতি পদ, অসম সাহিত্য সভাৰ সভাপতি, ২০১২ চনত পদ্ম বিভূষণ বঁটাৰে সন্মানিত হৈছিল। ড° ভূপেন হাজৰিকাক ২০১৯ চনত তেখেতৰ অৱদানৰ বাবে ভাৰত চৰকাৰে মৰণোত্তৰভাৱে ভাৰতৰ সৰ্বোচ্চ অসামৰিক সন্মান 'ভাৰত ৰত্ন' প্ৰদান কৰে। এইজনা মহান ব্যক্তিয়ে ২০১১ চনৰ ৫ নৱেম্বৰৰ দিনা ইহলীলা সম্বৰণ কৰে। 'মই অসমীয়া' বুলি গৌৰৱেৰে ঘোষণা কৰা, জীৱন সংগ্ৰামৰ দুৰ্যোগৰ দিনত গভীৰ আশাভৰা গীত গোৱা দুৰ্দিনৰ সময়ত আস্থাৰ গীত গোৱা, মানৰ দৰদী, আধুনিক মনৰ ৰোমাণ্টিক শিল্পীসত্তাৰ এইগৰাকী অসাধাৰণ ব্যক্তি কিন্তু যাযাবৰী শিল্পীৰ জীৱন-যাপন কৰিছিল। বিশ্বৰ সংস্কৃতিবান মানৰ হিয়াৰ মাজত ড° ভূপেন হাজৰিকাদেৱ নিজৰ কৃতিৰে সদায় চিৰ সেউজীয়া হৈ থাকিব। এইগৰাকী মহান ব্যক্তিৰ জীৱন পৰিক্ৰমা অসমৰ ইতিহাসত এক বিৰল আৰু বিস্ময় হৈ ৰ'ব।❒

# ছাত্ৰ জীৱন আৰু আধ্যাত্মিকতা

**সাধনা কলিতা**
*সহকাৰী অধ্যাপক, অৰ্থনীতি বিভাগ*
*বেলতলা মহাবিদ্যালয়*



**ছাত্ৰ** জীৱন বুলিলে জীৱনৰ সেই সময়ছোৱাক বুজোৱা হয় যি সময়ত শৈশৱৰ পৰা আৰম্ভ কৰি কৈশোৰ আৰু যৌৱনৰ সময়লৈকে ছাত্ৰ-ছাত্ৰীসকলে স্কুল, বিদ্যালয়, মহাবিদ্যালয় বা বিভিন্ন বিশ্ববিদ্যালয়ত বিভিন্ন বিষয়ত বা শিক্ষা প্ৰতিষ্ঠানত অধ্যয়ন কৰি পাঠ্য জ্ঞান, নৈতিক জ্ঞান, কৌশল আৰু অভিজ্ঞতা আহৰণ কৰে। ছাত্ৰ জীৱনৰ সময়ছোৱা অতিকৈ গুৰুত্বপূৰ্ণ আৰু তাৎপৰ্যপূৰ্ণ, কাৰণ এই সময়ছোৱাৰ মাজেৰে ভৱিষ্যৎ জীৱন গঢ় লৈ উঠে। ছাত্ৰ জীৱনৰ মানসিকতা, চিন্তা-চৰ্চা, নৈতিক জ্ঞান, বুদ্ধিমত্তা, আদৰ্শ আদিৰ ওপৰত ভিত্তি কৰি ভৱিষ্যৎ জীৱনৰ পথ নিৰ্ধাৰিত হয়। কি

ভাল কি বেয়া এই ধৰণৰ সকলো চিন্তাচৰ্চাই ছাত্ৰৰ মনত বিভিন্ন ধাৰণাৰ সৃষ্টি হয়। এক ধূসৰ স্বপ্নই মন আৱৰি থাকে। সঠিক পথ বিচাৰি বহু ছাত্ৰই দশোদিশে ধাৱমান হয়, আৰু গতানুগতিক প্ৰবাহত নিজকে উটুৱাই লৈ গৈ থাকে। বহু ক্ষেত্ৰত অস্থিৰতাই ছানি ধৰে ছাত্ৰসমাজক। বহু ছাত্ৰই ভালদৰে নাজানে তেওঁলোকে ভৱিষ্যতে হ'ব খোজা মানুহজন কাৰ সপোনৰ মানুহ, তেওঁৰ নিজৰ নে অইন কাৰোবাৰ। কাৰোবাৰ সপোন পূৰ্ণ কৰিব গৈ গৈ বহু ছাত্ৰই নিজৰ জীৱন পৰ্যন্ত হেৰুৱাইছে। ছাত্ৰ জীৱনৰ সময়ছোৱা জীৱনৰ আটাইতকৈ মূল্যৱান সময়। যিদৰে খেতিয়কে মাটি চহাই মাটিত ভাল বীজ নিসিঁচিলে ভাল শস্য পোৱা কঠিন, তেনেকৈ ছাত্ৰ অৱস্থাতেই যদি নিজৰ জীৱনৰ লক্ষ্য-উদ্দেশ্য স্থিৰ কৰি সেই ধৰণে কৰ্ম নকৰে তেনেহ'লে ভাল ফল পোৱাৰ সম্ভাৱনা নাই। গতিকে অত্যধিক সাৱধানেৰে ছাত্ৰ জীৱনৰ প্ৰতিটো সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব। আজিৰ যুগত দেখা সকলো বস্তু সঁচা নহয়, শুনা কথাবোৰো সঠিক বা সত্য বুলি বুজা টান। সহজ উপলব্ধ জ্ঞানেৰে গোটেই সমাজ ভৰি আছে। এইবোৰে ছাত্ৰ সমাজক বহু জটিলতাৰ ফালে ঠেলি দিছে, বিশেষকৈ নিজৰ সিদ্ধান্তবোৰ গ্ৰহণ কৰাৰ ক্ষেত্ৰত। ছাত্ৰৰ কোমল হৃদয়ত এই ধৰণৰ গভীৰ সমস্যাই ছাত্ৰৰ থৌকিবাথৌ মন সঠিক সিদ্ধান্তৰ ফালে সন্তুলিত হ'ব নোৱাৰে। ফলত এইবোৰে ছাত্ৰ জীৱনত সংঘৰ্ষৰ জন্ম দিয়ে। জীৱনত সংঘৰ্ষ থাকিবই। বহু ছাত্ৰই এই সংঘৰ্ষৰ মুখামুখি হ'ব নোৱাৰে বা নোখোজে, মনতে ভাবে কোনোবাই আহি তেওঁৰ জীৱনৰ সংঘৰ্ষবোৰ সমাপ্ত কৰি দিয়ক বা সমস্যাৰ সমাধান কৰি দিয়ক। কিন্তু এয়া সকলোৰে ক্ষেত্ৰত সম্ভৱ নহয়। সংঘৰ্ষ প্ৰকৃতিপ্ৰদত্ত। এই জীৱনত আহি পৰা সংঘৰ্ষ বা সংগ্ৰামৰ লগত যুঁজাৰ যদি সূত্ৰ পোৱা যায় তেনেহ'লে জীৱন আনন্দময় হৈ যাব। আৰু জীৱন যুঁজত যুঁজাৰ মিত্ৰ পোৱা যায় আধ্যাত্মিকতাত।

আধ্যাত্মবাদ মানৱ জীৱনৰ উত্থানৰ বিজ্ঞান। খুব সংক্ষেপে আধ্যাত্মবাদ মানে ভগৱানৰ ওপৰত বিশ্বাস কৰা আৰু ভগৱানৰ অনুকূল চৰিত্ৰৰ দ্বাৰা নিজৰ জীৱন-ৰথ পৰিচালনা কৰা। অনুকূল চৰিত্ৰ মানে ভগৱানৰ প্ৰিয় কাৰ্য। ই এক আধ্যাত্মিকতাৰ পদ্ধতি। আধ্যাত্মিকতা হৈছে আত্মাৰ চেতনাৰ বিকাশ যাৰ জৰিয়তে মানুহে নিজক জানিব পাৰে আৰু মানুহক জীৱনৰ সঠিক উদ্দেশ্য আৰু জীৱন পথ বুজিবলৈ সহায় কৰে। ছাত্ৰ অৱস্থাৰ পৰাই আধ্যাত্মিক চিন্তন বা ভগৱানৰ ওপৰত বিশ্বাসৰ মাজেৰে জীৱন-যাপন কৰিলে জীৱনত আহি পৰা সংঘাত, দুখ-কষ্ট বা খেলি-মেলিৰ মাজতো স্থিৰে থাকি শুদ্ধ সিদ্ধান্ত ল'ব পৰা যোগ্যতা আহৰণ কৰিব পাৰি। অন্তৰত ভগৱানৰ প্ৰতি ভক্তি, শ্ৰদ্ধা তথা বিশ্বাস থাকিলে ভগৱানৰ প্ৰিয় কাৰ্য যেনে সততা, সৎসাহস, সৎ আচৰণ, বেয়া কাৰ্যৰ পৰা নিজকে দূৰত ৰখা, জ্যেষ্ঠজনক সন্মান, শ্ৰদ্ধা, সৰুসকলৰ প্ৰতি মৰম সকলো জীৱৰ প্ৰতি শুভ ভাৱনা, বিশ্বাস, ধৈৰ্য, একাগ্ৰতা, সংযম, দয়া আদি গুণ নিজৰ মাজত আপোনা-আপুনি জাগৃত হ'ব।

নিজৰ জীৱনলৈ এই গুণসমূহ আনিবৰ বাবে অভ্যাসৰ প্ৰয়োজন। ভগৱানৰ ওপৰত বিশ্বাস আৰু ভক্তি ৰাখি যদি সৎগুণসমূহৰ অধিকাৰী হোৱাৰ বাবে অভ্যাস কৰা যায়, লাহে লাহে এই গুণসমূহ নিজৰ চৰিত্ৰ হৈ যাব।

*সহজ উপলব্ধ জ্ঞানেৰে গোটেই সমাজ ভৰি আছে। এইবোৰে ছাত্ৰ সমাজক বহু জটিলতাৰ ফালে ঠেলি দিছে, বিশেষকৈ নিজৰ সিদ্ধান্তবোৰ গ্ৰহণ কৰাৰ ক্ষেত্ৰত। ছাত্ৰৰ কোমল হৃদয়ত এই ধৰণৰ গভীৰ সমস্যাই ছাত্ৰৰ থৌকিবাথৌ মন সঠিক সিদ্ধান্তৰ ফালে সন্তুলিত হ'ব নোৱাৰে। ফলত এইবোৰে ছাত্ৰ জীৱনত সংঘৰ্ষৰ জন্ম দিয়ে। জীৱনত সংঘৰ্ষ থাকিবই। বহু ছাত্ৰই এই সংঘৰ্ষৰ মুখামুখি হ'ব নোৱাৰে বা নোখোজে, মনতে ভাবে কোনোবাৰ আহি তেওঁৰ জীৱনৰ সংঘৰ্ষবোৰ সমাপ্ত কৰি দিয়ক বা সমস্যাৰ সমাধান কৰি দিয়ক। কিন্তু এয়া সকলোৰে ক্ষেত্ৰত সম্ভৱ নহয়। সংঘৰ্ষ প্ৰকৃতিপ্ৰদত্ত। এই জীৱনত আহি পৰা সংঘৰ্ষ বা সংগ্ৰামৰ লগত যুঁজাৰ যদি সূত্ৰ পোৱা যায় তেনেহ'লে জীৱন আনন্দময় হৈ যাব। আৰু জীৱন যুঁজত যুঁজাৰ মিত্ৰ পোৱা যায় আধ্যাত্মিকতাত।*



*বৰ্তমান সময়ত উদ্বেগ, মানসিক চাপ, আত্মবিশ্বাসৰ অভাৱ আদিৰ পৰা বহু ছাত্ৰই যথেষ্ট বাধাৰ সন্মুখীন হয়। মনৰ ভোগ প্ৰবৃত্তি ইমান বেছি যে তাক সংযম কৰাৰ বাবে বিবেকৰ অভাৱ। কিন্তু এই ক্ষেত্ৰত আধ্যাত্মিকতাই ছাত্ৰৰ ধৈৰ্য আৰু বিবেকৰ শক্তি বঢ়াব যাৰ দ্বাৰা নিজৰ মনৰ ওপৰত নিয়ন্ত্ৰণ বাঢ়িব।*

মানুহৰ মন বৰ চঞ্চল আৰু অস্থিৰ। বেয়া স্বভাৱৰ প্ৰতি বা বস্তুৰ প্ৰতি সহজতে আকৰ্ষিত হয়। আজিকালি প্ৰায়ভাগ ছাত্ৰৰ মাজত ধৈৰ্যৰ অভাৱ দেখা যায়। বৰ্তমান সময়ত উদ্বেগ, মানসিক চাপ, আত্মবিশ্বাসৰ অভাৱ আদিৰ পৰা বহু ছাত্ৰই যথেষ্ট বাধাৰ সন্মুখীন হয়। মনৰ ভোগ প্ৰবৃত্তি ইমান বেছি যে তাক সংযম কৰাৰ বাবে বিবেকৰ অভাৱ। কিন্তু এই ক্ষেত্ৰত আধ্যাত্মিকতাই ছাত্ৰৰ ধৈৰ্য আৰু বিবেকৰ শক্তি বঢ়াব যাৰ দ্বাৰা নিজৰ মনৰ ওপৰত নিয়ন্ত্ৰণ বাঢ়িব। মনলৈ একাগ্ৰতা আহিব আৰু মনৰ একাগ্ৰতাই জীৱনলৈ অহা সকলো অলাগতীয়াল জ্ঞান, বস্তু, সম্পৰ্ক সকলো ঠেলি পঠিয়াবলৈ শিকাব। এক শান্তিৰ অনুভৱে হৃদয়ক আপ্লুত কৰি ৰাখিব। নিজৰ অধ্যয়নৰ প্ৰতি ভালপোৱা আৰু মনোযোগিতাৰ জন্ম হ'ব। মনৰ অস্থিৰতা, দুবিধা আদি আঁতৰি যাব। মনলৈ এক স্থবিৰতা আহিব।

মনৰ এক বিশেষ গুণ হ'ল সকলো নকৰাত্মক বস্তু, দৃশ্য আদিলৈ মন সহজে আকৃষ্ট হয়। আৰু মনক এই নকৰাত্মকৰ পৰা মকাৰাত্মলৈ ৰূপান্তৰিত কৰিবৰ পৰা যন্ত্ৰৰূপী আধ্যাত্মিকতাৰস প্ৰয়োজন। কেৱল দেহজনিত বুদ্ধিৰ দ্বাৰা নকৰাত্মক চিন্তা-চৰ্চাৰ উমান ঘটাব নোৱাৰি। ইন্দ্ৰিয়ৰ দ্বাৰা মগজুত নকৰাত্মক প্ৰভাৱ পেলাব পৰা উৎসৰ পৰা ইন্দ্ৰিয়সমূহক আঁতৰাই ৰাখিবও শিকিব লাগিব। যেনে আমাৰ চকুৱে দৃশ্য ভাল পায় গতিকে চকুক যিমান দূৰ সম্ভৱ হয় অলাগতীয়াল দৃশ্য দেখাৰ পৰা ৰাখিবৰ বাবে যত্ন কৰিব লাগিব। নহ'লে আমাৰ চিন্তন এই ভিত্তিহীন দৃশ্যবোৰক লৈ আৰম্ভ হৈ যাব আৰু ফলস্বৰূপে আমাৰ সঠিক চিন্তা কৰাত ব্যাঘাত হ'ব। মনৰ আন এক স্বভাৱ হ'ল য'ত মনটোক কিছু সময় লগাই থোৱা হয় তাত লাহে লাহে নিজে নিজে লাগি থাকে।

সেয়েহে ছাত্ৰ জীৱনতে আধ্যাত্মিকতাৰ সহযোগত সৎ গুণ আহৰণ কৰি নিজক চম্ভালি নল'লে ভৱিষ্যৎ জীৱন অন্ধকাৰ হোৱাৰ সম্ভাৱনাই বেছি। যোগ, ধ্যান, পুৱা-গধূলি প্ৰাৰ্থনা, ভাল পুথি অধ্যয়ন, সামাজিক সেৱা আদিৰ উপায়েৰে ছাত্ৰ সমাজৰ মাজত আধ্যাত্মিকতাৰ বিকাশ সহজতে ঘটাব পাৰি। গতিকে আজিৰ পৰিপ্ৰেক্ষিতত ছাত্ৰসকলৰ মাজত তেওঁলোকৰ মানসিকতাৰ সফল বিকাশৰ বাবে আধ্যাত্মিকতাৰ প্ৰয়োজন যথেষ্ট বুলি অনুভৱ হয়।❐

# শিক্ষা আৰু সংস্কৃতিৰ মাজৰ সম্পৰ্ক

**তুলিকা কলিতা**
*পঞ্চম ষাণ্মাসিক, বেলতলা মহাবিদ্যালয়*

**মানৱ** জীৱনৰ বিকাশত শিক্ষা আৰু সংস্কৃতি দুয়োটাই একেৰূপে গুৰুত্বপূৰ্ণ। শিক্ষা হৈছে মানুহৰ জ্ঞান, বুদ্ধি আৰু আচৰণ বিকাশৰ প্ৰক্ৰিয়া, আৰু সংস্কৃতি হৈছে সেই সমাজৰ জীৱনধাৰা, চিন্তাধাৰা, আচাৰ-ব্যৱহাৰ, মূল্যবোধ আৰু ঐতিহ্যৰ এক সামগ্ৰিক ৰূপ। এই দুটাই এটাই আনটোৰ পৰা পৃথক নহয়— শিক্ষা সংস্কৃতিৰ মূল ভিত্তি আৰু সংস্কৃতি শিক্ষাৰ দ্বাৰাই প্ৰজন্মৰ পৰা প্ৰজন্মলৈ পৰম্পৰাগতভাৱে সংৰক্ষিত হয়।



শিক্ষা আৰু সংস্কৃতিৰ মাজৰ সম্পৰ্ক—

**(১) সংস্কৃতিৰ সংৰক্ষক হিচাপে শিক্ষা ঃ** শিক্ষা হৈছে সংস্কৃতি সংৰক্ষিত আৰু সংবাহিত কৰাৰ উপায়। এটা প্ৰজন্মৰ সংস্কৃতি শিক্ষাৰ দ্বাৰাই পৰৱৰ্তী প্ৰজন্মলৈ স্থানান্তৰিত হয়।

**(২) সংস্কৃতিৰ বিকাশৰ হাতিয়াৰ হিচাপে শিক্ষা ঃ** শিক্ষা কেৱল সংস্কৃতি সংৰক্ষণেই নহয়, ই সংস্কৃতিক বিকাশো ঘটায়। নতুন জ্ঞান, নতুন চিন্তাধাৰা, বিজ্ঞান আৰু প্ৰযুক্তিৰ বিকাশৰ মাধ্যমেৰে শিক্ষা সমাজৰ সংস্কৃতিক আগবঢ়ায়।

**(৩) সংস্কৃতিৰ পৰিৱৰ্তনত শিক্ষাৰ ভূমিকা ঃ** শিক্ষা সমাজত সংস্কৃতিক পৰিৱৰ্তনৰ প্ৰধান মাধ্যম। নৱ প্ৰজন্মই শিক্ষাৰ দ্বাৰাই সমাজৰ পুৰণি ধাৰণাবোৰৰ সমালোচনা কৰি নতুন মূল্যবোধ সৃষ্টি কৰে।

(৪) **শিক্ষা সমাজৰ সংস্কৃতিৰ আইনা ঃ** যিকোনো সমাজৰ শিক্ষাব্যৱস্থা সেই সমাজৰ সংস্কৃতিৰ বৈশিষ্ট্য বহন কৰে। উদাহৰণস্বৰূপে, ভাৰতীয় শিক্ষাত ধৰ্ম, নৈতিকতা আৰু আধ্যাত্মিকতাৰ প্ৰাধান্য থাকিব পাৰে, যিয়ে ভাৰতীয় সংস্কৃতিৰ বৈশিষ্ট্য প্ৰতিফলিত কৰে।

**(৫) আন্তঃসংস্কৃতিক সমন্বয়ত শিক্ষাৰ ভূমিকা ঃ** বিশ্বায়নৰ যুগত শিক্ষা বিভিন্ন সংস্কৃতিক একে আনৰ সৈতে মিলাই এক বিশ্ব সংস্কৃতিৰ দিশে আগুৱাই নিয়ে। ই আন্তঃসংস্কৃতিক বুজাবুজিৰ এক মাধ্যম।❐

# নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা

**ৰবিনা কুমাৰী**
*পঞ্চম ষাণ্মাসিক, বেলতলা মহাবিদ্যালয়*




**শিক্ষাই** মানুহক জ্ঞানৰ পোহৰ দিয়ে, প্ৰগতিৰ পথ দেখুৱায়। শিক্ষাই মানুহৰ জীৱন নিয়ন্ত্ৰণ কৰে, পৰিচালনা কৰে আৰু ভৱিষ্যতৰ গতি নিৰ্ধাৰণ কৰে। এখন দেশৰ ভৱিষ্যৎ নিৰ্ভৰ কৰে দেশখনত শিক্ষা ব্যৱস্থাৰ ওপৰত। সেই শিক্ষা ব্যৱস্থাৰ লগতে বিশেষভাৱে গুৰুত্বপূৰ্ণ হৈছে মহিলাসকলৰ শিক্ষাৰ ওপৰত দেশখনৰ আভ্যন্তৰীণ বিকাশ নিৰ্ভৰ কৰে। মহিলাসকল শিক্ষিত হৈ নুঠিলে দেশখন শিক্ষিত হ'ব নোৱাৰে। মহিলাসকল শিক্ষিত হ'লেহে তেওঁলোকৰ মাধ্যমেৰে সমাজত আন এটা জনগোষ্ঠীলৈ শিক্ষা সম্প্ৰসাৰিত হ'ব। মাতৃ হ'ল শিশুসকলৰ প্ৰথম শিক্ষয়িত্ৰী। জন্মৰ পৰা বিদ্যালয়লৈ যোৱা সময়খিনিলৈ শিশুৰ বিকাশৰ ক্ষেত্ৰত মাকৰ ভূমিকা গুৰুত্বপূৰ্ণ। সেয়েহে মাতৃসকলৰ শিক্ষা শিশুৰ

*জাতিৰ পিতা মহাত্মা গান্ধীয়ে কৈছিল, শিশু শিক্ষাৰ সমস্যা সমাধান কৰিবলৈ হ'লে নাৰী শিক্ষাৰ সমস্যা দূৰ কৰিব লাগিব, যেতিয়ালৈকে আমাৰ দেশৰ প্ৰকৃত মাতৃ শিক্ষয়িত্ৰী সৃষ্টি নহয় তেতিয়াকৈ আমি যিমানে স্কুলত শিক্ষা নিদিওঁ লাগিলে, শিক্ষা ফলপ্ৰসূ হ'ব নোৱাৰে বুলি ক'বলৈ মই কুণ্ঠাবোধ নকৰোঁ।' মহিলাসকল সমাজৰ এক অবিচ্ছেদ্য অংগ। পুৰুষে যেনেকৈ সমাজৰ বিকাশত সহায় কৰে; তেনেকৈ মহিলাসকলেও সমাজৰ বিকাশত অৰিহণা যোগায়। মহিলাসকলেও শিক্ষিত হ'লেহে শিশুসকল শিক্ষিত হ'ব আৰু শিশুসকল শিক্ষিত হ'লেহে দেশৰ পৰা নিৰক্ষৰতাৰ দৰে সামাজিক ব্যাধি আঁতৰ হ'ব।*



বাবে বেছি প্ৰয়োজনীয়। মাতৃয়ে আদৰ্শৰ প্ৰতীকৰূপে শিশুৰ মনত ধৰা দিয়ে।

জাতিৰ পিতা মহাত্মা গান্ধীয়ে কৈছিল, শিশু শিক্ষাৰ সমস্যা সমাধান কৰিবলৈ হ'লে নাৰী শিক্ষাৰ সমস্যা দূৰ কৰিব লাগিব, যেতিয়ালৈকে আমাৰ দেশৰ প্ৰকৃত মাতৃ শিক্ষয়িত্ৰী সৃষ্টি নহয় তেতিয়াকৈ আমি যিমান স্কুলত শিক্ষা নিদিওঁ লাগিলে, শিক্ষা ফলপ্ৰসূ হ'ব নোৱাৰে বুলি ক'বলৈ মই কুণ্ঠাবোধ নকৰোঁ।' মহিলাসকল সমাজৰ এক অবিচ্ছেদ্য অংগ। পুৰুষে যেনেকৈ সমাজৰ বিকাশত সহায় কৰে; তেনেকৈ মহিলাসকলেও সমাজৰ বিকাশত অৰিহণা যোগায়। মহিলাসকলেও শিক্ষিত হ'লেহে শিশুসকল শিক্ষিত হ'ব আৰু শিশুসকল শিক্ষিত হ'লেহে দেশৰ পৰা নিৰক্ষৰতাৰ দৰে সামাজিক ব্যাধি আঁতৰ হ'ব। পণ্ডিত জৱাহৰলাল নেহৰুৰ মতে, 'এজন ল'ৰাক শিক্ষা দিয়া মানে এজন পুৰুষক শিক্ষা দিয়া আৰু এগৰাকী নাৰীক শিক্ষা দিয়া মানে এটা পৰিয়ালক শিক্ষিত কৰি তোলা।' নাৰী শিক্ষাৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত এই কথাযাৰ বিশেষভাবে প্ৰযোজ্য। শিক্ষাই মনৰ অজ্ঞতা দূৰ কৰি বৌদ্ধিক দিগন্ত মুকলি কৰে। জগতৰ সৰ্বতোপ্ৰকাৰৰ মংগলৰ বাবে নিজকে যোগ্যৱান কৰি তোলাৰ একমাত্ৰ মাধ্যম শিক্ষা। সু-শিক্ষাই মানুহক পশুত্বৰ পৰা দেৱত্বৰ শাৰীলৈ উন্নীত কৰে। অন্ধৰ লাখুটিস্বৰূপে শিক্ষা, সেয়েহে পুৰুষ-নাৰী নিৰ্বিশেষে সকলোৰে বাবে অতি প্ৰয়োজনীয়। এজন নাৰী শিক্ষিত হ'লে এখন দেশ, এখন সমাজ শিক্ষিত হয়। অন্ধবিশ্বাস, কু-সংস্কাৰ আদি নাৰী শিক্ষাৰ দ্বাৰা দূৰ হয় সেই শিক্ষাৰ আৱশ্যকীয়তা।❐

# সমাজত শিক্ষাৰ প্ৰয়োজনীয়তা

**ৰাণী ছাহ**
*পঞ্চম যাণ্মাসিক, বেলতলা মহাবিদ্যালয়*

**শিক্ষা** হৈছে সমাজৰ উন্নতিৰ মূল ভেটি। ই মানুহক জ্ঞান, দক্ষতা আৰু নৈতিক মূল্যবোধেৰে সমৃদ্ধ কৰে। শিক্ষাৰ প্ৰয়োজনীয়তা কেৱল ব্যক্তিৰ জীৱনতে নহয়, সমগ্ৰ সমাজৰ বিকাশৰ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।




**(১) ব্যক্তিগত বিকাশ ঃ** শিক্ষাই এজন ব্যক্তিক স্বাৱলম্বী কৰি তোলে আৰু তেওঁৰ ব্যক্তিত্বৰ পূৰ্ণ বিকাশ ঘটায়। ই মানুহৰ চিন্তা-চৰ্চা আৰু সিদ্ধান্ত লোৱাৰ ক্ষমতা বৃদ্ধি কৰে।

**(২) সামাজিক সচেতনতা ঃ** শিক্ষাই মানুহক নিজৰ অধিকাৰ আৰু কৰ্তব্যৰ বিষয়ে সচেতন কৰে। ই সমাজত ন্যায়, সমতা আৰু শান্তিৰ প্ৰতিষ্ঠাত সহায় কৰে।

**(৩) অৰ্থনৈতিক বিকাশ ঃ** শিক্ষিত নাগৰিকে দেশৰ অৰ্থনৈতিক উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ই নতুন প্ৰযুক্তি আৰু উদ্ভাৱনৰ বাবে পথ মুকলি কৰে। যাৰ ফলত নিয়োগৰ সৃষ্টি হয় আৰু দৰিদ্ৰতা হ্ৰাস পায়।



**(৪) সাংস্কৃতিক সংৰক্ষণ ঃ** শিক্ষাই নতুন প্ৰজন্মক নিজৰ সংস্কৃতি, ভাষা আৰু পৰম্পৰা ৰক্ষা কৰিবলৈ উৎসাহিত কৰে। ই বিভিন্ন সংস্কৃতিৰ মাজত বুজাবুজি আৰু সহনশীলতা বৃদ্ধি কৰে।

**(৫) স্বাস্থ্য আৰু জীৱনশৈলী ঃ** শিক্ষাই স্বাস্থ্যসন্মত জীৱনশৈলী আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বিষয়ে সজাগতা বৃদ্ধি কৰে। ই শিশু আৰু মাতৃৰ স্বাস্থ্যৰ উন্নতি ঘটায়।

শিক্ষাই এক সুস্থ, সমৃদ্ধ আৰু উন্নত সমাজ গঢ়াত সহায় কৰে। ই মানুহৰ মনৰ অন্ধকাৰ দূৰ কৰি জ্ঞানৰ পোহৰ বিয়পায়। সেয়েহে সকলোৰে বাবে শিক্ষাৰ সুবিধা নিশ্চিত কৰাটো চৰকাৰ আৰু সমাজৰ এক গুৰুত্বপূৰ্ণ দায়িত্ব।

**(৬) প্ৰযুক্তিগত বিকাশ ঃ** বৰ্তমানৰ যুগত প্ৰযুক্তিৰ ভূমিকা অপৰিসীম। শিক্ষাই মানুহক নতুন প্ৰযুক্তিৰ বিষয়ে জ্ঞান আহৰণ কৰাত আৰু ইয়াৰ সঠিক ব্যৱহাৰ কৰাত সহায় কৰে। ইয়াৰ ফলত সমাজৰ প্ৰযুক্তিগত বিকাশ ত্বৰান্বিত হয় আৰু জীৱনশৈলী উন্নত হয়।

**(৭) গণতান্ত্ৰিক মূল্যবোধ স্থাপন ঃ** শিক্ষাই নাগৰিকসকলক গণতান্ত্ৰিক অধিকাৰ আৰু দায়িত্বৰ বিষয়ে জ্ঞান দিয়ে। যাৰ ফলত এখন শক্তিশালী গণতন্ত্ৰ গঢ় লৈ উঠে।

**(৮) জ্ঞান বৃদ্ধি ঃ** শিক্ষাই মানুহৰ জ্ঞান বৃদ্ধি কৰে আৰু তেওঁলোকক নিজৰ অধিকাৰ আৰু কৰ্তব্যৰ বিষয়ে সচেতন কৰে।

**(৯) আৰ্থিক উন্নতি ঃ** শিক্ষিত ব্যক্তিয়ে সহজে কৰ্ম সংস্থাপন লাভ কৰিব পাৰে বা নিজাকৈ ব্যৱসায় আৰম্ভ কৰিব পাৰে। ইয়াৰ ফলত ব্যক্তিৰ আৰ্থিক উন্নতি হোৱাৰ লগতে দেশৰ অৰ্থনীতিও শক্তিশালী হয়।

**(১০) নাগৰিক সচেতনতা বৃদ্ধি ঃ** শিক্ষাৰ জৰিয়তে নাগৰিকসকল নিজৰ অধিকাৰ, কৰ্তব্য আৰু সামাজিক সমস্যাবোৰৰ বিষয়ে সচেতন হয়।

**(১১) সামাজিক উন্নয়ন ঃ** শিক্ষাৱান নাগৰিকে সমাজৰ অগ্ৰগতিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।❐

**মহান ব্যক্তিৰ উক্তি**

*পৃথিৱীত যিমান মানুহ আছে সেইসকলৰ ভিতৰত শতকৰা মাত্ৰ পোন্ধৰজনমান মানুহেহে যিকোনা বিষয়ে মৌলিক চিন্তা কৰে। চিন্তা কৰাটোৱেই হ'ল বেছিভাগ মানুহৰ কাৰণে আটাইতকৈ ডাঙৰ শক্তি।*

**লুথাৰ বাৰবেংক**

# উচ্চ শিক্ষাৰ গুৰুত্ব

**জংলাৰি ব্ৰহ্ম**
*পঞ্চম যাণ্মাসিক, বেলতলা মহাবিদ্যালয়*



**শিক্ষাই** মানুহৰ জীৱনৰ দিশ নিৰ্দেশনা কৰে। মানুহ জন্মগতভাৱে অজ্ঞ; শিক্ষাই তেওঁক অন্ধকাৰৰ পৰা আলোকলৈ লৈ যায়। শিক্ষাই মানুহক নিজৰ জীৱন বুজিবলৈ আৰু সমাজৰ মাজত নিজৰ স্থান নিৰ্ধাৰণ কৰিবলৈ সহায় কৰে। কিন্তু শিক্ষা তেতিয়াহে পূৰ্ণ অৰ্থত অৰ্জন হয়, যেতিয়া ই জ্ঞানৰ সৰ্বোচ্চ স্তৰ উচ্চ শিক্ষালৈ উপনীত হয়।

উচ্চ শিক্ষা মানে কেৱল বিদ্যালয়ৰ পাঠ্যপুস্তক বা পৰীক্ষাৰ ফলাফল নহয়। ই হৈছে মানুহৰ

অন্তৰ আত্মাৰ বিকাশ, বৌদ্ধিক চিন্তাশক্তিৰ বিকাশ আৰু সমাজমুখী চেতনা গঢ়াৰ এক দীঘল যাত্ৰা। উচ্চ শিক্ষাই মানুহক যুক্তিবাদী, দায়িত্ববান, সৎ আৰু সজাগ নাগৰিকত ৰূপান্তৰ কৰে। এজন উচ্চ শিক্ষিত ব্যক্তি সমাজৰ উন্নয়নত নিজৰ অবদান ৰাখে আৰু অন্যকো সঠিক পথত আগবঢ়াবলৈ অনুপ্ৰাণিত কৰে।

উচ্চ শিক্ষাৰ সাৰ্থকতা তেতিয়াহে দেখা যায়, যেতিয়া শিক্ষাৰ ফল সমাজৰ কল্যাণৰ ক্ষেত্ৰত ব্যৱহৃত হয়। শিক্ষিত মানুহে নিজৰ জীৱনক সঠিকভাৱে পৰিচালনা কৰিবলৈ সক্ষম হয় আৰু সমাজৰ নানান সমস্যাৰ সমাধান বিচাৰিবলৈ আগবাঢ়ে। শিক্ষা নোহোৱাকৈ মানুহে নিজৰ আৰু সমাজৰ উন্নতি দুয়োটাৰ পৰা বঞ্চিত হৈ পৰে। আজিৰ যুগত উচ্চ শিক্ষাৰ গুৰুত্ব আৰু বেছি বৃদ্ধি পাইছে। বিশ্বায়নৰ যুগত প্ৰতিযোগিতা আৰু উন্নয়নৰ দৌৰত টিকি থাকিবলৈ উচ্চ শিক্ষাৰ ভূমিকা অতুলনীয়। বিজ্ঞান, প্ৰযুক্তি, চিকিৎসা, তথ্য-প্ৰযুক্তি, সাহিত্য, সমাজ বিজ্ঞান সকলো ক্ষেত্ৰতেই উচ্চ শিক্ষাই নতুন নতুন সম্ভাৱনাৰ দিশ মুকলি কৰিছে। এজন শিক্ষিত ব্যক্তি নিজৰ জ্ঞানৰ দ্বাৰাই সমাজ আৰু ৰাষ্ট্ৰৰ বাবে নতুন উদ্ভাৱন আৰু সৃষ্টিৰ পথ প্ৰশস্ত কৰে।

উচ্চ শিক্ষা কেৱল পঢ়া-লিখা নহয়, ই মানুহৰ মনুষ্যত্বৰ বিকাশৰ এক প্ৰক্ৰিয়া। শিক্ষাই মানুহক চিন্তনশীল কৰে, সহানুভূতিশীল কৰে আৰু মানৱতাৰ বোধ জাগ্ৰত কৰে। উচ্চ উচ্চ শিক্ষিত ব্যক্তি সমাজত ভ্ৰাতৃত্ব, সম্প্ৰীতি আৰু ন্যায়ৰ স্থাপনা কৰে। সেইবাবে উচ্চ শিক্ষা মানৱ সভ্যতাৰ ভিত্তি বুলি ক'ব পৰা যায়।

শিক্ষাহীন সমাজ অন্ধকাৰত ডুবি থাকে, কিন্তু শিক্ষিত সমাজে নতুন আশা, নতুন দিশ আৰু নতুন আলোকেৰে উদ্ভাসিত হয়। এজন উচ্চ শিক্ষিত ব্যক্তি সমাজৰ উন্নয়নত নিজৰ অৱদান ৰাখে আৰু অন্যকো সঠিক পথত আগবঢ়াবলৈ অনুপ্ৰাণিত কৰে। এজন উচ্চ শিক্ষিত ব্যক্তি নিজে নিজৰ জীৱনত সফলতা অৰ্জন কৰাৰ লগতে সমাজৰ অন্য লোককো আগবঢ়াবলৈ অনুপ্ৰাণিত কৰে।

শেষত ক'ব পাৰি— উচ্চ শিক্ষা হৈছে জীৱনৰ আলোক শিক্ষা। এই আলোক শিক্ষাই মানুহক অজ্ঞতাৰ আন্ধাৰৰ পৰা মুক্ত কৰি জ্ঞানৰ দীপ্তি বিচাৰি লৈ যায়। সেয়ে প্ৰতিজনে নিজৰ সামৰ্থ্য অনুসৰি উচ্চ শিক্ষা লাভ কৰি সমাজ, ৰাষ্ট্ৰ আৰু বিশ্বৰ উন্নয়নত অৱদান আগবঢ়াব লাগিব। কাৰণ উচ্চ শিক্ষাই মানুহক কেৱল জ্ঞানী নহয়, সত্য অৰ্থত 'মানৱ' কৰি তোলে।❐

*আজিৰ যুগত উচ্চ শিক্ষাৰ গুৰুত্ব আৰু বেছি বৃদ্ধি পাইছে। বিশ্বায়নৰ যুগত প্ৰতিযোগিতা আৰু উন্নয়নৰ দৌৰত টিকি থাকিবলৈ উচ্চ শিক্ষাৰ ভূমিকা অতুলনীয়। বিজ্ঞান, প্ৰযুক্তি, চিকিৎসা, তথ্য-প্ৰযুক্তি, সাহিত্য, সমাজ বিজ্ঞান সকলো ক্ষেত্ৰতেই উচ্চ শিক্ষাই নতুন নতুন সম্ভাৱনাৰ দিশ মুকলি কৰিছে। এজন শিক্ষিত ব্যক্তি নিজৰ জ্ঞানৰ দ্বাৰাই সমাজ আৰু ৰাষ্ট্ৰৰ বাবে নতুন উদ্ভাৱন আৰু সৃষ্টিৰ পথ প্ৰশস্ত কৰে।*

**মহান ব্যক্তিৰ উক্তি**

*আমাৰ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ ঘটনাটো ঘটে তেতিয়া যেতিয়া আমি আমাৰ মনটোক জোকাৰি দিব পৰা এজন মানুহ লগ পাওঁ।*

**এমাৰছন**

# শ্ৰীমন্ত শংকৰদেৱৰ অসমীয়া সমাজলৈ অৱদান

**ৰুস্তানা ইন্তাজ বেগম**
*পঞ্চম ষাণ্মাসিক, বেলতলা মহাবিদ্যালয়*

**আৰম্ভণি ঃ** পৃথিৱীত যেতিয়াই আন্ধাৰৰ যুগ নামি আহে, তেতিয়াই একো একোজন মহাপুৰুষৰ জন্ম হয়, যিয়ে মানুহক আকৌ সত্য সনাতন পথত আগুৱাই যাবলৈ শিকায়। অসমতো যেতিয়া সমাজ অনাচাৰ-ব্যভিচাৰ আদিত লিপ্ত হৈছিল, তেতিয়াই আৱিৰ্ভাৱ হ'ল শ্ৰীমন্ত শংকৰদেৱৰ। শ্ৰীমন্ত শংকৰদেৱৰ কৰ্ম তৎপৰতাত মৃত অসম আকৌ প্ৰাণ পাই উঠিল।

**পৰিচয় ঃ** শ্ৰীমন্ত শংকৰদেৱৰ জন্ম হৈছিল ১৪৪৯ চনৰ আহিন মাহৰ শুক্লা দশমীৰ দিনা নগাঁও জিলাৰ বৰদোৱাৰ ওচৰৰ আলিপুখুৰী নামৰ সৰু গাঁও এখনত। তেখেতৰ পিতৃৰ নাম আছিল কুসুম্বৰ ভূঞা আৰু মাতৃৰ নাম আছিল সত্যসন্ধ্যা। মাতৃৰ বিয়োগৰ পিছত কণমানি শংকৰক আইতাক খেৰসুঁতিয়ে ডাঙৰ-দীঘল কৰিছিল। ১২ বছৰ বসয়তে শংকৰক



গুৰু মহেন্দ্ৰ কন্দলিৰ পঢ়াশালিত ভৰ্তি কৰাই দিছিল। অতি কম দিনৰ ভিতৰতে শংকৰে চাৰি বেদ, চৈধ্য শাস্ত্ৰ আৰু ওঠৰ পুৰাণৰ জ্ঞান লাভ কৰি সকলোকে চমক লগাই দিছিল। কথিত আছে যে, ক-ফলা শিকি কৰে মতৰা জোঁটাবলৈ নৌ পাওঁতেই তেওঁ আ-কাৰ, ই-কাৰ নথকা সুন্দৰ কবিতা লিখি পেলাইছিল।

**অসমৰ প্ৰতি অৱদান ঃ** শ্ৰীমন্ত শংকৰদেৱে অসমৰ বাবে যি অৱদান আগবঢ়াইছিল সেয়া অতি উল্লেখনীয়। তেওঁ কেৱল ধৰ্মগুৰুৱেই নাছিল। তেওঁ আছিল ভাষা-সাহিত্যৰ গুৰি ধৰোঁতা, অসমীয়া জাতিৰ সংগঠক আৰু সমাজ সংস্কাৰক। অসমৰ সাহিত্য-সংস্কৃতি প্ৰচাৰৰ উদ্দেশ্য তেওঁ সংস্কৃত গ্ৰন্থ অধ্যয়ন কৰি তাৰ পৰা তত্ত্বকথা আয়ত্ত কৰি তত্ত্বমূলক গ্ৰন্থ ৰচনা কৰিছিল। ইয়াৰ উপৰি, মহাপুৰুষজনাই গীত, পদ, নাট, উপাখ্যান আদিত ৰচনা কৰিছিল। তেখেতে ৰচনা কৰা গীতৰ সংখ্যা বাৰ কুৰি আছিল বুলি জনা যায় যদিও বৰ্তমান একুৰি চৈধ্যতাহে পোৱা যায়। মহাপুৰুষজনাৰ কীৰ্তন পুথি অসমীয়া সমাজৰ কীৰ্তিস্তম্ভস্বৰূপ। ইয়াৰ উপৰি, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ভাগৱতৰ কেইবাটাও খণ্ড, উত্তৰাকাণ্ড ৰামায়ণ অসমীয়ালৈ অনুবাদ কৰি অসমীয়া ভাষা-সাহিত্যৰ উৰ্বৰতা বৃদ্ধি কৰি থৈ গৈছে। মহাপুৰুষজনাই 'চিহ্নযাত্ৰা'ৰ নাট্য বুৰঞ্জীৰ পাতনি মেলি দুখন অংকীয়া নাট ৰচনা কৰে।

*শ্ৰীমন্ত শংকৰদেৱৰ আৰু শ্ৰীশ্ৰী মাধৱদেৱৰ মিলন অসমীয়া বৈষ্ণৱ জগতত এক উজ্জ্বল জ্যোতি। মাধৱদেৱ আছিল মহাপুৰুষজনাৰ প্ৰিয়তম শিষ্য। বহুতে এওঁলোকৰ সংযোগক মণি-কাঞ্চন সংযোগ বুলিও কয়। মহাপুৰুষ জনাৰ কাৰ্য অপূৰ্ণ হৈ ৰ'লহেঁতেন যদি এই কৰ্মবীৰ তপস্বী যুৱক আহি তেওঁৰ পৱিত্ৰ ভাৰখন কান্ধত নল'লেহেঁতেন। দুয়োৰে প্ৰচেষ্টাতেই সৰ্বপ্ৰথমে 'সত্ৰ' আৰু অসমৰ জাতীয় নাট্যশালা 'নামঘৰ' প্ৰতিষ্ঠিত হৈছিল। ইয়াকে কেন্দ্ৰ কৰিয়েই বৰ্তমানেও বৈষ্ণৱ সাহিত্য আৰু বৈষ্ণৱ সমাজ জীয়াই আছে।*

শ্ৰীমন্ত শংকৰদেৱৰ আৰু শ্ৰীশ্ৰী মাধৱদেৱৰ মিলন অসমীয়া বৈষ্ণৱ জগতত এক উজ্জ্বল জ্যোতি। মাধৱদেৱ আছিল মহাপুৰুষজনাৰ প্ৰিয়তম শিষ্য। বহুতে এওঁলোকৰ সংযোগক মণি-কাঞ্চন সংযোগ বুলিও কয়। মহাপুৰুষ জনাৰ কাৰ্য অপূৰ্ণ হৈ ৰ'লহেঁতেন যদি এই কৰ্মবীৰ তপস্বী যুৱক আহি তেওঁৰ পৱিত্ৰ ভাৰখন কান্ধত নল'লেহেঁতেন। দুয়োৰে প্ৰচেষ্টাতেই সৰ্বপ্ৰথমে 'সত্ৰ' আৰু অসমৰ জাতীয় নাট্যশালা 'নামঘৰ' প্ৰতিষ্ঠিত হৈছিল। ইয়াকে কেন্দ্ৰ কৰিয়েই বৰ্তমানেও বৈষ্ণৱ সাহিত্য আৰু বৈষ্ণৱ সমাজ জীয়াই আছে।

**সামৰণি ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্মত সকলো সমান। 'সকলো ব্ৰহ্মাণ্ডৰ যি একমাত্ৰ অধিপতি' সেই পুৰুষৰ আদৰ্শ উদ্ধাৰ কৰি তাৰ নিষ্কামভাৱে উপাসনা কৰি কেনেকৈ ভগৱানক পাব পাৰি তাৰ উদাহৰণ মহাপুৰুষজনাই অসমীয়া সমাজক দি গৈছে। গীত-পদ, নাট-ভাওনা, সত্ৰ-নামঘৰ আদি সকলো দিশতে মহাপুৰুষজনাই অসমক সবলভাৱে প্ৰতিষ্ঠা কৰি থৈ গৈছে। প্ৰায় ছকুৰি বছৰ জীয়াই থাকি ১৫৬৮ চনত মহাপুৰুষজনাই বৈকুণ্ঠ প্ৰয়াণ কৰে। অসমীয়া সমাজে মহাপুৰুষজনাৰ অৱদান কেতিয়াও পাহৰিব নোৱাৰে।❐



# জুবিন গাৰ্গ— জীৱনভিত্তিক আলোচনা

**নিৰ্বাণ হালৈ**
*পঞ্চম ষাণ্মাসিক, বেলতলা মহাবিদ্যালয়*

**জুবিন** গাৰ্গ আছিল এজন ভাৰতীয় সংগীতজ্ঞ, কণ্ঠশিল্পী, সুৰকাৰ, গীতিকাৰ, অভিনেতা, পৰিচালক, চলচ্চিত্ৰ নিৰ্মাতা আৰু সমাজকৰ্মী। তেওঁ মুখ্যতঃ অসমীয়া, বাংলা আৰু হিন্দী চলচ্চিত্ৰ তথা সংগীত জগতত কাম কৰিছিল আৰু গীত গাইছিল. অসমীয়া সংগীত আৰু সংস্কৃতিৰ ক্ষেত্ৰত তেওঁৰ অৱদান অতি গুৰুত্বপূৰ্ণ।

**১. জন্ম আৰু পৰিয়াল ঃ**

❍ জন্ম ঃ ১৮ নৱেম্বৰ, ১৯৭২ চন, তুৰা, মেঘালয়, ভাৰত।
❍ প্ৰকৃত নাম ঃ জুবিন বৰঠাকুৰ।

❍ পিতৃ ঃ মোহিনী মোহন বৰঠাকুৰ (এগৰাকী দণ্ডাধীশ, গীতিকাৰ আৰু কপিল ঠাকুৰ ছদ্মনামেৰে কবি)।

❍ মাতৃ ঃ স্বৰ্গীয়া ইলি বৰঠাকুৰ (এগৰাকী গায়িকা)।

❍ নামকৰণ ঃ বিখ্যাত সুৰকাৰ জুবিন মেহতাৰ নামৰ প্ৰতি শ্ৰদ্ধা জনাই তেওঁৰ নাম ৰখা হৈছিল।

❍ শিক্ষা ঃ তেওঁ বি. বৰুৱা কলেজত বিজ্ঞান শাখাত স্নাতক ডিগ্ৰী লাভ কৰিবলৈ গৈছিল যদিও সংগীতৰ কেৰিয়াৰত মনোযোগ দিবলৈ পঢ়া আধাতে এৰি দিছিল।

**২. সংগীতৰ যাত্ৰা আৰু কেৰিয়াৰ ঃ**

❍ প্ৰথম গুৰু ঃ তেওঁ নিজৰ মাতৃক প্ৰথম গুৰু হিচাপে গণ্য কৰিছিল। ৰবীন বেনাৰ্জীৰ ওচৰত তবলা আৰু ৰমনী ৰায়ৰ ওচৰত অসমীয়া লোকসংগীতৰ শিক্ষা গ্ৰহণ কৰে।

❍ প্ৰাৰম্ভিক দিন ঃ ১৯৯২ চনত তেওঁৰ প্ৰথম অসমীয়া এলবাম 'অনামিকা' মুক্তি পাইছিল। যিটোৱে তেওঁক জনপ্ৰিয়তাৰ শীৰ্ষলৈ লৈ গৈছিল। তেওঁ ১৩ বছৰ বয়সতে তেওঁৰ জনপ্ৰিয় গীত 'গানে কি আনে'ৰ সুৰ ৰচনা কৰিছিল।

❍ বহুভাষিক শিল্পী ঃ তেওঁ অসমীয়া, বাংলা আৰু হিন্দীৰ উপৰিও বড়ো, কাৰ্বি, মিচিং, তিৱা আদি ৪০ টাতকৈও অধিক ভাষা আৰু উপ-ভাষাত প্ৰায় ৩৮,০০০ৰো অধিক গীত গাইছে।

❍ বাদ্যযন্ত্ৰী ঃ তেওঁ কী-বৰ্ড, গীটাৰ, তবলা, মেণ্ডলিন, দোতোৰা, হাৰমনিকা আদি বহুতো বাদ্যযন্ত্ৰ বজাব পাৰিছিল।

❍ বলীউডত সফলতা ঃ ২০০৬ চনত 'গেংষ্টাৰ' হিন্দী ছবিৰ 'য়া আলী' গীতটো গাই তেওঁ ৰাষ্ট্ৰীয় পৰ্যায়ত খ্যাতি লাভ কৰিছিল। এই গীতটোৰ বাবে তেওঁ গ্লোবেল ইণ্ডিয়া ফিল্ম এৱাৰ্ডত শ্ৰেষ্ঠ নেপথ্য গায়কৰ বঁটা লাভ কৰিছিল।

❍ অন্যান্য ভূমিকা ঃ তেওঁ কেৱল কণ্ঠশিল্পীয়েই নহয়, অভিনেতা, পৰিচালক, প্ৰযোজক, গীতিকাৰ আৰু সুৰকাৰ হিচাপেও অসমীয়া চলচ্চিত্ৰ জগতত উল্লেখনীয় অৱদান আগবঢ়াই গৈছে। তেওঁৰ উল্লেখযোগ্য ছবিসমূহৰ ভিতৰত 'মন যায়', 'মিছন ছাইনা' আৰু 'কাঞ্চনজংঘা' অন্যতম।

**৩. ব্যক্তিগত জীৱন আৰু দৰ্শন**

❍ বিবাহ ঃ তেওঁ ফেশ্বন ডিজাইনাৰ গৰিমা শইকীয়া গাৰ্গৰ সৈতে বিবাহ পাশত আবদ্ধ হৈছিল।

❍ সাহসী ব্যক্তিত্ব ঃ জুবিন গাৰ্গ তেওঁৰ স্পষ্টবাদী আৰু নিৰ্ভীক ব্যক্তিত্বৰ বাবে জনাজাত আছিল। তেওঁ বিভিন্ন সামাজিক, ৰাজনৈতিক বিষয়ত মাত মাতিছিল আৰু অসমৰ নৱ প্ৰজন্মক প্ৰেৰণা যোগাইছিল।

❍ সমাজসেৱা ঃ তেওঁ এগৰাকী সমাজকৰ্মীও আছিল আৰু দুখীয়াক সহায় কৰিবলৈ বিভিন্ন মানৱীয় পদক্ষেপ লৈছিল। তেওঁ নিজকে এজন সমাজবাদী বুলি গণ্য কৰিছিল আৰু মানৱতাকহে সকলোতকৈ ডাঙৰ ধৰ্ম বুলি বিশ্বাস কৰিছিল।

**৪. মৃত্যু ঃ**

❍ মৃত্যু ঃ ১৯ ছেপ্টেম্বৰ, ২০২৫ চনত (৫২ বছৰ বয়সত) ছিংগাপুৰত।

❍ মৃত্যুৰ কাৰণ ঃ ছিংগাপুৰত সাগৰত সাঁতুৰি থাকোঁতে দুৰ্ঘটনাবশতঃ তেওঁৰ মৃত্যু হয়।

**৫. মন্তব্য ঃ**

জুবিন গাৰ্গ কেৱল এজন শিল্পীয়ে নাছিল। তেওঁ আছিল অসমৰ বাবে এক আৱেগ। তেওঁৰ সংগীতে অসমৰ সংগীত জগতক এক নতুন মাত্ৰা প্ৰদান কৰিছিল আৰু তেওঁৰ অসাধাৰণ সৃষ্টিৰাজিৰ মাজেৰে তেওঁ চিৰদিন অসমবাসীৰ হৃদয়ত জীয়াই থাকিব।❐

**মহান ব্যক্তিৰ উক্তি**

*জ্ঞান দুই প্ৰকাৰৰ। একতা বিষয় সম্পৰ্কে হয় আমি নিজে জাঁনো, অথবা সেই বিষয়ে যাৱতীয় তথ্য ক'ত পোৱা যাব পাৰে, সেই কথা আমি জানোঁ।*

**মুৰেল জনছন**

# ব্ৰহ্মপুত্ৰৰ কবি ভূপেন হাজৰিকা

**বিকাশ দাস**
*পঞ্চম ষাণ্মাসিক, বেলতলা মহাবিদ্যালয়*

**ড° ভূপেন** হাজৰিকা আছিল অসম তথা ভাৰতৰ এগৰাকী মহান গায়ক, সুৰকাৰ, গীতিকাৰ আৰু সংগীত পৰিচালক। তেখেতক ‘সুধাকণ্ঠ’ আৰু ‘ব্ৰহ্মপুত্ৰ বাৰ্ড’ নামেৰেও জনা যায়। তেখেতৰ বহুমুখী প্ৰতিভাই অসমীয়া কলা-সংস্কৃতি জগতক এক নতুন মাত্ৰা প্ৰদান কৰিছিল।

ড° ভূপেন হাজৰিকাৰ জন্ম হৈছিল ১৯২৬ চনৰ ৮ ছেপ্টেম্বৰত অসমৰ শদিয়াত। তেওঁৰ পিতৃৰ নাম আছিল নীলকান্ত হাজৰিকা আৰু মাতৃৰ নাম আছিল শান্তিপ্ৰিয়া হাজৰিকা। তেওঁলোক আছিল দহটা সন্তানৰ পৰিয়াল, আৰু ভূপেন হাজৰিকা আছিল জ্যেষ্ঠ। তেওঁৰ সংগীতপ্ৰাণ মনটো



*শিক্ষাজীৱনৰ পিছত তেওঁ কিছু দিনৰ বাবে গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ লগতো জড়িত হৈছিল আৰু বি. বৰুৱা মহাবিদ্যালয় তথা গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যাপনাও কৰিছিল। কিন্তু তেওঁৰ জীৱনৰ মূল কেন্দ্ৰবিন্দু আছিল সংগীত আৰু চলচ্চিত্ৰ জগত। তেওঁ অসমীয়া, বাংলা, হিন্দী আদি বিভিন্ন ভাষাত হাজাৰ হাজাৰ গীত ৰচনা, সুৰাৰোপন আৰু কণ্ঠদান কৰিছিল। তেওঁৰ গীতসমূহে মানৱতা, ভাতৃত্ববোধ আৰু সামাজিক সজাগতাৰ বাৰ্তা বহন কৰিছিল।*

শৈশৱতে ঘৰখনৰ সাংস্কৃতিক পৰিৱেশৰ পৰা লাভ কৰিছিল। মাত্ৰ দহ বছৰ বয়সতে তেওঁ অসমীয়া শিল্প-সাহিত্যৰ দুই দিক্‌পাল জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ সংস্পৰ্শলৈ আহিছিল, যিটো তেওঁৰ কলা-জীৱনৰ এক গুৰুত্বপূৰ্ণ আৰম্ভণি আছিল। তেওঁ তেজপুৰ আৰু গুৱাহাটীত স্কুলীয়া শিক্ষা গ্ৰহণ কৰিছিল। তেখেতে ১৯৪২ চনত গুৱাহাটীৰ কটন কলেজৰ পৰা আই. এ. পাছ কৰিছিল আৰু ১৯৪৪ চনত কাশী হিন্দু বিশ্ববিদ্যালয়ৰ পৰা বি. এ. আৰু ১৯৪৬ চনত ৰাজনীতি বিজ্ঞানত এম. এ. পাছ কৰিছিল। ১৯৪৯ চনত তেওঁ আমেৰিকালৈ গৈছিল আৰু ১৯৫২ চনত কলম্বিয়া বিশ্ববিদ্যালয়ৰ পৰা গণ-সংযোগ বিষয়ত ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল। তেওঁৰ গৱেষণাৰ বিষয় আছিল 'Rural Communication for Social Development in India'।

শিক্ষাজীৱনৰ পিছত তেওঁ কিছু দিনৰ বাবে গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ লগতো জড়িত হৈছিল আৰু বি. বৰুৱা মহাবিদ্যালয় তথা গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যাপনাও কৰিছিল। কিন্তু তেওঁৰ জীৱনৰ মূল কেন্দ্ৰবিন্দু আছিল সংগীত আৰু চলচ্চিত্ৰ জগত। তেওঁ অসমীয়া, বাংলা, হিন্দী আদি বিভিন্ন ভাষাত হাজাৰ হাজাৰ গীত ৰচনা, সুৰাৰোপন আৰু কণ্ঠদান কৰিছিল। তেওঁৰ গীতসমূহে মানৱতা, ভাতৃত্ববোধ আৰু সামাজিক সজাগতাৰ বাৰ্তা বহন কৰিছিল। তেওঁৰ কেইটামান চিৰসেউজীয়া গীত হৈছে— 'মানুহে মানুহৰ বাবে', 'বিস্তীৰ্ণ পাৰৰে', 'অসম আমাৰ ৰূপহী', 'মহাবাহু ব্ৰহ্মপুত্ৰ' আৰু 'মই এটি যাযাবৰ'। তেওঁ 'এমুঠি চাউলৰ কাহিনী', 'শকুন্তলা' আৰু হিন্দী ছবি 'ৰুদালী'কৈ ধৰি বহুকেইখন চলচ্চিত্ৰত পৰিচালক আৰু সংগীত পৰিচালক হিচাপে অৱদান আগবঢ়াইছিল। তেওঁ ১৯৬৭ চনৰ পৰা ১৯৭২ চনলৈ নাওবৈচা সমষ্টিৰ পৰা অসম বিধানসভাৰ সদস্যও আছিল।

ড° ভূপেন হাজৰিকাই তেওঁৰ অসাধাৰণ কলা-কৰ্মৰ বাবে বহুতো ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় সন্মানেৰে বিভূষিত হৈছিল। তেওঁৰ উল্লেখযোগ্য বঁটাসমূহ— ভাৰত ৰত্ন (২০০৯), মৰণোত্তৰভাৱে), পদ্মবিভূষণ (২০১২, মৰণোত্তৰভাৱে), পদ্মভূষণ (২০০১), পদ্মশ্ৰী (১৯৭৭), দাদাচাহেব ফাল্কে বঁটা (১৯৯২), অসম ৰত্ন (২০০৯), সংগীত নাটক একাডেমী বঁটা (১৯৮৭)।

সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই দীৰ্ঘদিন ধৰি অসুস্থতাত ভোগাৰ পিছত ২০১১ চনৰ ৫ নৱেম্বৰত ৮৫ বছৰ বয়সত মুম্বাইত শেষ নিশ্বাস ত্যাগ কৰে।

তেওঁৰ গীতেৰে ভাৰতীয় সংস্কৃতিৰ ক্ষেত্ৰখনত যি চিন ৰাখি গ'ল, সেয়া চিৰদিন অমৰ হৈ থাকিব। তেখেতৰ গীত আজিও লাখ লাখ লোকৰ হৃদয়ত বাজি আছে।❒

# কামাখ্যা মন্দিৰৰ গুৰুত্ব

**হিমালাক্ষী ডেকা**
*চতুৰ্থ ষাণ্মাসিক, বেলতলা মহাবিদ্যালয়*



**অসমৰ** গুৱাহাটীত অৱস্থিত হিন্দু ধৰ্মৰ এক প্ৰাচীন মন্দিৰ। গোটেই অসমতে ব্যপ্ত হৈ থকা মুঠ ৫১ খন দেৱী পীঠৰ মাজৰ অন্যতম গুৰুত্বপূৰ্ণ পীঠ এই কামাখ্যা মন্দিৰ। নীলাচল পাহৰত অৱস্থিত কামাখ্যা দেৱীৰ এই মন্দিৰকেই অসমৰ সবাতোকৈ প্ৰসিদ্ধ আৰু প্ৰভাৱশালী মন্দিৰ বুলি জনা যায়। অতি প্ৰাচীন কালৰে পৰাই অসমৰ ইতিহাসৰ ৰাজনৈতিক আৰু ধাৰ্মিক দুয়ো দিশতে শক্তি উপাসনা কেন্দ্ৰস্থল কামাখ্যাই অতিশয় গুৰুত্বপূৰ্ণ প্ৰভাৱ বিস্তাৰ কৰি আহিছে। কামাখ্যা মন্দিৰৰ নিৰ্মাণকৰ্তা হিচাপে প্ৰবাদ অনুসৰি নৰকাসুৰ আৰু ইতিহাস অনুসৰি কোচ নৃপতি মহাৰাজ বিশ্বসিংহ, তেওঁৰ পুত্ৰ নৰনাৰায়ণ আৰু চিলাৰায়ৰ কথা জনা যায়।

কালিকা পুৰাণৰ মতে দক্ষৰ জীয়ৰী সতীয়ে পিতৃৰ অমতত মহাদেৱৰ সৈতে বিবাহ হৈছিল। সা-সম্পত্তি নাইকিয়া টোকোনো বুলি মহাদেৱক দক্ষই চকু পাৰি দেখিব নোৱাৰিছিল। এবাৰ দক্ষই এটা যজ্ঞৰ আয়োজন কৰিলে কিন্তু তালৈ জীয়েক সতী আৰু জোঁৱায়েক মহাদেৱক নিমন্ত্ৰন নকৰিলে। তথাপিও সতীয়ে বিনা নিমন্ত্ৰণে পিতৃৰ যজ্ঞস্থলীত উপস্থিত হ'লগৈ। জীয়েকক দেখি দক্ষৰ খঙে চুলিৰ আগ পালে আৰু মহাদেৱক অপমান কৰিবলৈ ধৰিলে। স্বামীৰ অপমান সহিব নোৱাৰি সতীয়ে সেই যজ্ঞস্থলীতে প্ৰাণত্যাগ কৰিলে। প্ৰিয়াৰ বিয়োগত মহাদেৱ শোকত বলীয়া হ'ল আৰু সতীৰ মৃতদেহ কান্ধত তুলি লৈ বিশ্ব ভ্ৰমণ কৰিছিল। ভগৱান বিষ্ণুৱে শিৱৰ এনে কাৰ্যত হতভম্ব হৈ সতীৰ মৃত শৰীৰ তেওঁৰ সুদৰ্শন চক্ৰৰে টুকুৰা-টুকুৰকৈ কাটি পেলালে। এইদৰে সতীৰ শৰীৰৰ ৫১টা

অংশ বিভিন্ন স্থানত পৰিলগৈ আৰু যি স্থানতে অংশসমূহ পৰিছিল সেই স্থানসমূহক পৱিত্ৰ বুলি গণ্য কৰা হয়। সতীৰ শৰীৰৰ যোনিবিধ নিলাচল পাহাৰত পৰিছিল আৰু তেতিয়াৰ পৰাই সেই ঠাইক পৱিত্ৰ বুলি গণ্য কৰে।

প্ৰাগজ্যোতিষাধিপতি কিৰাট বংশীয় নৰকাসুৰ আছিল কামাখ্যা দেৱীৰ পৰম ভক্ত। তেওঁৱেঁই নীলাচল পাহাৰত প্ৰথম এই মন্দিৰ প্ৰতিষ্ঠা কৰিছিল। প্ৰবাদ আছে যে এবাৰ নৰকাসুৰে কামাখ্যা দেৱীৰ দৰ্শন পালে। দেৱীৰ স্বৰ্গীয় সৌন্দৰ্যই প্ৰাগজ্যোতিষাধিপতিৰ মতিভ্ৰমণ ঘটালে। তেওঁ দেৱীক বিবাহৰ প্ৰস্তাৱ আগবঢ়ালে। দেৱীয়ে ক'লে যে দেৱী আৰু নৰমনিচৰ মাজত বৈবাহিক সম্পৰ্ক অসম্ভৱ কথা। কিন্তু নৰকে যেন তেন প্ৰকাৰে বিয়া কৰাবলৈ জিদ ধৰাত কামাখ্যা দেৱীয়ে তেওঁৰ পৰা পৰিত্ৰাণ পাবলৈ এটা চৰ্ত ৰাখিলে। দেৱীয়ে ক'লে যে নৰকে যদি মন্দিৰ দৰ্শনাৰ্থীসকলৰ সুবিধাৰ্থে নীলাচল পাহাৰৰ নামনিৰ পৰা মন্দিৰলৈ একে নিশাৰ ভিতৰতে এটা শিলৰ খটখটি সাজি দিয়ে, তেন্তে তেওঁ নৰকৰ সৈতে বিয়াত বহিবলৈ ৰাজি হয়। দেৱীয়ে ভাবিছিল, নৰকে এই কাম কৰিব নোৱাৰিব কিন্তু দেৱীৰ ধাৰণাক ভুল প্ৰমাণিত কৰি নিশা শেষ হোৱাৰ আগতে খটখটি নিৰ্মাণৰ কাম শেষ হোৱাৰ উপক্ৰম হ'ল। দেৱীয়ে তেওঁ চক্ৰান্তৰ আশ্ৰয় ল'বলৈ বাধ্য হ'ল। তেওঁ কুকুৰাক আদেশ দিলে ডাক দিবলৈ। নিশা শেষ নোহোৱাকৈ কুকুৰাই ডাক দিলে। নৰকে চৰ্ত পূৰণ কৰিব নোৱাৰিলে। নৰকে নিৰ্মাণ কৰা বুলি প্ৰবাদ থকা মেখেলা উজোৱা নামৰ শিলৰ খটখটিটো আজিও দেখিবলৈ পোৱা যায়। নৰকে সেই পীঠৰ মন্দিৰ সৰ্বপ্ৰথম নিৰ্মাণ কৰিছিল। পিছলৈ এই পীঠ মাটিৰ তলত বিলুপ্তপ্ৰায় অৱস্থাত পতিত হৈ আছিল। পিছলৈ বিশ্বসিংহ আৰু শিষ্যসিংহই তাতেই স্বৰ্ণ মন্দিৰ নিৰ্মাণ কৰি দিম বুলি সংকল্পবদ্ধ হয়। ৰজাই সেই ভগ্নাৱশেষৰ ওপৰতে ইটাৰে এক নতুন মন্দিৰ নিৰ্মাণ কৰি দিছিল. পিছত আকৌ মুছলমান সেনাপতি কালাপাহাৰে কামৰূপ আক্ৰমণ কৰি কামাখ্যা মন্দিৰ ধ্বংস কৰে। তাৰ পিছত এই মন্দিৰ পুনৰ নিৰ্মাণ কৰে বিশ্বসিংহৰ পুত্ৰ মহাৰাজ নৰনাৰায়ণ আৰু তেওঁৰ ভাতৃ চিলাৰায়ে।

কামাখ্যা মন্দিৰৰ প্ৰধান উৎসৱ হৈছে অম্বুবাচী মেলা। অম্বুবাচীৰ প্ৰবৃত্তিৰ লগে লগে কামাখ্যা ধামৰ দুৱাৰ বন্ধ ৰখা হয়। ফলস্বৰূপে সেইকেইদিন দেৱী দৰ্শন নিষিদ্ধ। চতুৰ্থ দিনত মন্দিৰ খোলাৰ লগে লগে দেৱীৰ স্নান, পূজা, প্ৰভূতি সমাপন হোৱাৰ পৰাহে দৰ্শকে দেৱীক দৰ্শন কৰিব পাৰে। কোৱা হয় যে এই অম্বুবাচীত দেৱীৰ বছৰেকীয়া ঋতুস্ৰাৱৰ উদ্‌যাপন হয়। বিশ্বাস কৰা হয় যে মন্দিৰৰ অধ্যক্ষ দেৱী কামাখ্যা মাতৃ শক্তি। এই সময়ছোৱাত তেওঁৰ বাৰ্ষিক ঋতুস্ৰাৱৰ চক্ৰৰ মাজেৰে পাৰ হয়। ইয়াৰ উপৰিও বিশ্বাস কৰা হয় যে বাৰিষাৰ বৰযুণৰ সময়ত পৃথিৱী মাতৃৰ ঋতুস্ৰাৱৰ সৃষ্টিশীল আৰু লালন-পালন শক্তি মেলাৰ সময়ত সেই স্থানত ভক্তসকলৰ বাবে সুলভ হৈ পৰে। সেই মেলাৰ সময়ত সাধুৰ পৰা আৰম্ভ কৰি সমগ্ৰ ভাৰতৰ পৰা লাখ লাখ তীৰ্থযাত্ৰী এই মন্দিৰলৈ উৎসৱ পালন কৰিবলৈ আহে।❐

*প্ৰবাদ আছে যে এবাৰ নৰকাসুৰে কামাখ্যা দেৱীৰ দৰ্শন পালে। দেৱীৰ স্বৰ্গীয় সৌন্দৰ্যই প্ৰাগজ্যোতিষাধিপতিৰ মতিভ্ৰমণ ঘটালে। তেওঁ দেৱীক বিবাহৰ প্ৰস্তাৱ আগবঢ়ালে। দেৱীয়ে ক'লে যে দেৱী আৰু নৰমনিচৰ মাজত বৈবাহিক সম্পৰ্ক অসম্ভৱ কথা। কিন্তু নৰকে যেন তেন প্ৰকাৰে বিয়া কৰাবলৈ জিদ ধৰাতে কামাখ্যা দেৱীয়ে তেওঁৰ পৰা পৰিত্ৰাণ পাবলৈ এটা চৰ্ত ৰাখিলে। দেৱীয়ে ক'লে যে নৰকে যদি মন্দিৰ দৰ্শনাৰ্থীসকলৰ সুবিধাৰ্থে নীলাচল পাহাৰৰ নামনিৰ পৰা মন্দিৰলৈ একে নিশাৰ ভিতৰতে এটা শিলৰ খটখটি সাজি দিয়ে, তেন্তে তেওঁ নৰকৰ সৈতে বিয়াত বহিবলৈ ৰাজি হয়। দেৱীয়ে ভাবিছিল, নৰকে এই কাম কৰিব নোৱাৰিব কিন্তু দেৱীৰ ধাৰণাক ভুল প্ৰমাণিত কৰি নিশা শেষ হোৱাৰ আগতে খটখটি নিৰ্মাণৰ কাম শেষ হোৱাৰ উপক্ৰম হ'ল। দেৱীয়ে তেওঁ চক্ৰান্তৰ আশ্ৰয় ল'বলৈ বাধ্য হ'ল। তেওঁ কুকুৰাক আদেশ দিলে ডাক দিবলৈ। নিশা শেষ নোহোৱাকৈ কুকুৰাই ডাক দিলে। নৰকে চৰ্ত পূৰণ কৰিব নোৱাৰিলে। নৰকে নিৰ্মাণ কৰা বুলি প্ৰবাদ থকা মেখেলা উজোৱা নামৰ শিলৰ খটখটিটো আজিও দেখিবলৈ পোৱা যায়। নৰকে সেই পীঠৰ মন্দিৰ সৰ্বপ্ৰথম নিৰ্মাণ কৰিছিল।*



# ভাস্কৰ বৰ্মন

**সোণপাহি দাস**
*চতুৰ্থ ষাণ্মাসিক, বেলতলা মহাবিদ্যালয়*

**৬০০ৰ** পৰা ৬৫০ খ্ৰীষ্টাব্দলৈ ভাস্কৰ বৰ্মনে কামৰূপ ৰাজ্যখন শাসন কৰিছিল। তেতিয়াৰ পৰাই অসম বুৰঞ্জীয়ে বা ইতিহাসে এটা নতুন যুগৰ সূত্ৰপাত কৰিছিল। উত্তৰ ভাৰতৰ ৰাজনৈতিক ইতিহাসত ভাস্কৰ বৰ্মনে প্ৰাগজ্যোতিষ/কামৰূপৰ গুৰুত্ব উত্থাপিত কৰিবলৈ সক্ষম হৈছিল। তেওঁ বৰ্মন বংশৰ এজন শ্ৰেষ্ঠ ৰজাই যে আছিল সেয়াই নহয়, তেওঁ সপ্তম শতিকাৰ শেষৰ ভাগত উত্তৰ ভাৰতৰ ৰাজনীতি এক উল্লেখযোগ্য ভূমিকা অৱলম্বন কৰিছিল। তেওঁৰ শাসনৰ প্ৰাৰম্ভিকতে ভাস্কৰ বৰ্মনে উত্তৰ ভাৰতৰ শক্তিশালী ৰজা হৰ্ষবৰ্ধনৰ সৈতে এক সন্ধি কৰিছিল। এই সন্ধি ভাস্কৰ বৰ্মনৰ বাবে এক বিশেষ কৃতিত্ব আছিল কিয়নো এই সন্ধিয়ে উত্তৰ ভাৰতৰ ৰাজনীতিত কামৰূপৰ নাম উজ্বলাইছিল।

তেওঁৰ শাসন কালত কামৰূপে ভাৰতীয় ৰাজনীতি ক্ষমতাশালী শক্তি হিচাপে থিয় দিবলৈ সক্ষম হৈছিল। ভাস্কৰ বৰ্মনে বংগৰ শাসক শশাংকৰ বিৰুদ্ধে হৰ্ষবৰ্ধনৰ সৈতে মিত্ৰতা কৰিছিল। একত্ৰিতভাৱে কনৌজৰ ৰজা হৰ্ষবৰ্দ্ধন আৰু ভাস্কৰ বৰ্মনে শশাংকক পৰাভূত কৰি উৰিষ্যালৈ খেদি পঠিয়াবলৈ সক্ষম হৈছিল।

**ভাস্কৰ বৰ্মনৰ কৃতিত্বসমূহ ঃ** ভাস্কৰ বৰ্মনক কুমাৰ ৰজা নামেৰেও জনা গৈছিল। ভাস্কৰ বৰ্মনৰ তাম্ৰলিপি, শিলালিপি, তবাকত-ই-নাছিৰি ইত্যাদি ভাস্কৰ বৰ্মনে সিংহাসন আৰোহণ কৰাৰ সময়ত এটা নতুন যুগৰ সূচনা কৰিছিল। সেই সময়তো আছিল ৫৯৪ খ্ৰীষ্টাব্দ আৰু এই খ্ৰীষ্টাব্দটোকে ভাস্কৰাব্দ বুলি কোৱা হয়।

ভাস্কৰ বৰ্মনে সিংহাসন আৰোহণ কৰা সময়ত উত্তৰ ভাৰতত সুস্থিৰ ৰাজনৈতিক পৰিৱেশ নাছিল। সেই সময়ত উত্তৰ ভাৰতত বহুতো ক্ষমতাশালী ৰাজবংশ আছিল। যিবোৰে ইটোৱে সিটোক দমন কৰিবলৈ চেষ্টা কৰিছিল। এই শক্তিশালী ৰাজবংশবোৰ আছিল কনৌজৰ মৌখাৰীসকল, মালৱৰ গুপ্তসকল আৰু থানেশ্বৰৰ বৰ্ধনসকল। ইয়াৰ উপৰি শশাংকৰ তত্বাৱধানত গৌড় সাম্ৰাজ্য আছিল। এই শত্ৰুবোৰে এটা গোটে আন এটা গোটৰ সৈতে সন্ধি কৰিছিল। আৰু শত্ৰু পক্ষ থকা গোটৰ সৈতে মিত্ৰ শক্তিৰূপেও এটা শত্ৰু পক্ষই আন এটা শত্ৰু পক্ষৰ লগত সন্ধি কৰে সেয়ে এটা গোটত আছিল মালৱ আৰু গৌড় আৰু বিৰোধী গোটত আছিল কনৌজ আৰু থানেশ্বৰ শেষৰ ঠাই দুখনৰ মাজত বৈবাহিক সম্পৰ্ক স্থাপন হৈছিল। মৌখাৰীৰ ৰজা গ্ৰহ বৰ্মনে থানেশ্বৰৰ ৰজাৰ জীয়ৰী ৰাজশ্ৰীক বিবাহ কৰাইছিল। প্ৰথম অৱস্থাত কামৰূপে উত্তৰ ভাৰতৰ এনে ৰাজনৈতিক অস্থিৰ অৱস্থাৰ পৰা আঁতৰত ৰাখিছিল।❒

# হিউৱেন চাং

**অনিমা বেগম**
*চতুৰ্থ ষাণ্মাসিক, বেলতলা মহাবিদ্যালয়*



**জুয়ানজাং** নামেৰেও পৰিচিত হিউৱেন চাং আছিল এজন চীনা বৌদ্ধ, সন্ন্যাসী পণ্ডিত, ভ্ৰমণকাৰী আৰু অনুবাদক। ৰজা হৰ্ষবৰ্ধনৰ দিনত তেওঁ বৌদ্ধ ধৰ্মগ্ৰন্থ লাভৰ বাবে চীনৰ পৰা ভাৰত ভ্ৰমণ কৰিছিল। ৬২৯ খ্ৰীষ্টাব্দৰ পৰা ৬৪৫ খ্ৰীষ্টাব্দলৈ ভাৰত ভ্ৰমণ আৰু ৬৫৭ টাতকৈও অধিক ভাৰতীয় গ্ৰন্থ চীনলৈ অনাৰ প্ৰচেষ্টাৰ বাবে তেওঁ বেছিকৈ পৰিচিত। তেখেতে সমসাময়িক কিছুমান গ্ৰন্থৰ অনুবাদৰ দ্বাৰা সেই সময়ৰ ভাৰতৰ ইতিহাস, সংস্কৃতি আৰু ধৰ্মৰ বহুমূলীয়া আভাস পোৱা যায়। বৌদ্ধ অধ্যয়নৰ ক্ষেত্ৰখন প্ৰতিষ্ঠা কৰাত সহায় কৰা এজন মহান পণ্ডিত হিচাপেও হিউৱেন চাঙক জীনত শ্ৰদ্ধা কৰা হয়। তেওঁৰ লেখাই চীনৰ বৌদ্ধ ধৰ্মৰ বিকাশত যথেষ্ট প্ৰভাৱ পেলাইছিল।

হিউৱেন চাং বা জুয়ানজাং আদি চীনা বৌদ্ধ সন্ন্যাসী। টাং বংশ (৬১৮-৯০৭) খ্ৰীষ্টাব্দৰ সময়ত ভাৰত ভ্ৰমণৰ বাবে হিউৱেন চাং বিখ্যাত। ইউয়ান বংশৰ সময়ত তেওঁ নিজৰ জন্মভূমি তিব্বতত বৌদ্ধ ধৰ্মক পুনৰুজ্জীৱিত কৰাৰ প্ৰচেষ্টাও চেষ্টা কৰিছিল।

হিউৱেন ছাঙৰ জন্ম হৈছিল ৬০২ খ্ৰীষ্টাব্দত গুগুছি টাউন লুওঝৌত তেওঁ ছিচুয়ান আৰু চীনৰ অন্যান্য ঠাই যাত্ৰা কৰিছিল। ইয়াৰ পিছত তেওঁ ভাৰত যাত্ৰাত নামি পৰে। পিছলৈ তেওঁ ৬২৭ বা ৬২৯ খ্ৰীষ্টাব্দত ২৭ বছৰ বয়সত ভাৰত যাত্ৰাত নামি শিলাভদ্ৰৰ দৰে প্ৰখ্যাত বৌদ্ধ শিক্ষকৰ লগত অধ্যয়ন কৰি চীনত এতিয়াও উপলব্ধ নোহোৱা বৌদ্ধগ্ৰন্থ লাভ কৰাৰ সিদ্ধান্ত লয়।

**হিউৱেন চাঙৰ ভাৰত ভ্ৰমণ ঃ** ৬২৭ খ্ৰীষ্টাব্দত টাং বংশ (চীন) আৰু গকতুৰ্ক (তুৰ্কী জনগোষ্ঠীৰ) মাজত যুদ্ধ হৈছিল। টাং সম্ৰাট টাই জোঙে তেওঁৰ ৰাজত্বকালত বিদেশী ভ্ৰমণত নিষেধাজ্ঞা আৰোপ কৰিছিল। টাং বংশ আৰু গকতুৰ্কৰ মাজৰ সংঘাত ৰেচম পথৰ বাণিজ্যিক পথৰ ওপৰত নিয়ন্ত্ৰণৰ বাবে দীৰ্ঘদিনীয়া সংগ্ৰামৰ অংশ আছিল।

৬২৯ চনত হিউৱেন চাঙে যুমেন পাছৰ বৌদ্ধ প্ৰহৰীসকলক লিয়াংঝৌ (গানছু) আৰু কিংহাইৰ মাজেৰে পাৰ হ'বলৈ দিবলৈ মান্তি কৰি সাম্ৰাজ্যৰ পৰা পলায়ন কৰে।

গোবি মৰুভূমি পাৰ হৈ হামি চহৰলৈ গৈছিল, তাৰ পিছত পশ্চিম দিশলৈ তিয়ান স্বানলৈ গৈছিল।

৬৩০ খ্ৰীষ্টাব্দত তেওঁ বৌদ্ধ ধৰ্মাৱলম্বী তুৰ্পানৰ ৰজাক লগ পায়, যিয়ে তেওঁক যাত্ৰাৰ প্ৰস্তুতিত সহায় কৰিছিল।

তেওঁৰ বিখ্যাত গ্ৰন্থ 'জাৰ্নি টু দ্য ৱেষ্ট' (চি-ইউ-কি) চীনৰ আটাইতকৈ উষ্ণ শৃংগ তুৰ্পানৰ ওচৰৰ ফ্লেমিং মাউণ্টেনছক প্ৰতিনিধিত্ব কৰিছিল।

হিউৱেন চাঙে মধ্য এছিয়া উজবেকিস্তান তাছকেণ্ড, কিৰ্গিস্তান আৰু সমৰকাণ্ড ভ্ৰমণ কৰিছিল।

সম্ৰাট হৰ্ষৰ দিনত চীন ভ্ৰমণকাৰী হিউৱেন চাং ভাৰত ভ্ৰমণ কৰিছিল। চীনলৈ উভতি যাওঁতে তেওঁ চিয়ু-কি বা পশ্চিমীয়া দেশসমূহৰ ৰেকৰ্ড নামৰ গ্ৰন্থখনত হৰ্ষৰ ৰাজত্ব কালত ভাৰতৰ বিশদ বৰ্ণনা লিখিছিল।

তেওঁৰ বৰ্ণনাক সেই সময়ত ভাৰতৰ প্ৰশাসনিক আৰু সাংস্কৃতিক অৱস্থা জানিবলৈ সৰ্বোত্তম উপলব্ধ উৎস হিচাপে গ্ৰহণ কৰা হৈছে। অৱশ্যে ভাৰতৰ বিষয়ে তেওঁৰ বিৱৰণী সম্পূৰ্ণ নিৰ্ভৰযোগ্য নহয়। কেইবাটাও ঠাইত ই বিভ্ৰান্তিকৰ, আনহাতে বেছিভাগেই ই পক্ষপাতদুষ্ট, কাৰণ হিউৱেন চাঙে তেওঁৰ বৰ্ণনাক বৌদ্ধ ধৰ্ম আৰু হৰ্ষক ইয়াৰ অনুগামী হিচাপে মহিমামণ্ডিত কৰাৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰিছিল।

হিউৱেন চাঙৰ ভাৰত ভ্ৰমণৰ প্ৰধান লক্ষ্য আছিল বৌদ্ধ ধৰ্মৰ জ্ঞান আহৰণ আৰু ইয়াৰ ধৰ্মীয় গ্ৰন্থসমূহ সংগ্ৰহ কৰা। চীন সম্ৰাটৰ পৰা ভাৰত ভ্ৰমণৰ অনুমতি নোপোৱাৰ বাবে ৬২৯ খ্ৰীষ্টাব্দত তাৰ পৰা পিছলি গৈ গোবি মৰুভূমি পাৰ হৈ মধ্য এছিয়াৰ কেইবাখনো ঠাই, যেনে— কাছাগৰ, সমৰকন্দ আৰু বালঘা ভ্ৰমণ কৰি আফগানিস্তান পালেগৈ। তেওঁ সূৰ্যৰ উপাসক, বৃহৎ সংখ্যক বৌদ্ধ সন্ন্যাসী আৰু অনুগামী, স্তূপ আৰু বিভিন্ন স্থানত মঠ-মন্দিৰ লগ পাইছিল আৰু আফগানিস্তানৰ পৰা তেওঁ পেছাৱাৰ হৈ তাক্সিলা পালেগৈ। চীনৰ পৰা ভাৰতলৈ যাত্ৰা প্ৰায় এবছৰৰ ভিতৰতে তেওঁ সামৰি লৈছিল। তাৰ পিছত প্ৰায় চৈধ্য বছৰ ভাৰতত থাকিল। তক্ষীলাৰ পৰা তেওঁ কাশ্মীৰলৈ গৈ তাৰ পাছত ভাৰতৰ কেবাটাও স্থান যেনে— মথুৰা, কনপাউজ, শ্ৰৱস্তি, অযোধ্যা, কপিলবস্তু, কুচিনাগৰা, সাৰনাথ বৈছালি, পাটালিপুত্ৰ, ৰাজাগ্ৰহ, বোধা-গয়া আৰু নালন্দা আদি ভ্ৰমণ কৰিছিল।

প্ৰায় পাঁচ বছৰ তেওঁ নালন্দা বিদ্যালয়ত থাকিল। তেতিয়া তেওঁ বংগলৈ আগবাঢ়িল আৰু দক্ষিণ ভাৰতৰো কাঞ্চিলৈকে ভ্ৰমণ কৰিলে। কামৰূপৰ শাসক ভাস্কৰ বৰ্মনৰ অতিথি হৈ আছিল। তাৰ পৰাই তেওঁক হৰ্ষৰ দৰবাৰলৈ মাতি অনা হ'ল। হৰ্ষই তেওঁক সন্মান জনাই

*কামৰূপৰ শাসক ভাস্কৰ বৰ্মনৰ অতিথি হৈ আছিল। তাৰ পৰাই তেওঁক হৰ্ষৰ দৰবাৰলৈ মাতি অনা হ'ল। হৰ্ষই তেওঁক সন্মান জনাই কনৌজত ধৰ্মীয় সভাত মাতিছিল। সেই সভাৰ সভাপতিত্ব কৰিছিল হিউৱেন চাঙে। ইয়াৰ পিছত প্ৰয়াগত হৰ্ষই আহ্বান কৰা এখন ধৰ্মীয় সভাতো তেওঁ অংশ লৈছিল। যি পথেৰে তেওঁ প্ৰৱেশ কৰিছিল, সেই পথেৰেই তেওঁ ৬৪৪ খ্ৰীষ্টাব্দত ভাৰত এৰিছিল। তেওঁ বুদ্ধৰ বহু ছবি আৰু বিভিন্ন বৌদ্ধধৰ্মীয় গ্ৰন্থৰ প্ৰতিলিপি ধুৱাই লৈছিল। যেতিয়া তেওঁ চীনলৈ উভতি আহিছিল তেতিয়া তেওঁক চীনৰ সম্ৰাট সন্মানেৰে আদৰি লৈছিল। তাৰ পিছত সম্ৰাটৰ আদেশত ভাৰতৰ বৰ্ণনা লিখিলে।*

কনৌজত ধৰ্মীয় সভাত মাতিছিল। সেই সভাৰ সভাপতিত্ব কৰিছিল হিউৱেন চাঙে। ইয়াৰ পিছত প্ৰয়াগত হৰ্ষই আহ্বান কৰা এখন ধৰ্মীয় সভাতো তেওঁ অংশ লৈছিল। যি পথেৰে তেওঁ প্ৰৱেশ কৰিছিল, সেই পথেৰেই তেওঁ ৬৪৪ খ্ৰীষ্টাব্দত ভাৰত এৰিছিল। তেওঁ বুদ্ধৰ বহু ছবি আৰু বিভিন্ন বৌদ্ধধৰ্মীয় গ্ৰন্থৰ প্ৰতিলিপি ঘূৰাই লৈছিল। যেতিয়া তেওঁ চীনলৈ উভতি আহিছিল তেতিয়া তেওঁক চীনৰ সম্ৰাট সন্মানেৰে আদৰি লৈছিল। তাৰ পিছত সম্ৰাটৰ আদেশত ভাৰতৰ বৰ্ণনা লিখিলে।



হিউৱেন চাঙে ভাৰতৰ নগৰ-জীৱনৰ বৰ্ণনা কৰিছিল। তেওঁৰ বিৱৰণীৰ পৰা আমি সংগ্ৰহ কৰা তথ্য হ'ল যে ঘৰবোৰ বিভিন্ন ধৰণৰ আছিল আৰু কাঠ, ইটা আৰু গোবৰেৰে নিৰ্মাণ কৰা হৈছিল। চহৰ ৰাস্তাবোৰ বৃত্তাকাৰ আৰু লেতেৰা আছিল। বহু পুৰণি চহৰ ধ্বংসস্তূপ হৈ পৰিছিল, আনহাতে নতুন চহৰ ডাঙৰ হৈছিল।

হিউৱেন চাঙে সম্ৰাট হৰ্ষ আৰু তেওঁৰ প্ৰশাসকক অতিশয় প্ৰশংসা কৰিছিল। তেওঁ তেওঁক জেন কষ্টকৰ ৰজা বুলি অভিহিত কৰিছিল যিয়ে দূৰ-দূৰণি ভ্ৰমণ কৰিছিল আৰু প্ৰজাসকলৰ কল্যাণ চোৱা-চিতা কৰিবলৈ আৰু নিজৰ প্ৰশাসনৰ তদাৰক কৰিবলৈ ব্যক্তিগতভাৱে যোগাযোগ কৰিছিল। তেওঁৰ মতে, হৰ্ষই আগতে ৰাজ্য আয়ৰ ৩/৪ ভাগ ধৰ্মীয় কামত ব্যয় কৰিছিল।

তেওঁ বৰ্ণনা কৰিছিল যে ৰাজ্যখন ভালদৰে পৰিচালিত আছিল; ই আছিল বিদ্ৰোহৰ পৰা মুক্ত আইন ভংগৰ কেইটামান গোচৰ আছিল, অপৰাধীসকলক শাৰীৰিক শাস্তি দিয়া হৈছিল আৰু তেওঁলোকৰ পৰা সত্য উলিয়াবলৈ নিৰ্যাতন কৰা হৈছিল আৰু বিশ্বাসঘাতকসকলক মৃত্যুদণ্ড দিয়া হৈছিল বা ৰাজ্যৰ পৰা ওলাই আহিছিল। তেওঁ বৰ্ণনা কৰিছিল যে ৰাজ্যখন ভালদৰে পৰিচালিত আছিল, ই আছিল বিদ্ৰোহৰ পৰা মুক্ত আইন ভংগৰ কেইটামান গোচৰ আছিল অপৰাধীসকলক শাৰীৰিক শাস্তি দিয়া হৈছিল আৰু তেওঁলোকৰ পৰা সত্য উলিয়াবলৈ নিৰ্যাতন কৰা হৈছিল আৰু বিশ্বাসঘাতকসকলক মৃত্যুদণ্ড দিয়া হৈছিল।

হিউৱেন চাঙে ভাৰতৰ সামাজিক অৱস্থাৰ বিষয়ে বিতংভাৱে বৰ্ণনা কৰিছিল। তেওঁ লিখিছিল যে জাতি ব্যৱস্থাত কঠোৰ আছিল। সেই সময়ত ভাৰতৰ অৰ্থনৈতিক অৱস্থাৰ বিষয়েও হিউৱেন চাঙে লিখিছিল। তেওঁ ভাৰতীয় ফল-মূল আৰু কৃষিজাত সামগ্ৰীৰ এখন দীঘলীয়া তালিকা দিছিল। ভাৰতে সেই সময়ত উত্তম কপাহ ৰেচম আৰু উলৰ কাপোৰ উৎপাদন কৰিছিল আৰু ইয়াৰ পৰা সকলো ধৰণৰ কাপোৰ প্ৰস্তুত কৰিছিল। ভাৰতীয় মুকুতা আৰু হাতীদাঁতৰ গুণগত মানক তেওঁ অতিশয় প্ৰশংসা কৰিছিল।

এইদৰে হিউৱেন চাঙে ভাৰতৰ ৰাজনৈতিক, সামাজিক, ধৰ্মীয় আৰু অৰ্থনৈতিক জীৱনৰ ইমান বিশদ বৰ্ণনা দিছে যিটো আন কোনো চীনা ভ্ৰমণকাৰীয়ে দিয়া নাই। বৰ্ণনাটোৱে নিশ্চয়কৈ সম্ৰাট হৰ্ষৰ ৰাজত্বকালত ভাৰতৰ অৱস্থাৰ মূল্যায়ন কৰাত সহায় কৰে। কিন্তু ইতিহাসবিদসকলে তেওঁৰ বৰ্ণনাক সম্পূৰ্ণৰূপে নিৰ্ভৰযোগ্য বুলি মানি লোৱা নাই, কাৰণ তেওঁ বৌদ্ধধৰ্মৰ প্ৰতি ইতিবাচক অনুকূলতাৰে লিখিছিল। গতিকে ইয়াক সমৰ্থন আৰু পৰীক্ষা কৰাটো প্ৰয়োজন।❐




# স্বচ্ছ ভাৰত অভিযানৰ প্ৰাসংগিকতা

**তাপস বিশ্বাস**
*তৃতীয় ষাণ্মাসিক, বেলতলা মহাবিদ্যালয*

**মহাত্মা** গান্ধীৰ সপোনক আগত ৰাখিয়েই স্বচ্ছ ভাৰত অভিযান আৰম্ভ কৰা হৈছিল কিয়নো মহাত্মা গান্ধী পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ এক উদাহৰণ আছিল। মহাত্মা গান্ধীয়ে নিজেই তেওঁ থকা আশ্ৰমখন পৰিষ্কাৰ কৰিছিল আৰু আনক পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি অনুপ্ৰাণিত কৰিছিল। মহাত্মা গান্ধীয়ে পৰিষ্কাৰ-পৰিচ্ছন্নতাক ঈশ্বৰীয় ভক্তি বুলি গণ্য কৰিছিল।

সেয়েহে, ২০১৪ চনৰ ২ অক্টোবৰ তাৰিখে মহাত্মা গান্ধীৰ ১৪৫ তম জন্ম জয়ন্তীত এই স্বচ্ছ ভাৰত অভিযানৰ আৰম্ভ কৰা হয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদীয়ে ৰাজপথত সমবেত লোকসকলক সম্বোধন কৰি পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ লাভালাভৰ বিষয়ে ব্যাখ্যা কৰে আৰু দেশবাসীক স্বচ্ছ ভাৰত অভিযানত অংশগ্ৰহণ কৰিবলৈ আৰু ইয়াক সফল কৰিবলৈ আহ্বান জনাই।

**স্বচ্ছ ভাৰত অভিযানৰ উদ্দেশ্যসমূহ ঃ** স্বচ্ছ ভাৰত অভিযানৰ কেইবাটাও উদ্দেশ্য আছে যিয়ে গ্ৰাম্য অঞ্চলৰ বিকাশৰ লগতে দেশক আগুৱাই নিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

(১) অভিযানটোৰ মূল উদ্দেশ্য হৈছে মুকলিত শৌচ বন্ধ কৰা, যাৰ ফলত হাজাৰ হাজাৰ শিশুৰ মৃত্যু হয়।

(২) এই অভিযানৰ লক্ষ্য আছিল পাঁচ বছৰৰ ভিতৰত প্ৰায় ১১ কোটি ১১ লাখ ব্যক্তিগত, সামূহিক শৌচালয় নিৰ্মাণ কৰা। যাৰ বাবে চৰকাৰৰ ফালৰ পৰা ১ লাখ ৩৪ হাজাৰ কোটি টকাৰ বিনিয়োগ কৰা হৈছিল।

(৩) ২০১৯ চনৰ ভিতৰত সকলো পৰিয়ালক পানী যোগান ধৰিব লাগে আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰাখিবলৈ গ্ৰাম্য অঞ্চলত পাইপলাইন স্থাপন কৰিব লাগে।

(৪) গ্ৰাম্য অঞ্চলত শৌচালয়ৰ ব্যৱহাৰৰ প্ৰচাৰ আৰু জন সজাগতা প্ৰৱৰ্তন।

(৫) নদী আৰু নলাবোৰ পৰিষ্কাৰ কৰি ৰখা।

(৬) ৰাস্তা, ফুটপাথ আৰু জনসাধাৰণৰ বসতিস্থলবোৰ পৰিষ্কাৰ কৰি ৰখা।

(৭) গ্ৰাম পঞ্চায়তৰ জৰিয়তে কঠিন আৰু তৰল আৱৰ্জনাৰ ভাল ব্যৱস্থাপনা নিশ্চিত কৰা।

(৮) ধৰ্মীয় স্থানবোৰ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখা।

(৯) প্ৰতিজন নাগৰিকক পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বিষয়ে সজাগ কৰা।

**স্বচ্ছ ভাৰত অভিযানৰ প্ৰয়োজন ঃ** আমাক বৰ্তমান স্বচ্ছ ভাৰত অভিযানৰ প্ৰয়োজন হৈছে কিয়নো প্ৰায় দুশ বছৰ আগতে ভাৰতত কলেৰা (Cholera) নামৰ এক মহামাৰী বিয়পি পৰিছিল য'ত হাজাৰ হাজাৰ লোকৰ মৃত্যু হৈছিল আৰু আজিলৈকে এই মহামাৰীৰ সমাপ্তি হোৱা নাই আৰু ই ক্ৰমান্বয়ে সমগ্ৰ বিশ্বতে বিয়পি পৰিছে। বিজ্ঞানীসকলৰ মতে, কলেৰা মহামাৰী দূষিত পানী আৰু অত্যধিক লেতেৰাৰ ফলত হৈছিল। বিশ্ব স্বাস্থ্য সংস্থা (WHO)ৰ মতে, মহামাৰীটোৱে প্ৰতি বছৰে বিশ্বজুৰি দুহেজাৰৰ পৰা ছহেজাৰ লোকৰ মৃত্যু ঘটায়। সেয়েহে, আমাক স্বচ্ছ ভাৰত অভিযানৰ প্ৰয়োজন।

**দেশৰ পৰিস্কাৰ-পৰিচ্ছন্নতাৰ অভাৱ আৰু সেইবোৰৰ ব্যৱস্থাৰ কাৰণসমূহ ঃ** প্ৰায় ১৩০ কোটি জনসংখ্যাৰ ভাৰত হৈছে বিশ্বৰ দ্বিতীয় সৰ্বাধিক জনবহুল দেশ। মানৱজাতিয়েই লেতেৰা বিয়পাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কিয়নো আমি আৱৰ্জনাবোৰ নদী, পুখুৰী বা আন ঠাইত পেলাই দিওঁ, যাৰ ফলত ৰোগ হয়। তদুপৰি, আমাৰ দেশখন পৰিষ্কাৰ নোহোৱাৰ আন বহুতো কাৰণ আছে। তাৰে কিছুমান তলত উল্লেখ কৰা হ'ল—

দেশখন পৰিষ্কাৰ নোহোৱাৰ কাৰণবোৰ তলত দিয়া হৈছে ঃ

(ক) গ্ৰাম্য অঞ্চলত শৌচালয় প্ৰদান কৰিবলৈ অক্ষম।

(খ) চহৰাঞ্চলৰ আৱৰ্জনা পাত্ৰৰ ব্যৱস্থাৰ অভাৱ।

(গ) ৰাজহুৱা স্থানত শৌচালয়ৰ অভাৱ।

(ঘ) ঔদ্যোগিক অঞ্চলৰ পৰা নদীৰ নলালৈ আৱৰ্জনা নিষ্কাষণ।

(ঙ) গ্ৰাম্য অঞ্চলত শিক্ষাৰ অভাৱ।

**পৰিস্কাৰ কৰি ৰখাৰ উপায় ঃ** আমাৰ দেশখন পৰিস্কাৰ কৰি ৰখাটো প্ৰতিজন নাগৰিকৰ দায়িত্ব। বৰ্তমান যদি আমি আমাৰ স্বাস্থ্য ভালে ৰাখিব বিচাৰো আমি পৰিস্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি বিশেষ মনোযোগ দিব লাগিব। আমাৰ দেশক পৰিষ্কাৰ আৰু স্বাস্থ্যৱান কৰি ৰখাৰ বাবে নিম্নলিখিত ব্যৱস্থাবোৰ গ্ৰহণ কৰিব লাগিব।'

(ক) গ্ৰাম্য অঞ্চলৰ প্ৰতিটো ঘৰত শৌচালয় নিৰ্মাণ।

(খ) পৰিস্কাৰ পানীৰ যোগানৰ বাবে গাঁওবোৰত পাইপলাইন স্থাপন কৰা।

(গ) গ্ৰাম্য আৰু নগৰ অঞ্চলত উন্নত আৰু উচ্চ শিক্ষাৰ ব্যৱস্থা।

(ঘ) ৰাজহুৱা স্থানত শৌচালয় নিৰ্মাণ।

(ঙ) নগৰ আৰু গ্ৰাম্য অঞ্চলত ডাষ্টবিনৰ ব্যৱস্থা।

(চ) তিতা আৱৰ্জনা সেউজীয়া ডাষ্টবিন পেলাই দিয়া আৰু শুকান আৱৰ্জনা নীলা ডাষ্টবিনত পেলাই দিয়া।

(ছ) ৰিচাইক্লিং সামগ্ৰী ব্যৱহাৰ কৰা।

(জ) পলিথিন পানী ব্যৱহাৰ কৰা বন্ধ কৰিবলৈ।

(ঝ) প্ৰতিজন নাগৰিকক পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বিষয়ে সজাগ কৰা।

**স্বচ্ছ ভাৰত অভিযানৰ অৱদান ঃ** প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়াই আৰম্ভ কৰা স্বচ্ছ ভাৰত অভিযানত ক্ৰিকেটাৰ, অভিনেতা, নাটক শিল্পী আৰু উদ্যোগপতিসকলে প্ৰচাৰ কৰাত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছিল যাৰ নাম নিম্নলিখিত ধৰণৰ।

☼ শচীন তেণ্ডুলকাৰ (ক্ৰিকেটাৰ)
☼ মহেন্দ্ৰ সিং ধোনী (ক্ৰিকেটাৰ)
☼ বিৰাট কোহলী (ক্ৰিকেটাৰ)
☼ বাবা ৰামদেৱ (যোগ গুৰু, উদ্যোগপতি)
☼ চলমান খান (অভিনেতা)
☼ শশী থাৰুৰ (সাংসদ সদস্য আৰু অভিনেতা)
☼ তাৰক মেহতাৰ উল্টা চছ্‌মা দল (নাটক শিল্পী)
☼ ই আৰ দিলকেশ্বৰ কুমাৰ
☼ কমল হাছান (অভিনেতা)
☼ অনিল আম্বানী (উদ্যোগপতি)
☼ প্ৰিয়ংকা চোপ্ৰা (অভিনেত্ৰী)
☼ মৃদুলা সিন্‌হা (লেখক)
☼ অমিতাভ বচ্চন (অভিনেতা)

**উপসংহাৰ ঃ**

"নিজৰ ভিতৰত সেইটো পৰিৱৰ্তন আনক যিটো আপুনি পৃথিৱীত চাব বিচাৰে।" যদি আপুনি আপোনাৰ দেশক স্বাস্থ্যৱান আৰু পৰিষ্কাৰ হৈ থকাটো চাব বিচাৰে। তেনেহ'লে, আপুনি নিজে আপোনাৰ সমাজ আৰু দেশত পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ এক উদাহৰণ হ'ব লাগিব। প্ৰতিজন নাগৰিকে স্বচ্ছ ভাৰত অভিযানৰ অধীনত দেশখন সুন্দৰ আৰু পৰিষ্কাৰকৰি ৰাখিব লাগিব তেতিয়াহে এক সুন্দৰ স্বাস্থ্যৱান ভাৰত কল্পনা কৰিব পাৰি। ইয়াৰ বাবে স্বচ্ছ ভাৰত অভিযান প্ৰতিদিনে অব্যাহত ৰাখিব লাগে।❒

# স্বচ্ছ ভাৰত অভিযান— এক সুন্দৰ পদক্ষেপ

**পাৰবিন চুলতানা**
*ছাত্ৰী, বেলতলা মহাবিদ্যালয়*

**আৰম্ভণি ঃ**

স্বচ্ছতা এনে এক আহিলা যিয়ে ব্যক্তিৰ মন-মগজুত এক সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলায়। এখন ৰাষ্ট্ৰৰ উন্নতি হ'বলৈ হ'লে ব্যক্তিবিশেষৰ উন্নতি হোৱাটো অতি প্ৰয়োজনীয়। এখন নিকা আৰু স্বাস্থ্যসন্মত পৰিৱেশত মানুহৰ মানসিক আৰু শাৰীৰিক উভয় দিশতে এক ইতিবাচক প্ৰভাৱ পেলায়, যিয়ে ৰাষ্ট্ৰৰ প্ৰগতিৰ পথ মুকলি কৰাৰ ক্ষেত্ৰত সবল অৰিহণা যোগাব পাৰে।




'স্বচ্ছ ভাৰত'ৰ অৰ্থ হৈছে, এখন নিকা পাৰিপাৰ্শ্বিক পৰিৱেশত ভাৰতৰ পৰিচয়। ইয়াৰ বাবে আমি আন প্ৰাসংগিক দিশসমূহো চালি-জাৰি চাব লাগিব। মানুহ যিমানেই সভ্য হ'লেও কিছুমান বিচাৰহীন কাম তেওঁলোকে আজিও কৰে। য'তে-ত'তে জাবৰ-জোথৰ পেলোৱা, থু-খেকাৰ পেলোৱা, নিৰ্বিচাৰভাৱে শৌচ-প্ৰস্ৰাৱ কৰা আদি কাৰ্যই পৰিৱেশৰ ওপৰত বিৰূপ প্ৰভাৱ পেলায়। ইয়াক নিৰ্মূল কৰিবলৈ বৰ্তমানে আঁচনিসমূহৰ প্ৰসাৰতা লাভ কৰিছে আৰু জনসমাজ স্বচ্ছতাৰ দিশে এখোজ আগুৱাবলৈ সক্ষম হৈছে।

এতিয়ালৈকে মুকলি হোৱা স্বচ্ছতাৰ আঁচনিসমূহৰ ভিতৰত 'স্বচ্ছ ভাৰত অভিযান' আটাইতকৈ লেখত ল'বলগীয়া আঁচনি। ২০১৪ চনৰ ২ অক্টোবৰ 'গান্ধী জয়ন্তী'ৰ দিনটোত আমাৰ দেশৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীৰ ৰাজঘাটত চৰকাৰী নিয়মেৰে এই আঁচনিখন মুকলি কৰে। তেওঁ আঁচনিত ৯ জন বিখ্যাত ব্যক্তিক মনোনয়ন দিয়ে। এই প্ৰস্তাৱ গ্ৰহণকাৰীসকলেও পুনৰ ৯ জন ব্যক্তিলৈ আঁচনি সদস্যতা বাছনি কৰে। এনেদৰে কেইবাজনো খ্যাতনামা ব্যক্তি ইয়াৰ লগত জড়িত হৈ পৰে।

**সৃষ্টিতত্ত্ব ঃ**

স্বচ্ছতাৰ ক্ষেত্ৰত প্ৰথম পদক্ষেপ আছিল ১৯৮৬ চনত মুকলি হোৱা 'কেন্দ্ৰীয় গ্ৰাম্য অনাময়

ব্যৱস্থা'। এই আঁচনিখনৰ অনাময়ৰ সজাগতা প্ৰভাৱশালী কৰিবলৈ ১৯৯৯ চনত 'সম্পূৰ্ণ অনাময়ৰ প্ৰচাৰ' আঁচনি মুকলি কৰে। ২০০৩ চনৰ জুন মাহত অনাময়ৰ গুৰুত্ব সুস্থিৰভাৱে বৰ্তাই ৰাখিবলৈ 'নিৰ্মল গ্ৰাম পুৰস্কাৰ' দিয়াৰ এক উদগনিমূলক পদক্ষেপ গ্ৰহণ কৰে। ২০১২ চনৰ ১ এপ্ৰিলত 'সম্পূৰ্ণ অনাময় প্ৰচাৰ' আঁচনিকে 'নিৰ্মল ভাৰত অভিযান' নামে পুনঃ নামকৰণ কৰা হয়। অৱশেষত ই 'স্বচ্ছ ভাৰত অভিযান' নামে বহুল প্ৰসাৰতা লাভ কৰে।

**অভিপ্ৰায়সমূহ ঃ**

'স্বচ্ছ ভাৰত' আঁচনিৰ মূল উদ্দেশ্য হৈছে পৰিৱেশ সুৰক্ষিত কৰি ব্যক্তিৰ সু-স্বাস্থ্য নিশ্চিত কৰা। মানুহৰ মাজত অনাময়ৰ সু-ব্যৱস্থা সম্পৰ্কে সজাগতা বৃদ্ধি কৰা, দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালক ৮০ শতাংশ অৰ্থসাহায্য প্ৰদান কৰা, কেঁচা শৌচাগাৰসমূহৰ ঠাইত অনাময় শৌচাগাৰ নিৰ্মাণ কৰা আদিক আঁচনি ৰূপায়ণৰ বাবে নিৰ্ধাৰণ কৰা হৈছে। অস্বাস্থ্যকৰভাৱে মুক্ত পৰিৱেশত শৌচ কৰা বন্ধ কৰাৰ লগতে মানুহৰ মাজত অনাময়ৰ সু-ব্যৱহাৰৰ এক অভ্যাস গঢ়ি তোলাই হৈছে এই আঁচনিখনৰ লক্ষ্য।

'স্বচ্ছ ভাৰত'ৰ কিছুমান উদ্দেশ্য আছে। সেইসমূহ তলত উল্লেখ কৰা হ'ল—

স্বচ্ছ ভাৰত অভিযানৰ কেইবাটাও উদ্দেশ্য আছে যিয়ে গ্ৰাম্য অঞ্চলৰ বিকাশৰ লগতে দেশক আগুৱাই নিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

১) অভিযানটোৰ মূল উদ্দেশ্য হৈছে মুকলিত শৌচ বন্ধ কৰা, যাৰ ফলত হাজাৰ হাজাৰ শিশুৰ মৃত্যু হয়।

২) এই অভিযানৰ লক্ষ্য আছিল পাঁচ বছৰৰ ভিতৰত প্ৰায় ১১ কোটি ১১ লাখ ব্যক্তিগত, সামূহিক শৌচালয় নিৰ্মাণ কৰা। যাৰ বাবে চৰকাৰৰ ফালৰ পৰা ১ লাখ ৩৪ হাজাৰ কোটি টকাৰ বিনিয়োগ কৰা হৈছিল।

৩) ২০১৯ চনৰ ভিতৰত সকলো পৰিয়ালক পানী যোগান ধৰিব লাগে আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰাখিবলৈ গ্ৰাম্য অঞ্চলত পাইপলাইন স্থাপন কৰিব লাগে।

৪) গ্ৰাম্য অঞ্চলত শৌচালয়ৰ ব্যৱহাৰৰ প্ৰচাৰ আৰু জনসজাগতা প্ৰৱৰ্তন।

৫) নদী আৰু নলাবোৰ পৰিষ্কাৰ কৰি ৰখা।

৬) ৰাস্তা, ফুটপাথ আৰু জনসাধাৰণৰ বসতিস্থলবোৰ পৰিষ্কাৰ কৰি ৰখা।

৭) গ্ৰাম পঞ্চায়তৰ জৰিয়তে কঠিন আৰু তৰল আৱৰ্জনাৰ ভাল ব্যৱস্থাপনা নিশ্চিত কৰা।

৮) ধৰ্মীয় স্থানবোৰ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখা।

৯) প্ৰতিজন নাগৰিকক পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বিষয়ে সজাগ কৰা।

সেয়েহে উল্লেখযোগ্য যে, অহা ২০১৯ চনৰ ২ অক্টোবৰ 'গান্ধী জয়ন্তী'ত হ'ব লগা গান্ধীজীৰ জন্মবাৰ্ষিকীৰ পূৰ্বে এই স্বচ্ছতা অভিযান পৰিপূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

**কাৰ্যকৰী সম্প্ৰচাৰ ঃ**

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আঁচনিখন বহলভাৱে কাৰ্যকৰী হ'বলৈ কেইজনমান ব্যক্তিৰ নাম মনোনীত কৰিছে। তেওঁলোকৰ ভিতৰত অনিল আম্বানী, প্ৰিয়ংকা চোপ্ৰা, শচীন তেণ্ডুলকাৰ, সৌৰভ গাংগুলী, ছলমান খান, নাগালেণ্ডৰ ৰাজ্যপাল পদ্মনাভ আচাৰ্য্য, সোণাল মানসিং অন্যতম। ইয়াৰ লগত জড়িত অনুষ্ঠানসমূহেও আঁচনিখন কাৰ্যকৰী হোৱাত অশেষ অৱদান আগবঢ়াইছে। যেনে— 'ইনষ্টিটিউট অৱ চাৰ্টাৰ্ড একাউণ্টেছি অৱ ইণ্ডিয়া', 'ইণ্ডিয়া টুডে' আদি।

**সামৰণি ঃ**

'স্বচ্ছ ভাৰত অভিযান' ভৱিষ্যতৰ এক সুন্দৰ আঁচনি, য'ত ব্যক্তিৰ সন্মিলিত প্ৰচেষ্টাৰ খুবেই প্ৰয়োজন। এজন ব্যক্তিয়ে এদিনতে ইয়াক কৰা সম্ভৱপৰ নহয়। আমি সকলোৱে নিজৰ অঞ্চলত ইয়াৰ বিষয়ে জনসজাগতা সৃষ্টি কৰি এখন নিৰ্মল, নিকা, স্বচ্ছ ভাৰতবৰ্ষ গঢ়ি তুলিবলৈ হাতে-কামে লগা উচিত। গছপুলি ৰোপণ কৰি, নলা-নৰ্দমা চাফা কৰিও আমি বহুত পৰিৱৰ্তন আনিব পাৰো। চৰকাৰে বহুতো আঁচনি প্ৰৱৰ্তন কৰিছে, সেইবোৰৰ লগত আমি জড়িত হৈ পৰিব লাগে। উদাহৰণস্বৰূপে, চৰকাৰে নগৰ অঞ্চলৰ গোটা আৱৰ্জনাবোৰ সম্পূৰ্ণ বৈজ্ঞানিক পদ্ধতিৰে পুনৰ ব্যৱহাৰযোগ্য কৰি তুলিবলৈ আঁচনি হাতত লৈছে। এনে অৱস্থাত আমিও সহযোগ কৰিবলৈ আৱৰ্জনাবোৰ জ্বলাই-পুৰি পৰিৱেশ ধ্বংস নকৰি সেইবোৰ পৃথককৈ পেলোৱাৰ দৰে বহুতো কাম কৰিব পাৰো। যিহেতু এজন ব্যক্তিয়ে অকলে সমাজ পৰিৱৰ্তন কৰিব নোৱাৰে গতিকে আমি সকলোৱে একত্ৰিত হৈ লগে-ভাগে দেশৰ উন্নয়নৰ কাম কৰা আমাৰ কৰ্তব্য। সৰ্বশেষত আমি সকলোৱে এই আঁচনিৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হোৱা উচিত।❐

# লভিতা নাটক

**ৰিম্পী নাথ**
*তৃতীয় ষাণ্মাসিক, বেলতলা মহাবিদ্যালয়*

**জ্যোতিপ্ৰসাদ** আগৰৱালাৰ ৰচিত 'লভিতা' নাটখন প্ৰথম প্ৰকাশ হৈছিল ১৯৪৮ চনত। ১৯৪৭ চনৰ পূজাত ডিব্ৰুগড়ৰ ৰংগমঞ্চত প্ৰথম নাটখন মঞ্চস্থ কৰা হৈছিল। নাটখনি পাঁচটা অংকত বিভক্ত আৰু তেৰটা দৃশ্যত সংযুক্ত সমাপতিৰে সামৰণি মাৰিছে। ইয়াৰ প্ৰথম অংকত তিনিটা দৃশ্য, দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ অংকত দুটাকৈ দৃশ্য, পঞ্চম অংকত তিনিটা দৃশ্য আৰু সমাপতিৰ সংযোগ ঘটোৱা হৈছে।

নাটখনৰ মুখ্য সমল বিয়াল্লিছৰ ভাৰত ত্যাগ আন্দোলন আৰু দ্বিতীয় বিশ্বযুদ্ধৰ আধাৰত পট নিৰ্মাণ কৰিছে যদিও ইয়াৰ মূল পটভূমি ১৯৪১ চনত তেজপুৰৰ শালনিত নিৰ্মাণ কৰা বিমানঘাটি। ইংৰাজে শালনিত বিমানঘাটি নিৰ্মাণ কৰাত, তাৰ ওচৰৰ গাতে লাগি থকা কেইবাখনো অসমীয়া গাঁও তুলি দিয়া হয়। সেই গাঁৱেৰে এঘৰে নিজা ভেটি নেৰিব বুলি গোৰ্খা চিপাহীৰ হাতত প্ৰাণ আহুতি দিয়ে। শেষত কংগ্ৰেছ স্বেচ্ছাসেৱকৰ বুজনিত গাঁওবাসীয়ে মাতি এৰিবলৈ মান্তি হয়। এনে ঐতিহাসিক ঘটনাৰ আধাৰত 'লভিতা' নাটখন ৰচনা কৰে, কিন্তু 'লভিতা' ঐতিহাসিক নাটক নহয়। সম্পূৰ্ণ নাট্যকাৰৰ মৌলিক সৃষ্টি।

নাটখনৰ মূল বিষয়বস্তু বিয়াল্লিছ আৰু দ্বিতীয় মহাসময়ৰ অসমত হোৱা সঁচা ঘটনাৱলীৰ ওপৰত প্ৰতিষ্ঠিত। অৰ্থাৎ নাটখনত যিবোৰ ঘটনা উপস্থাপন কৰা হৈছে সেইবোৰ সঁচা ঘটনা। সেয়েহে 'লভিতা' নাটখনকেই প্ৰথম অসমীয়া বাস্তৱধৰ্মী নাটক বুলি কোৱা হয়। নাট্যকাৰে 'লভিতা' নাটখনৰ বিষয়বস্তুৰ উমান দিবলৈ গৈ পাতনিত উল্লেখ কৰিছে— 'লভিতা যদিও নাট্যকাৰে ৰংগমঞ্চৰ কাৰণেই লিখা হৈছে, তথাপিও ই গতানুগতিক নাটকৰ শাৰীত নপৰে। ইয়াত সচৰাচৰ যেনেকৈ নাটকত আখ্যান, প্লট, চৰিত্ৰাংকন থাকে, ঠিক সেইদৰে সেইবোৰ ইয়াত দিয়া হোৱা নাই। আখ্যান যদিও তাক মাত্ৰ নাটকীয় ঘটনাৱলী গাঁঠিবলৈ সূত্ৰৰ দৰেহে লোৱা হৈছে। প্লট ইয়াত দেখুৱাব খোজা নাই। নায়ক-নায়িকা হিচাপে ইয়াত চৰিত্ৰ নাই। ইয়াৰ নায়ক গোটেই অসমীয়া ৰাইজেই। অসমীয়া সমাজে কেনেকৈ বেলেগ বেলেগ জীৱন ক্ষেত্ৰত সেই ক্ষেত্ৰৰ মাজেদি জাতিৰ সক্ষমতা বা অক্ষমতা দেখুৱাইছে, তাকেই এই নাটকত পাব।'

'লভিতা' নাটখনিৰ কোনো সু-সংহত কাহিনী নাই যদিও লভিতা চৰিত্ৰটিয়ে নাটকখনৰ

"

*লভিতা যদিও নাট্যকাৰে ৰংগমঞ্চৰ কাৰণেই লিখা হৈছে, তথাপিও ই গতানুগতিক নাটকৰ শাৰীত নপৰে। ইয়াতে সচৰাচৰ যেনেকৈ নাটকত আখ্যান, প্লট, চৰিত্ৰাংকন থাকে, ঠিক সেইদৰে সেইবোৰ ইয়াতে দিয়া হোৱা নাই। আখ্যান যদিও তাক মাত্ৰ নাটকীয় ঘটনাৱলী গাঁঠিবলৈ সূত্ৰৰ দৰেহে লোৱা হৈছে। প্লট ইয়াতে দেখুৱাব খোজা নাই। নায়ক-নায়িকা হিচাপে ইয়াতে চৰিত্ৰ নাই। ইয়াৰ নায়ক গোটেই অসমীয়া ৰাইজেই। অসমীয়া সমাজে কেনেকৈ বেলেগ বেলেগ জীৱন ক্ষেত্ৰত সেই ক্ষেত্ৰৰ মাজেদি জাতিৰ সক্ষমতা বা অক্ষমতা দেখুৱাইছে, তাকেই এই নাটকত পাব।'*

"

কাহিনীৰ মূল সূত্ৰ। আৰম্ভণিৰ পৰা শেষলৈকে নাটকখনত লভিতাই মুখ্য ভূমিকা পালন কৰা দেখা যায়। 'লভিতা' নাটৰ মূল কাহিনী মূলতঃ দ্বিতীয় বিশ্বযুদ্ধৰ জাপানী সেনাৰ অকস্মাৎ বোমা বিস্ফোৰণত বাণেশ্বৰ বৰুৱা আৰু তেওঁৰ পৰিয়ালটো পুৰি ছাৰখাৰ হয়। ফলত লভিতা মাউৰী হয় আৰু যুদ্ধৰ পৰিৱেশ-পৰিস্থিতিৰ বাবে লভিতা নিৰাপত্তাহীনতাত ভূগে। তেতিয়া প্ৰণয়প্ৰাৰ্থী গোলাপে লভিতাক মৌজাদাৰৰ ঘৰত ৰাখি দিয়ে। মৌজাদাৰৰ ঘৰৰ ভেম, তথাকথিত আভিজাত্য আৰু দেশপ্ৰেমহীন মনোবৃত্তিৰ বাবে লভিতাই তাত গৈ বেছিদিনলৈ থাকিব নোৱাৰিলে। স্বাধীনচিতীয়া লভিতাই মৌজাদাৰৰ ঘৰৰ পৰা ওলাই আহে যদিও নিগ্ৰো সৈন্যৰ দ্বাৰা ধৰ্ষিতা হোৱাৰ উপক্ৰম হওতে এজন ডেকা পুলিচ এ. এছ. আইৰ দ্বাৰা লভিতাক ৰক্ষা কৰি অকলশৰীয়া ইলাহী বক্সৰ হাতত গতাই দিয়ে।

ধৰ্মীয় সামাজিক ব্যাধিৰ বাবে কোনোৱে লভিতাক সহানুভূতি নেদেখুৱালে, আনকি প্ৰেমিক গোলাপো পিছহুঁহকি আহিল। গোলাপৰ দৃষ্টিভংগী বুজিব পাৰি লভিতাই গোলাপক তীব্ৰ বাক্যবাণ নিক্ষেপ কৰি হৃদয়ৰ পৰা চিৰদিনৰ বাবে বিসৰ্জন দি সেই স্থান ত্যাগ কৰে। ইয়াৰ পাছত লভিতাক এ. আৰ. পি. অফিচাৰে নাৰ্হত যোগ দিয়াৰ বাবে পৰামৰ্শ দিয়ে। পৰিৱেশ-পৰিস্থিতিৰ তাড়নাত পৰি লভিতাই নাৰ্হৰ কামত যোগদান কৰি কহিমালৈ যায়। তাত গৈ জাপানী সৈন্যৰ হাতত বন্দী হয় আৰু তাইক আজাদ হিন্দ ফৌজৰ হাতত গতাই দিয়ে। লভিতাই আজাদ হিন্দ ফৌজৰ আদৰ্শত উদ্বুদ্ধ হৈ মনৰ পৰিৱৰ্তন ঘটিল আৰু দেশ উদ্ধাৰৰ বাবে আজাদ হিন্দ ফৌজত যোগ দিয়ে। শেষত আজাদ হিন্দ ফৌজৰ লগত বৃটিছ সৈন্যৰ তুমুল যুদ্ধ হয়, সেই যুদ্ধত লভিতাই হাতত চঙ্গীন লগোৱা বন্দুক লৈ ৰণচণ্ডী মূৰ্তিৰে তিলা এটাৰ ওপৰত থিয় হয় আৰু বৃটিছৰ বন্দুকৰ গুলীত ঢলি পৰে। শেষত লভিতাই দেশমাতৃৰ মাটিৰে কপালত ফোঁট লৈ এটি অসমীয়া গীত শুনি শুনি পৰম দেশপ্ৰেমৰ ভাবত মৃত্যুবৰণ কৰে।

**'লভিতা' নাটৰ চৰিত্ৰ বিশ্লেষণ ঃ**

'লভিতা নাটকখনৰ চৰিত্ৰ বিশ্লেষণ কৰিবলৈ গ'লে দেশা যায় যে, নাট্যকাৰ জ্যোতিপ্ৰসাদ আগৰৱালাই গতানুগতিক নাট ৰচনাৰ পৰিৱৰ্তে এক নতুন ধ্যান-ধাৰণাৰে অগতানুগতিকভাৱে 'লভিতা' নাটখন সৃষ্টি কৰিছে। অৰ্থাৎ গতানুগতিক নাটৰ দৰে কোনো একক চৰিত্ৰ বা নায়ক-নায়িকা নিৰ্দিষ্টকৈ অংকন কৰা নাই।

সেয়ে নাট্যকাৰৰ দৃষ্টিত 'লভিতা' নাটৰ চৰিত্ৰ সম্পৰ্কে পাতনিত উল্লেখ কৰিছে এনেদৰে— 'নায়ক-নায়িকা হিচাপে ইয়াত চৰিত্ৰ নাই। ইয়াৰ নাটক গোটেই অসমীয়া ৰাইজেই।' আকৌ উল্লেখ কৰিছে— 'এই নাটকত যিবোৰ ঘটনা আৰু চৰিত্ৰ দিয়া হৈছে, সেইবোৰ সকলো বিয়াল্লিছ আৰু দ্বিতীয় মহাসমৰৰ অসমত হোৱা সঁচা ঘটনাৱলীৰ ওপৰত প্ৰতিষ্ঠিত।' অৰ্থাৎ নাট্যকাৰ সৃষ্ট চৰিত্ৰসমূহ অসমীয়া সমাজ-জীৱনৰ সৈতে খাপ খোৱাকৈ বাস্তৱ দৃষ্টিভংগীৰে উপস্থাপন কৰিছে, তাত কোনো সন্দেহ নাই।

*লভিতাই আজাদ হিন্দ ফৌজৰ আদৰ্শত উদ্বুদ্ধ হৈ মনৰ পৰিৱৰ্তন ঘটিল আৰু দেশ উদ্ধাৰৰ বাবে আজাদ হিন্দ ফৌজত যোগ দিয়ে। শেষত আজাদ হিন্দ ফৌজৰ লগত বৃটিছ সৈন্যৰ তুমুল যুদ্ধ হয়, সেই যুদ্ধত লভিতাই হাতত চঙ্গীন লগোৱা বন্দুক লৈ ৰণচণ্ডী মূৰ্তিৰে তিলা এটাৰ ওপৰত থিয় হয় আৰু বৃটিছৰ বন্দুকৰ গুলীত ঢলি পৰে। শেষত লভিতাই দেশমাতৃৰ মাটিৰে কপালত ফোঁট লৈ এটি অসমীয়া গীত শুনি শুনি পৰম দেশপ্ৰেমৰ ভাৱত মৃত্যুবৰণ কৰে।*

নাট্যকাৰে 'লভিতা' নাটকখনত চৰিত্ৰসমূহ দুটা ভাগত ভাগ কৰিছে। এটা তিৰোতা, আনটো মুনিহ। তিৰোতাৰ অন্তৰ্গত চৰিত্ৰসমূহ হ'ল—

(i) লভিতা— ফুলগুৰি গাঁৱৰ খেতিয়ক বাণেশ্বৰ বৰুৱাৰ জীয়েক।
(ii) সোণ, ৰূপ, হীৰা— ফুলগুৰি গাঁৱৰ গাভৰু ছোৱালী।
(iii) মৌজাদাৰণী— লহৰজান মৌজাৰ মৌজাদাৰৰ ভাৰ্যা।

কেইজনীমান অসমীয়া নাৰ্ছ। নগা বগা ছোৱালী, ব্ৰহ্মদেশীয় ছোৱালী।

মুনিহৰ ভিতৰত থকা চৰিত্ৰসমূহ হ'ল—

(i) বাণেশ্বৰ বৰুৱা— লভিতাৰ বাপেক।
(ii) গোলাপ— ফুলগুৰি গাঁৱৰ এজন শিক্ষিত ডেকা।
(iii) পুলিচ চাহাব।
(vi) পুলিচ ইন্সপেক্টৰ।
(v) পুলিচ এ. এছ. আই।
(vi) এ. আৰ. পি. অফিচাৰ— গোলঘাট অঞ্চলৰ।
(vii) মৌজাদাৰ— লহৰজানৰ।
(viii) ইলাহী বক্স— এজন লহৰজান গাঁৱৰ মুছলমান বুঢ়া।
(ix) লেফটেনেণ্ট বৰুৱা— আজাদ হিন্দ ফৌজৰ অসমীয়া লেফটেনেণ্ট।
(x) ডাক্তৰ হাজৰিকা— জাপানীয়ে ধৰি নিয়া এজন ডাক্তৰ।
(xi) কেপ্টেইন শৰ্মা— এজন মিলিটাৰী অফিচাৰ।
(xii) কেপ্টেইন সেনাপতি— এজন আসাম ৰেজিমেণ্টৰ অফিচাৰ।
(xiii) গাঁওবুঢ়া— লহৰজান মৌজাৰ।
(xiv) শিখ কামাণ্ডাৰ— আজাদ হিন্দ ফৌজৰ কামাণ্ডাৰ।

'লভিতা' নাটখনত সন্নিৱিষ্ট চৰিত্ৰসমূহৰ কোনো এটি চৰিত্ৰমূল চৰিত্ৰৰ ভূমিকাত অৱতীৰ্ণ হোৱা দেখা পোৱা নাযায়। কেৱল লভিতা চৰিত্ৰটিয়ে নাটখনৰ আৰম্ভণিৰ পৰা শেষলৈকে মুখ্য ভূমিকাত অৱতীৰ্ণ হোৱা দেখা যায়। এনে দৃষ্টিকোণৰ পৰা নাটকখনত নায়ক-নায়িকাৰ স্থান নাই। কিন্তু 'লভিতা' নাটকখন যদি আমি গতানুগতিক নাট্যধাৰাৰে চৰিত্ৰ বিশ্লেষণ কৰিবলৈ যাওঁ, তেন্তে দেখা পাওঁ— লভিতা চৰিত্ৰটিয়ে হ'ল নাটকখনৰ মুখ্য চৰিত্ৰ। অৰ্থাৎ নায়িকা হ'ল লভিতা। আনহাতে নাটকখনৰ নায়ক চৰিত্ৰ বিচাৰি গ'লে গোলাপ চৰিত্ৰটিক নিৰ্ণয় কৰিব লাগে যদিও গোলাপ চৰিত্ৰটি সম্পূৰ্ণ নায়কৰ ভূমিকাত নাট্যকাৰে অৱতীৰ্ণ কৰা নাই। আনহাতে বাকী চৰিত্ৰবোৰ পাৰ্শ্ব চৰিত্ৰ। নাট্যকাহিনী আৰু পটভূমি আগবঢ়াই লওঁতে চৰিত্ৰবোৰৰ সংযোজন কৰিছে।❐

# নিদৰ্শনসহ সাহিত্যৰ শ্ৰেণীবিভাগৰ বিশেষত্ব

**চয়নিকা ডেকা**
*তৃতীয় ষাণ্মাসিক, বেলতলা মহাবিদ্যালয়*

**লিখন** শিল্পক এক কথাত সাহিত্য বোলা হয়। 'সত' আৰু 'হিত' এই দুয়োটা শব্দৰ পৰাই সাহিত্য শব্দটোৰ সৃষ্টি হৈছে। প্ৰাথমিকভাৱে সাহিত্যক পদ্য, গদ্য আৰু নাটক এই তিনি ধাৰাত ভগোৱা হৈছে। সাহিত্য হ'ল সমাজৰ দাপোণস্বৰূপ। সমাজত বৰ্তি থকা আৱেগ-অনুভূতি, বিদ্ৰোহ-আকাংক্ষা, মৰম-অত্যাচাৰ আদি বিভিন্ন দিশক সাহিত্যৰ মাজেদি প্ৰতিফলিত কৰা হয়। সামাজিক জনজীৱনৰ প্ৰতিটো দশকে ভাষাৰ সহায়ত সাহিত্যৰ যোগেদি প্ৰকাশ কৰিব পাৰি। সাহিত্য অবিহনে এটা ভাষা বা জাতি জীয়াই থাকিব নোৱাৰে। সাহিত্য চৰ্চাই ভাষা বা জাতিক উন্নতিৰ পথত আগুৱাই নিয়াত প্ৰত্যক্ষভাৱে সহায় কৰে।

প্ৰধান ক্ষেত্ৰত সাহিত্যক উপন্যাস, কবিতা, নাটক, চুটিগল্পক  আদিত ভাগ কৰা হৈছে। এইবোৰৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

**উপন্যাস ঃ**

সাহিত্যৰ বিভিন্ন অংগৰ ভিতৰত মানৱ জীৱন পূৰ্ণভাৱে স্বীকৃতি কৰাৰ সৰ্বোৎকৃষ্ট মাধ্যম হ'ল উপন্যাস। উপন্যাসৰ মাজেৰে মানৱ জীৱনৰ পূৰ্ণাংগ সুস্থ আৰু বৈশিষ্ট্যপূৰ্ণ ৰূপৰেখা অংকন কৰিব পাৰি। উপন্যাসে সমাজৰ সকলো স্তৰৰ লোকৰ মন আকৰ্ষিত কৰিব পাৰে। উপন্যাসে সমাজৰ সকলো স্তৰৰ লোকৰ মন আকৰ্ষিত কৰিব পাৰে। উপন্যাস মুক্ত আৰু স্বতন্ত্ৰ সেইকাৰণে ই বিশুদ্ধ সাহিত্যৰ অন্তৰ্ভুক্ত।

উপন্যাসৰ শ্ৰেষ্ঠত্ব নিৰ্ভৰ কৰে মানৱ জীৱনৰ সুগভীৰ অনুভূতিৰাজিৰ চৰিত্ৰৰ স্বৰূপ চিত্ৰণ। গতিকে মানৱ জীৱনৰ লগত জড়িত হ'লেই উপন্যাস উৎকৃষ্ট সাহিত্য হ'ব পাৰে। উপন্যাসৰ কেইটামান বিশিষ্ট উপাদান—

(১) কাহিনী
(২) চৰিত্ৰ
(৩) কথোপকথন
(৪) পৰিৱেশ সৃষ্টি

*সাহিত্যৰ বিভিন্ন অংগৰ ভিতৰত মানৱ জীৱন পূৰ্ণভাৱে স্বীকৃতি কৰাৰ সৰ্বোৎকৃষ্ট মাধ্যম হ'ল উপন্যাস। উপন্যাসৰ মাজেৰে মানৱ জীৱনৰ পূৰ্ণাংগ সুস্থ আৰু বৈশিষ্ট্যপূৰ্ণ ৰূপৰেখা অংকন কৰিব পাৰি। উপন্যাসে সমাজৰ সকলো স্তৰৰ লোকৰ মন আকৰ্ষিত কৰিব পাৰে। উপন্যাসে সমাজৰ সকলো স্তৰৰ লোকৰ মন আকৰ্ষিত কৰিব পাৰে। উপন্যাস মুক্ত আৰু স্বতন্ত্ৰ সেইকাৰণে ই বিশুদ্ধ সাহিত্যৰ অন্তৰ্ভুক্ত।*

(৫) লেখকৰ জীৱন দৰ্শন

**(১) কাহিনী ঃ** উপন্যাস প্ৰধানতঃ গল্পৰ ৰূপ। উপন্যাসৰ গল্পৰ ক্ষেত্ৰত দুটা কথামন কৰিবলগীয়া। প্ৰথমতে গল্পটো সৰল আৰু আকৰ্ষণীয় হ'ব লাগিব। গল্প ভালেই উপন্যাস ভাল বুলি ক'ব পাৰি। দ্বিতীয়তে, ইয়াৰ প্ৰকাশভংগী কৌতূহল সৃষ্টি কৰিব পাৰিব লাগিব। যিটো গল্পই যিমানে আকৰ্ষণীয় হৈ উঠে, সেই আকৰ্ষণৰ সৃষ্টিৰ কাৰণে লেখকৰ বৰ্ণনা কৌশলৰ বিশেষ প্ৰয়োজন। গল্পই যেতিয়া কাৰ্যকাৰণ সূত্ৰত আবদ্ধ হৈ পৰে। তেতিয়াই সি কাহিনীত পৰিণত হয়।

উপন্যাসৰ কাহিনী পৰিৱেশন নীতি তিনিটা—

(ক) প্ৰত্যক্ষ বা কাব্যিক

(খ) আত্মভাষণমূলক

(গ) পত্ৰমূলক

**(২) চৰিত্ৰ ঃ** উপন্যাস কাহিনীতকৈ চৰিত্ৰৰ গুৰুত্ব অধিক উপন্যাসৰ চৰিত্ৰবোৰ বাস্তৱ, জীৱন আৰু স্বত সম্পূৰ্ণ হোৱা বাঞ্ছনীয়। উপন্যাসৰ চৰিত্ৰ সৃষ্টি জটিল। উপন্যাসৰ সকলোবোৰ কথা লেখকে বৰ্ণনাৰ মাজেদি প্ৰকাশ কৰিব লগা হয়।

**(৩) কথোপকথন ঃ** কাহিনী আৰু চৰিত্ৰৰ পিছতে উপন্যাসৰ আন এটা উল্লেখযোগ্য উপাদান হ'ল কথোপকথন সুপৰিৱেশত কথোপকথনে উপন্যাস আকৰ্ষণীয় গুণ বৃদ্ধি কৰে। কথা-বতৰাৰ মাজেদি মানুহৰ মাজত যেনেকৈ আন্তৰিকতাৰ সৃষ্টি হয়। তেনেকৈ কথোপকথনৰ জৰিয়তে চৰিত্ৰ আৰু পাঠকৰ মাজত ঘনিষ্ঠ সম্পৰ্ক সৃষ্টি হয়। তদুপৰি ইয়াৰ জৰিয়তে বৰ্ণনীয় বিষয় অধিক স্পষ্ট হৈ পৰে।

*ঔপন্যাসিকৰ জীৱন দৰ্শনৰ অন্তৰালত বহু ক্ষেত্ৰত নৈতিক আদৰ্শ নিহিত থাকে। ঔপন্যাসিকৰ প্ৰধান কৰ্তব্য হ'ল মানুহৰ জীৱনৰ পৰা ঔপন্যাসিকে জীৱনক লৈ খেলা কৰে সেইকাৰণে ঔপন্যাসিকে নৈতিক পৰম্পৰা আঁতৰি থকাটো সম্ভৱ নহয়।*

**(৪) পৰিৱেশ সৃষ্টি ঃ** পৰিৱেশ সৃষ্টি উপন্যাসৰ আন এটা উল্লেখযোগ্য উপাদান। নাটকৰ পৰিৱেশ সৃষ্টিতকৈ উপন্যাসৰ পৰিৱেশ সৃষ্টি জটিল। নাটকীয় অভিনয়ত বাদ্যযন্ত্ৰ, সাজ-পাৰ, মঞ্চ কৌশলে পৰিৱেশ সৃষ্টিত বিশেষ সাহায্য কৰে কিন্তু উপন্যাসত সেই সকলোবোৰ কথা বৰ্ণনাৰ মাজেদি ফুটাই তুলিব লগা হয়। পৰিৱেশক দুটা ভাগত ভাগ কৰিব পাৰি।

(ক) সামাজিক

(খ) বাস্তৱিক

দুয়োটা স্তৰৰ ভিতৰত প্ৰথমটো বিশেষ গুৰুত্বপূৰ্ণ।

**(৫) ঔপন্যাসিকৰ জীৱন দৰ্শন ঃ** উপন্যাসৰ সম্পৰ্ক মানৱ জীৱনৰ লগত। সেই মানৱ জীৱনৰ চিত্ৰ আঁকিবলৈ যাওঁতে জীৱন সম্পৰ্কে থকা ঔপন্যাসিকৰ ব্যক্তিগত ধাৰণা দুটা ৰূপত প্ৰকাশ হয়।

(ক) প্ৰত্যক্ষৰূপে।

(খ) পৰোক্ষৰূপে।

**(ক) প্ৰত্যক্ষৰূপে ঃ** নাটকৰ নাট্যকাৰৰ জীৱন দৰ্শন পৰোক্ষ ৰূপত সৃষ্টি উঠে কিন্তু উপন্যাসত প্ৰত্যক্ষ আৰু পৰোক্ষ দুয়োৰকমে লেখকৰ ধাৰণা ব্যক্ত হ'ব পাৰে। ঔপন্যাসিকৰ কৰ্তব্য জীৱনৰ ঘাত-প্ৰতিঘাত চিত্ৰণ কৰাকহে দাৰ্শনিক তত্ত্ব প্ৰতিপালন কৰাত নহয়। সেইকাৰণে উপন্যাসত ঘটনাৰ স্বাৰ্থ মুখ্য জীৱন দৰ্শন গৌণ।

ঔপন্যাসিকৰ জীৱন দৰ্শনৰ অন্তৰালত বহু ক্ষেত্ৰত নৈতিক আদৰ্শ নিহিত থাকে। ঔপন্যাসিকৰ প্ৰধান কৰ্তব্য হ'ল মানুহৰ জীৱনৰ পৰা ঔপন্যাসিকে জীৱনক লৈ খেলা কৰে সেইকাৰণে ঔপন্যাসিকে নৈতিক পৰম্পৰা আঁতৰি থকাটো সম্ভৱ নহয়।

**নাটক ঃ** সকলো শিল্পকৰ্মৰ ভিতৰত নাটককে অতি জটিল কলা বুলি কোৱা হয়। নাটকত বিভিন্ন সুকুমাৰ কলাৰ সংমিশ্ৰণ ঘটে বা মধুৰ সমন্বয়ৰ সাধন হয়। গল্প, উপন্যাস, কবিতা আদি পাঠকে পঢ়িহে উপভোগ কৰিব পাৰি। কিন্তু নাটক পঢ়াৰ উপৰি প্ৰয়োগিক বা দৃশ্য শ্ৰব্য ৰূপেৰেও অনুভৱ কৰিব পাৰি। নাটকৰ প্ৰধান বিশেষত্ব হ'ল দৃশ্যধৰ্মিতা।

**নাটকৰ উপাদানসমূহ ঃ**

**(ক) মূল ভাৱনা ঃ** একোখন নাটককে দৰ্শকসকলক কিবা ক'ব বা দেখুওৱা বিচাৰে। নাটকৰে একোটি ধাৰণাকে অৱলম্বন কৰি এটি কাহিনী তৈয়াৰ কৰে। কাহিনীৰ মাধ্যমেৰেই নাটকৰে তেখেতৰ ধাৰণাটো কয়। নাট্যকাৰৰ এই বক্তব্যই বা কাহিনী এই মূল ধাৰণা।

**(খ) কাহিনী ঃ** নাটকত সাধাৰণতে একোটা ঘটনা থাকে। কাহিনীৰ আৰম্ভণি এক বা একাধিক মানুহৰ বা চৰিত্ৰৰ বৰ্ণনা থাকে। নাটকৰ প্ৰধান কাহিনীৰ ওচৰা-উচৰিকৈ উপকাহিনী বা ছাব-প্লট থাকিব পাৰে।

**(গ) চৰিত্ৰ ঃ** নাটকত যি লোকসকলৰ কাহিনী বৰ্ণনা কৰা হয়। সেইসকলেই নাটকৰ চৰিত্ৰ থাকে।

**(ঘ) সংলাপ ঃ** নাটকৰ চৰিত্ৰৰ বা পাত্ৰ-পাত্ৰীসকলে কথোপকথন হিচাপে যি কয় সেয়াই সংলাপ। পোনপটীয়াকৈ ক'বলৈ গ'লে নাটকৰ চৰিত্ৰৰ মুখৰ কথাবোৰেই সংলাপ বোলে।

**চুটিগল্প ঃ** বৰ্তমান যুগত সাহিত্যৰ বিভিন্ন অংগৰ ভিতৰত সবতোকৈ সমৃদ্ধশালী হ'ল চুটিগল্প।

সাহিত্যৰথী বেজবৰুৱাই সাধুকথা আৰু চুটিগল্পৰ মাজত কোনো পাৰ্থক্য দেখা নাছিল। তেখেতৰ সাধুকথাৰ কুকিৰ অন্তৰ্ভুক্ত সাধুকথাবোৰ চুটিগল্পৰ অন্যতম উৎকৃষ্ট নিদৰ্শন।❒

**মহান ব্যক্তিৰ উক্তি**

কিতাপে বিশ্ব ব্ৰহ্মাণ্ডক ইয়াৰ আত্মা প্ৰদান কৰে, মনক ডেউকা প্ৰদান কৰে, কল্পনাক উৰাৰ সক্ষমতা আৰু সকলোকে জীৱনময় কৰি তোলে।

**প্লেট'**

জীৱাই থকাৰ বাবে পৃথিৱীখন অতি ভয়াবহ ঠাই। এয়া অসত মানুহৰ বাবে হোৱা নাই, হৈছে নিবনুৱা সকলৰ বাবেহে।

**আইনষ্টাইন**

# জুবিন গাৰ্গৰ জীৱনৰ ইতিহাস ঃ অসমৰ হৃদয়ৰ স্পন্দন

**হিমানী পল**
*প্ৰথম ষাণ্মাসিক, বেলতলা মহাবিদ্যালয়*

**জুবিন গাৰ্গ** (জন্মৰ নাম ঃ জুবিন বৰঠাকুৰ, জন্ম— ১৮ নৱেম্বৰ, ১৯৭২) হৈছে অসমীয়া সংগীত আৰু সাংস্কৃতিক জগতৰ এক নৱজাগৰণৰ প্ৰতীক। গায়ক, সংগীত পৰিচালক, গীতিকাৰ, অভিনেতা আৰু চলচ্চিত্ৰ নিৰ্মাতা হিচাপে তেওঁ প্ৰায় দশকজুৰি অসমীয়া আৰু ভাৰতীয় সংগীতত এক গভীৰ প্ৰভাৱ পেলাই আহিছে। তেওঁ হৈছে যুৱ প্ৰজন্মৰ প্ৰাণৰ শিল্পী যাৰ কণ্ঠত বিদ্ৰোহ আৰু প্ৰেমৰ এক অপূৰ্ব সমন্বয় পোৱা যায়।

**প্ৰাৰম্ভিক জীৱন আৰু সংগীতৰ ভেঁটি**

জুবিন গাৰ্গৰ জন্ম হৈছিল মেঘালয়ৰ তুৰাত। তেওঁৰ পিতৃ মোহিনী মোহন বৰঠাকুৰ আৰু মাতৃ স্বৰ্গীয়া ইলি বৰঠাকুৰ। তেওঁৰ মাক এগৰাকী সুগায়িকা আৰু নৃত্যশিল্পী আছিল, যিয়ে জুবিনক সংগীতৰ প্ৰথম শিক্ষা দিছিল। তেওঁৰ পিতৃয়ে তেওঁৰ নাম বিখ্যাত সংগীতজ্ঞ জুবিন মেহতাৰ নামত ৰাখিছিল।



তেওঁ তবলা, কী-ব'ৰ্ড, গীটাৰ, ঢোল, দোতোৰা, মেণ্ড'লিন আদিকে ধৰি প্ৰায় ১২টা বাদ্যযন্ত্ৰ বজোৱাত পাৰদৰ্শী। ১৯৯২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত সোণৰ পদক লাভ কৰাৰ পাছত তেওঁ

পেছাদাৰী সংগীত জীৱনৰ আৰম্ভ কৰে।

'অনামিকা'ৰ পৰা বলিউডলৈ যাত্ৰা ১৯৯২ চনত মুক্তি পোৱা তেওঁৰ প্ৰথম অসমীয়া একক এলবাম 'অনামিকা' আছিল অসমীয়া আধুনিক সংগীতৰ নতুন যুগৰ আৰম্ভণি। এই এলবামৰ যোগেদি তেওঁ অসমীয়া সংগীতেৰে আধুনিক, ৰক আৰু পপৰ সংমিশ্ৰণ ঘটাইছিল, যিয়ে অতি কম সময়ৰ ভিতৰতে যুৱ সমাজৰ মাজত তেওঁক জনপ্ৰিয় কৰি তোলে।

তেওঁৰ পৰৱৰ্তী সফল এলবামসমূহ— মায়া, আশা, যাত্ৰা, চন্দ্ৰাৱলী আদি। ৰাষ্ট্ৰীয় পৰ্যায়ত তেওঁৰ প্ৰৱেশ ঘটিছিল ২০০৬ চনত মুক্তি পোৱা হিন্দী ছবি 'গেংষ্টাৰ'ৰ জনপ্ৰিয় গীত 'ইয়া আলি'ৰ জৰিয়তে। এই গীতটোৱে তেওঁক সৰ্বভাৰতীয় পৰিচয় দিলে আৰু ইয়াৰ বাবে তেওঁ 'শ্ৰেষ্ঠ নেপথ্য কণ্ঠশিল্পী (পুৰুষ)'ৰ জৰিয়তে দুটাকৈ বঁটা লাভ কৰে।

তেওঁ অসমীয়া, বাংলা, হিন্দী, তামিল, তেলুগু, নেপালী আদি ৪০টা ভাষাত প্ৰায় ৩৮,০০০ৰো অধিক গীতত কণ্ঠদান কৰিছে।

**অভিনয় আৰু চলচ্চিত্ৰ নিৰ্মাণ**

জুবিন গাৰ্গ কেৱল এজন গায়কেই নাছিল, তেওঁ আছিল এজন সফল অভিনেতা আৰু চলচ্চিত্ৰ নিৰ্মাতা। ২০০০ চনত তেওঁৰ দ্বাৰা ৰচিত, পৰিচালিত আৰু অভিনীত প্ৰথম ছবি 'তুমি মোৰ মাথোঁ মোৰ' মুক্তি পাইছিল। ইয়াৰ পিছত তেওঁ 'মন যায়', 'দীনবন্ধু' আদিকে ধৰি বহু ছবিত অভিনয় কৰিছে।

তেওঁ পৰিচালিত কেইবাখনো গীত আৰু চলচ্চিত্ৰৰ দৃশ্য আজিও অসমীয়া শিল্পজগতৰ এক অনন্য নিদৰ্শন।

**উল্লেখনীয় সন্মান আৰু বঁটাসমূহ**

ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা (ৰজত কমল) ঃ ইংৰাজী-খাচী ছবি 'Echoes of Silence'ত সংগীত পৰিচালনাৰ বাবে (২০০৭)।

**শ্ৰেষ্ঠ সংগীতকাৰ ঃ** বাংলা ছবি 'শুধু তুমি'ৰ বাবে।

অসমীয়া গৌৰৱ বঁটা, প্ৰেমধন গায়ক বঁটা আৰু বহু জনপ্ৰিয়তাৰ সন্মান লাভ কৰিছিল।

ব্যক্তিগত জীৱন আৰু মানসিক সত্তা ২০০২ চনৰ ৪ ফেব্ৰুৱাৰীত তেওঁ ফেশ্বন ডিজাইনাৰ গৰিমা শইকীয়া গাৰ্গৰ সৈতে বিবাহ বন্ধনত আবদ্ধ হৈছিল। তেওঁ সদায় সাহসী মনোভাৱ, সমাজসেৱা আৰু অসমীয়া জাতিৰ প্ৰতি অকৃত্ৰিম মৰমৰ বাবে পৰিচিত। তেওঁ নিজৰ সংগীতৰ জৰিয়তে সদায় ভালপোৱা, ঐক্য অসমীয়াৰ গৌৰৱৰ কথা প্ৰকাশ কৰিছিল।

**উপসংহাৰ ঃ**

(বৰ্তমান সময়ৰ লগত খাপ খুৱাই এই অংশটো লিখা হৈছে)

জুবিন গাৰ্গৰ দেহাৱসান (১৯ ছেপ্টেম্বৰ, ২০২৫) ঘটিলেও তেওঁ কেৱল এজন সংগীতশিল্পী নহয়, তেওঁ হৈছে অসমীয়া সত্তাৰ প্ৰতীক। যুৱ প্ৰজন্মৰ অনুপ্ৰেৰণা আৰু অসমবাসীৰ হৃদয়ৰ স্পন্দন। তেওঁৰ সৃষ্টি, সুৰ আৰু কণ্ঠ সদায়ে আমাৰ মাজত অনুৰণিত হৈ থাকিব।❐

**মহান ব্যক্তিৰ উক্তি**

*শিক্ষাৰ উদ্দেশ্য হ'ল মানুহক মানুহ ৰূপে গঢ়ি তোলা, মানুহৰ পৰিচয় প্ৰকাশত শিক্ষাৰ অৱদান তুলনাবিহীন।*

**ৰাজা ৰামমোহন ৰায়**

সচেতনতা আৰু জাগৰণৰ মাজত পাৰ্থক্য হ'ল- সচেতনতা হ'ল ইন্ধন, জাগৰণ এক প্ৰকাৰ অগনি; যি অগনিয়ে দুষ্কৃতিক পুৰি ন সৃষ্টিৰ ন গজালি গজাত সহায় কৰে।

**ভূপেন হাজৰিকা**

# শিক্ষা আৰু সংস্কৃতি

**মণিকা দত্ত**
*প্ৰথম ষাণ্মাসিক, বেলতলা মহাবিদ্যালয়*

**শিক্ষা ঃ** শিক্ষা হৈছে মানুহৰ দেহ-মন, বুদ্ধি আৰু নৈতিকতাৰ সমন্বিত বিকাশৰ এক প্ৰক্ৰিয়া। শিক্ষা মানুহক অজ্ঞানতাৰ আন্ধাৰৰ পৰা জ্ঞানৰ পোহৰলৈ লৈ যায়। শিক্ষাৰ দ্বাৰাই মানুহ ভাল-বেয়া বুজিব পাৰে, যুক্তিৰ সহায়ত সিদ্ধান্ত ল'ব পাৰে আৰু সমাজৰ দায়িত্বশীল নাগৰিক হিচাপে নিজৰ ভূমিকা পালন কৰে।

**সংস্কৃতি ঃ** সংস্কৃতিৰ স্বৰূপ অতি বিস্তীৰ্ণ বুলিব পাৰি। ইয়াৰ গতিশীলতা ব্যাপক ৰূপত লক্ষ্য কৰিব পৰা যায়। ব্যক্তিৰ সমষ্টিত সমাজ গঠিত হয়। সেই সমাজভুক্ত ব্যক্তিসকলে কিছুমান নিৰ্দিষ্ট বিশ্বাস, পৰম্পৰা, আচাৰ-আচৰণ মানি চলে। তাৰ সামগ্ৰিক ৰূপেই সংস্কৃতি। সমাজ এখনত বাস কৰা ব্যক্তিৰ দৈনন্দিন জীৱনত ব্যৱহাৰিক উদ্দেশ্যত সমাধা হোৱা ক্ৰিয়া-কলাপসমূহ, যেনে— ৰন্ধা-বঢ়া কৰা, ঘৰ-বাৰী পৰিষ্কাৰ কৰা, খেতি-বাতি কৰা, তাঁত বোৱা, খৰি ফলা ইত্যাদি ভৌতিক উৎপাদনৰ অন্তৰ্গত।

সংস্কৃতি আৰু শিক্ষাৰ মাজত এক অপৰিহাৰ্য সম্পৰ্ক আছে। সংস্কৃতিয়ে শিক্ষাক দিশ দিয়ে আৰু শিক্ষাৰ মাধ্যমেৰে সংস্কৃতি প্ৰজন্মৰ পৰা প্ৰজন্মলৈ হস্তান্তৰিত হয়। সংস্কৃতিয়ে পাঠ্যক্ৰম, শিক্ষাদান পদ্ধতি আৰু বিদ্যালয়ৰ পৰিৱেশৰ নিৰ্ধাৰণ কৰে, আনহাতে শিক্ষা হৈছে সাংস্কৃতিক পৰিৱৰ্তন আৰু উত্তৰাধিকাৰৰ এক শক্তিশালী মাধ্যম।

শিক্ষা আৰু সংস্কৃতিৰ মাজৰ সম্পৰ্কৰ বিভিন্ন দিশসমূহ ঃ

**(১) সংস্কৃতিৰ সংৰক্ষণ আৰু সংবহন ঃ** শিক্ষাই সমাজৰ জ্ঞান, বিশ্বাস, পৰম্পৰা আৰু ৰীতি-নীতি এক প্ৰজন্মৰ পৰা আন প্ৰজন্মলৈ কঢ়িয়াই নিয়াৰ এক প্ৰধান মাধ্যম হিচাপে কাম কৰে।

**(২) সংস্কৃতিৰ বিৱৰ্তন ঃ** শিক্ষাৰ জৰিয়তে নতুন ধাৰণা আৰু জ্ঞানৰ সম্প্ৰসাৰণ হয়, যাৰ ফলত সংস্কৃতিৰ ধাৰাবাহিক বিৱৰ্তন আৰু বিকাশ ঘটে। শিক্ষাই নতুন চিন্তা-ভাবনাৰ জন্ম দিয়ে আৰু সমাজত নতুনত্ব আনে।

**(৩) সামাজিকীকৰণ ঃ** শিক্ষা হৈছে এক সামাজিকীকৰণ প্ৰক্ৰিয়া, য'ত শিক্ষাৰ্থীয়ে সমাজৰ নিয়ম, মূল্যবোধ আৰু আচৰণ শিকি লয়, যি ইয়াৰ সাংস্কৃতিক ভিত্তিৰ ওপৰত নিৰ্ভৰশীল।

**(৪) সাংস্কৃতিক মূল্যবোধৰ বিকাশ ঃ** পাঠ্যক্ৰম আৰু শিক্ষণ পদ্ধতিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত নিজৰ সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধা আৰু গুৰুত্বৰ ভাব জাগৰিত কৰা হয়।❐

অণু গল্প

# সহযাত্ৰী

**এলি কুমাৰী দাস**
*সহকাৰী অধ্যাপিকা, অৰ্থনীতি বিভাগ,*
*বেলতলা মহাবিদ্যালয়*

**ৰাতিপুৱাৰ** পৰাই একেৰাহে চাৰিটা চিজাৰিয়ান কেচ শেষ কৰি ডাঃ মল্লিকাই এইমাত্ৰ আহি চেম্বাৰত বহিছেহি। ভাগৰুৱা দেহাটি তাই চেয়াৰখনত এৰি এখন্তেক চকুদুটা মুদি দিলে। মনত জুমুৰি দি থকা অজস্ৰ চিন্তাবোৰে তাইক যেন হেঁচা মাৰি ধৰিছে।

হঠাৎ উদভ্ৰান্ত হৈ দীপিকা নামৰ নাৰ্চজনী সোমাই আহিল।

...বাইদেউ তৎক্ষনাত আহক।

...বাগানৰ শান্তি মূৰ্মু নামৰ তিৰোতা এজনী চিৰিয়াচ। সাতমহীয়া গৰ্ভৱতী তাই।

...কালি মদাহী গিৰিয়েকৰ অত্যাচাৰত তাই সংজ্ঞাহীন হৈ পৰিছে। ঘৰৰ মানুহে আনি হস্পিতাল পোৱাইছেহি। লৰালৰিকৈ মল্লিকা পেচেন্টৰ ওচৰ পালেগৈ। ইমাৰজেন্চি ওৱাৰ্ডত শান্তিক এডমিট কৰাই তাই প্ৰয়োজনীয় ট্ৰিটমেন্ট খিনি কৰি পুনৰ চেম্বাৰত বহিলগৈ। ওৱাচৰুমৰ দাপোনখনত মল্লিকাই নিজৰ অৱয়বটো তন্ন তন্নকৈ চালে। যোৱানিশা ডাঃ পতি ৰক্তিমৰ প্ৰহাৰত দেহৰ অ'ত ত'ত কলা পৰা অংশবোৰত তাই মলমটো লগাই দীঘল নিশ্বাস এৰিলে...। অন্তৰত হেঁচি ৰখা দুখবোৰ চকুপানী হৈ মল্লিকাৰ দুগাল ওপচাই পেলালে। মনতে ভোৰভোৰাই তাই কলে... শান্তি আমি দুয়ো একেখন সমাজৰে নাৰী ও...।



# বিচাৰ

**জুলাই** মাহৰ ভৰ দুপৰীয়া লৰালৰিকৈ অট' ৰিক্সাৰ পৰা নামি মৃদুলাই গে'টখন খুলি বাৰান্দাৰ চকীখনতে বহি পৰিল। উঃ ইম্মান গৰম... পেন্চনৰ কামখিনি কৰোঁতে অফিচত বহু সময় গল তেখেতৰ, তাৰপিচত ৰিলায়েন্চ শ্বপিংমলত সোমাই ঘৰখনৰ ইটো সিটো বজাৰো অলপ কৰি আনিলে। এবাৰ ঘৰত সোমালে আকৌ ওলাবলৈ একেবাৰে মন নাযায় মৃদুলাৰ। সেইবাবে এবাৰতে সকলো কাম কৰি আহিব পালে ভাল পায়, তাতে আকৌ আজি উবেৰ, ওলা, কেববোৰৰ ষ্ট্ৰাইক চলাৰ বাবে দিনতো বৰ কষ্ট পালে তেওঁ ।

মৃদুলাৰ ঘৰত কাম কৰা ৰমলাই বজাৰৰ বেগখন ভিতৰলৈ দাঙি নিলে। মৃদুলাই তাইক পানী এগিলাচ আনিবলৈ কৈ ড্ৰয়িংৰুমৰ এ চি (বাতানুকুল যন্ত্ৰ) টো অন (on) কৰিব খুজিও ৰৈ গল। এ চিটোৰ পৰা ভুৰুতকৈ ঘনচিৰিকা এটা উৰা মাৰিলে, ভিতৰত পোৱালীবোৰৰ চিৰিক্ চিৰিক্ শব্দ...

মৃদুলাই অলপ ৰৈ ফেনখনকে চলাই দিলে।

তেওঁ মনতে ভাবিলে... থাকক সিহঁতে এ চিটোৰ ভিতৰতে...। কেওকিছু নথকা মৃদুলাৰ ঘৰখনত সিহঁতে আশ্ৰয় বিচাৰি সংসাৰ এখন কৰিছে... গতিকে সিহঁতক খেদিবলৈ তেওঁৰ মনটোৱে নক'লে।



মনত অযুত চিন্তা লৈ তেওঁ চকুদুটা মুদি চোফাতে আউজী দিলে।

মৃদুলাৰ মনৰূপী বিমানখন আগৰ দিনবোৰলৈ উভতি গ'ল। আজি চল্লিশবছৰ আগত তেওঁ এই ঘৰখনলৈ এমাডিমা ল'ৰা-পোৱালী দুটা লৈ সোমাইছিলহি, যেতিয়া গিৰিয়েক বিমানে নিজৰে অফিচৰ ছেক্ৰেটাৰীজনীক আপোন কৰি তেওঁক এঘৰীয়া কৰিছিল সেইদনাখনে মৃদুলাই দেউতাকৰ এনেই পৰি থকা ফাৰ্মহাউচটোত ল'ৰা দুটাৰ স'তে মূৰটো গুজি লৈছিল।

গিৰিয়েকৰ বিপক্ষে কিন্তু তেওঁ কোনো আইনী ব্যৱস্থাও গ্ৰহণ নকৰিলে, কিয় জানো মৃদুলাৰ কাৰো সংসাৰত বাধা দিবলৈ মন নগ'ল। আইনৰ সহায় ল'লে টকা-পইচাহে পাব মানুহৰ মনটো টো নাপায় গতিকে...।

এতিয়া দুয়োটা ল'ৰাই বিদেশত সফল বৈজ্ঞানিক হিচাবে নিজকে প্ৰতিষ্ঠা কৰিছে। মৃদুলাক সিহঁতে নিজৰ লগত নিবলৈ বৰকৈ টানি ধৰিছিল, কিন্তু তেওঁ নিজেই ইচ্ছা নকৰিলে। হাজাৰ হওক নিজৰ ঠাইখন তেওঁ এৰি থাকিব নোৱাৰে, তাৰবাবে মৃদুলাৰ অকনো দুখ নতুবা আপচোচো নাই। ইয়াৰ পৰাই তেওঁ সিহঁতক আশীৰ্বাদ কৰে, প্ৰাৰ্থনা কৰে যাতে ভগৱানে সিঁহতৰ পৰিয়ালটো কুশলে ৰাখে। সৰু ল'ৰাটোৰ জাৰ্মানী বোৱাৰীগৰাকীয়ে ভঙা-ভঙা অসমীয়াত ভিডিঅ' ক'লিং কৰি দুদিন আগতে মৃদুলাক জনাইছে কেনেকৈ তেওঁৰ ল'ৰাটোৱে নতুন নতুন আৱিষ্কাৰ কৰিছে...। মৃদুলাৰ মনটো কিবা এটা সন্তুষ্টিৰে ভৰি পৰে।

এতিয়া মৃদুলা অকলশৰীয়া। মাক-দেউতাক কেতিয়াবাই স্বৰ্গগামী হ'ল। মাকৰ ঘৰত কাম কৰা ৰহিমলাৰ ছোৱালী ৰমলাই এতিয়া মৃদুলাৰ ঘৰখন চোৱাচিতা কৰে। মৃদুলাই ওচৰৰ মহিলা সমিতিৰ লগৰীয়াসকলৰ লগত তীৰ্থ ভ্ৰমণ কিম্বা দেশৰ চুকে-কোণে ফুৰিব গ'লে ৰমলাও তেওঁৰ লগত যায়। গতিকে ইজনে সিজনৰ সহচৰী বুলিলেও ভুল কোৱা নহ'ব। জীৱনত পোৱা নোপোৱাৰ হিচাব কৰিবলৈ মৃদুলাই অকনো ভাল নাপায়। তেওঁৰ মতে মানুহে য'তে সন্তুষ্টি পায় তাকে কৰিব লাগে। পোৱা নোপোৱাৰ বিচাৰ কৰি জানো কিবা লাভ হ'ব? মাজে মাজে ৰমলাই ঘৰটোৰ চুকত বাহ লোৱা চৰাইৰ ঘোচলাবোৰ ভাঙিব ওলালে মৃদুলাই বাধা দি কয় — ৰমলা, থাকক দে নাভাঙিবি সিহঁতৰ সংসাৰবোৰ।

সংসাৰবোৰ ভাঙিলে জোৰা লগাবলৈ বৰ টান ও...।

ৰমলাই মৃদুলাৰ মুখলৈ ভেবা লাগি চাই ৰয়...

তাই ভাবি নাপাই এনেকুৱা সাদৰী বাইদেউজনীক এৰি চাৰে নো হাফ্‌পেন্ট পিন্ধা, চুলিত ৰঙা নীলা ৰং কৰা ডাংকাটি জনীৰ মাজত কি বিচাৰি পাইছে ঈশ্বৰেহে জানে...।❐

# গল্প

## উচ্ছেদ, জীৱনৰ অস্তিত্ব ইত্যাদি

**কামাৰুজ জামান**
*সহকাৰী অধ্যাপক, ইংৰাজী বিভাগ,*
*বেলতলা মহাবিদ্যালয়*

**অকল্পনীয়ভাৱে** হাইস্কুল শিক্ষান্ত পৰীক্ষালৈ পোন্ধৰ দিন থাকোঁতে ভয়ানক জাননীটো আহিল। আমানে মন দি পঢ়ি আছিল। দশম শ্ৰেণীৰ বাছনি পৰীক্ষাত সুন্দৰ ফলাফল দেখুৱা বাবে আমানৰ প্ৰতি বৰ আশা যে সি মেট্ৰিকত ষ্টেণ্ড কৰি প্ৰথমবাৰৰ বাবে স্কুলখনক সেই বিৰল গৌৰৱময় ফল আনি দেখুৱাব। শান্তি বাইদেৱে মাকৰ মোবাইলত তাক ফোন কৰি পঢ়াৰ খবৰ লোৱাৰ পিছত কোমল সুৰত সুধিলে, 'আমান, জাননীটো পাইছা?'



'কিহৰ জাননী বাইদেউ? কিবা পৰীক্ষা সংক্ৰান্তীয় জাননী নেকি?' অজান উৎকণ্ঠাত বুকুখন চিৰিংকৈ গ'ল তাৰ।

'নাই অ'। উচ্ছেদৰ জাননী। এভিকচন নটিচ। আমাৰ শিমলুতল অঞ্চল উচ্ছেদ হ'ব। অবৈধভাৱে নিৰ্মাণ কৰা আৰু নতুনকৈ বহা সকলো মানুহৰ ঘৰ ভাঙি দিব চৰকাৰে। আমাৰ স্কুলখনো ভঙা যাব। আমাৰ ঘৰখন ভঙা যাব। তোমালোকৰ খনো।' বাইদেৱে আৰু কিবা কৈ আছিল কিন্তু আমানে আৰু একো শুনা নাপালে। যেন মূৰ-কাণ, কোনো ইন্দ্ৰিয়ই যেন কাম কৰা নাই। গাখীৰ একাপ লৈ আনি আমিনাই তাৰ চকু-মুখৰ অভিব্যক্তি দেখি চক্ খাই উঠিল।

শান্তি বাইদেৱে কোৱা কথাখিনি সি মাকক কোৱাৰ পিছত মাকৰো মুখখন মেঘাচ্ছন্ন হৈ পৰিল। জীৱনটো এইবাৰ থিতাপি লাগিব বুলি ভাবিবলৈ আৰম্ভ কৰিছিলহে মাথোন, আকৌ সেই অনিশ্চয়তাৰ বাটত জীৱনৰ যাত্ৰা।

উচ্ছেদৰ খবৰটোৱে বৰকৈ জোকাৰি গ'ল আমানক। পঢ়াত অলপো মন বহা নাই তাৰ। সৰু কালৰে পৰা সি কোনো ঠাইতে বেছি দিনলৈ থাকিবলৈ পোৱাই নাই। মাকৰ মুখত শুনিছে তাৰ জন্মৰ আগৰে পৰা বুজা হোৱালৈ সিঁহতে কেইবাবাৰো ঠাই আৰু ঘৰ সলাবলগীয়া হৈছে। তাৰ এই পোন্ধৰ বছৰীয়া জীৱনটোত ইমানবাৰ ভূমিহীন আৰু গৃহহীন হোৱাৰ অভিজ্ঞতা হৈছে যে সমাজৰ ভাল সত্বা আৰু গুণৰ ওপৰত আস্থা হেৰুৱাই পেলাবৰ উপক্ৰম হৈছে। ৰহমান দিনটো কাম কৰি ভাগৰুৱা দেহাৰে ঘৰ পাই খবৰটো শুনি বাজ পৰা মানুহৰ দৰে থৰ লাগিল। বিপদৰ সময়ত সহায় বিচাৰিবলৈ ৰকিদাও গুৱাহাটীত নাই। দুদিন আগতে আকস্মিকভাৱে কিডনীৰ চিকিৎসা কৰিবলৈ চেন্নাইৰ এপোলো হস্পিটালত ভৰ্তি হৈ আছে।

নিশা কাৰো খোৱা নহ'ল। আমানৰ শৰীৰটো পঢ়া টেবুলত বহিল যদিও মনটো নানা অসংলগ্ন চিন্তাৰ লগত ঘূৰি থাকিল। উচ্ছেদৰ বিষয়টোৱে মনৰ বিশাল অঞ্চল অধিকাৰ কৰি আছে। ৰহমান আৰু আমিনাৰ গোটেই নিশা ইকাতি সিকাতি কৰি থাকোঁতেই গ'ল। কোঠালিটোত অগণন গধুৰ নিশ্বাসৰ প্ৰতিধ্বনি। গোটেই জীৱনটো সীমাহীন কষ্ট কৰিও এচুলি পৰিমাণৰো বেয়া কাম নকৰাকৈ, উপাৰ্জনৰ বাবে কোনো ধৰণৰ চমু বাটৰ সন্ধান নকৰাকৈ, সৎ পথেৰে চলি আহি আছিল পৰিয়ালটো। সিঁহতৰ বাবে জীৱনটোৱে প্ৰতি মুহূৰ্তত অস্তিত্বৰ বাবে এনেকুৱা বহু পৰীক্ষাৰ মুখামুখি হ'বলগীয়া হৈছে। এইবাৰ আৰু এটা জটিল পৰীক্ষাৰ সমাগত। স্মৃতিৰ পটত এৰি অহা অবিৰত জীৱন-সংঘৰ্ষৰে ভৰা, সময়ে কাঢ়ি নিয়া বাবে সোণোৱালী ৰং বিহিন শৈশৱ-কৈশোৰৰ সময়ৰ দৃশ্যবোৰে বৰকৈ আমনি কৰিবলৈ ধৰিলে তিনিওকে।



গুৱাহাটীত কিয়, কোনো চহৰতে নিজা ঘৰ মাটি হ'ব বুলি কল্পনাও কৰিব নোৱাৰা এটি পিছপৰা নৈপৰীয়া কঁহুৱাতলী গাঁৱত অতি দৰিদ্ৰ কৃষক পৰিয়ালত আমিনাৰ জন্ম হৈছিল। দৰিদ্ৰতাৰ বাবে পিতৃ-মাতৃয়ে অষ্টম শ্ৰেণী পাছ কৰাৰ পিছত স্কুল এৰাই দিছিল। দুবছৰ পিছতেই কাঠমিস্ত্ৰী-ৰাজমিস্ত্ৰীৰ কাম একেলগে কৰিব জনা প্ৰতিবেশী গাঁৱৰ ৰহমানৰ কৰ্মদক্ষতা চাই বাপেকে তাৰ লগত তাইক বিয়া দিছিল। সি সেই সময়ত গৰাখহনীয়াত ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যোৱা ৩ নং কঁহুৱাতলী উচ্চ মাধ্যমিক বিদ্যালয়খন অন্য ঠাইত নতুনকৈ নিৰ্মাণ কৰি আছিল। বিয়াৰ পিছৰ বছৰত গৰাখহনীয়াত ৰহমান-আমিনাহঁতৰ ঘৰখন ব্ৰহ্মপুত্ৰৰ বুকুত সোমাইছিল। ভূমিহীন-গৃহহীন ৰহমানে দুবছৰ শশুৰেকৰ ঘৰত থাকি খেতি বাতি কৰি, দিন হাজিৰা কৰি সংসাৰ চলাইছিল। কিন্তু সেইবছৰ মহাবাহুৰ ক্ৰোধ আৰু ভোক ইমানেই বাঢ়িছিল যে কঁহুৱাতলী গাঁও বুলিবলৈ মাত্ৰ চাৰি পাঁচটামান ঘৰহে জাহ যাবলৈ বাকী আছিল। ১ আৰু ২ নং স্কুল, পুথিভঁড়াল, বিস্তীৰ্ণ ১ আৰু ২ নং কঁহুৱাতলী গাঁও, দুৰ্গা মন্দিৰ, কালীমন্দিৰ, জামা-মছজিদ, পাৰঘাট, সাপ্তাহিক বজাৰ, ক্লাবঘৰ, ৰিজাৰ্ভ পথাৰ, সকলো নিশ্চিহ্ন হৈছিল। গৃহহীন পিতৃ-মাতৃ আৰু ভনীয়েক ছানিয়াক লগত লৈ আমিনাই মথাউৰিত আশ্ৰয় লৈছিল। পাঁচটা পেট পুহিবলৈ ৰহমানৰ সমানে সমানে আমিনাইও লোকৰ ঘৰত কাম কৰিছিল। ৰাজনৈতিক-অৰাজনৈতিক নেতা কিছুমানে মাজে সময়ে গৃহহীন মানুহৰৰ বাবে ভূমি আবণ্টনৰ দাবী কৰি স্থানীয় বিধায়ক আৰু মন্ত্ৰীলৈ লিখা দৰ্খাস্তত চহী আৰু খৰচ বাবদ কিছু আৰ্থিক অনুদান লৈ গৈছিল। আমিনা আৰু ছানিয়াই মিলি মথাউৰিতে পান-তামোল-চাহ-বিস্কুট-ৰুটীৰ দোকান আৰম্ভ কৰিছিল। উপাৰ্জনৰ চমু বাট লোৱা কিছুমানে গোপনে ভাঙৰ গছো ৰুইছিল, চুলাই মদ আৰু ড্ৰাগচ আনি বিক্ৰী কৰিছিল। বিষয়টো প্ৰচাৰ হোৱাত 'মথাউৰিত থাকি পৰিৱেশ বিনষ্ট কৰা'ৰ অপৰাধত জিলা প্ৰশাসনে সকলোকে তাৰ পৰা উচ্ছেদ কৰিছিল। জীৱনৰ প্ৰথম উচ্ছেদ আছিল সেয়া। আমিনা তেতিয়া তিনিমহীয়া সন্তান-সম্ভৱা। কি যে ভয়ানক দিন আছিল সেইবোৰ! সংশয়, উৎকণ্ঠা আৰু অনিশ্চয়তাৰ লগত সিঁহতৰ বহুদিনীয়া সহবাস। নটিচ অহা আৰু হ'বলগীয়া শিমলুতলৰ উচ্ছেদ তাৰ লগত এটা সংযোজনহে।

সেই সময়ৰ কথা মনত পৰিলে বা ভাৱিলে গা শিঁয়ৰি উঠে আমিনাৰ। গৰ্ভৱতী আমিনাই কিছুদিনৰ বাবে অস্থায়ীকৈ থাকিবলৈ কিমানৰ ঘৰৰ দুৱাৰ যে নুটুকুৰিয়াছিল ! সেই দুঃসময়ত ৰহমানৰ চিনাকি মানুহ এজনে কাম কৰি দিয়াৰ বিনিময়ত অস্থায়ী ভাৱে থাকিবলৈ দিছিল। মানুহজনে নতুন ঘৰ এটা সাজি আছিল।ৰহমান আছিল কৰ্মোন্মাদ। তাৰ কামৰ নমুনা মানুহজনে স্কুল নিৰ্মাণৰ সময়তে দেখিছিল।। মানুহজনৰ ঘৰত থাকি সি কাঠমিস্ত্ৰী আৰু ৰাজমিস্ত্ৰীৰ কাম কৰিছিল আৰু পিতৃ-মাতৃৰ লগত ছানিয়াই হাজিৰা কাম কৰিছিল। ছমাহৰ পিছত নিৰ্বাচন সমাগত হোৱাত স্থানীয় বিধায়কে গৃহহীন মানুহক মথাউৰি আৰু ব্ৰহ্মপুত্ৰৰ মাজৰ বালিময় পথাৰত এবিঘাকৈ মাটি দিছিল। বাৰিষা নদীৰ দুপাৰ উপচিলেই ঘৰত পানী উঠা অঞ্চল। দুটা পৰিয়ালৰ বাবে সিঁহতে দুবিঘা মাটি পাইছিল আৰু তাত জুপুৰি এটা সাজি থকা আৰম্ভ কৰিছিল। ৰহমানে যি কাম পায় তাকে কৰিছিল, আৰু ঘৰত থাকি বাকী কেইজনে ঘৰত হাঁহ কুকুৰা পালি আৰু পথাৰত শাক-পাচলিৰ খেতিৰে সেউজ বিপ্লৱ আৰু স্বাৱলম্বনৰ সপোন ৰচিছিল। কিমান যে গছ লগাইছিল তাই ঘৰৰ চৌপাশে ! আমানৰ জন্ম তাতেই। আমানৰ যেতিয়া তিনি বছৰ বয়স, বিধানসভা নিৰ্বাচন হৈছিল আৰু নতুন দলৰ চৰকাৰ আহিছিল। ফলত আগৰ বিধায়কে দিয়া 'সংৰক্ষিত অঞ্চল'ৰ ভূমিদান অবৈধ আছিল বুলি নতুন চৰকাৰে প্ৰমাণ কৰি তাৰ আবাসীসকলক হাতী আনি উচ্ছেদ কৰিছিল। চৰকাৰে সেই মাটি এটা বহুজাতিক কোম্পানীক উদ্যোগ স্থাপন কৰিবলৈ আৱণ্টন দি স্থানীয় লোকক নিযুক্তি দিবলৈ পৰামৰ্শ দিছিল। তেতিয়া সদা-ব্যস্ত, কৌতুহলী আমান প্ৰখৰ বুদ্ধিসম্পন্ন ল'ৰা। স্কুললৈ যোৱাৰ আগতেই আদিপাঠ, এবিচিডি, সাত বাৰ, বাৰ মাহৰ নাম, নেওতা সকলো মুখস্থ। কিন্তু ঘটনাৰ আকস্মিকতা আৰু মাকৰ আকুল কাকুতিৰ মাজত সেই প্ৰথম ঘৰ ভঙা কৰুণ দৃশ্যবোৰ কোনোদিনে মচ নগ'ল তাৰ স্মৃতিপটৰ পৰা। আকৌ এবাৰ বহুতোৰে দৰে মথাউৰি খনেই আমিনাহঁতৰ নতুন ঠিকনা হ'ল। অক্টোবৰৰ শেষৰ পিনে গুৱাহাটীৰ পৰা গাড়ী, দূৰবীন, ফিতা আদি লৈ অহা মানুহৰ সঘন আহ-যাহ চলিবলৈ ধৰিছিল। অৱশেষত আশংকা-উৎকণ্ঠা অন্ত পেলাই উচ্ছেদৰ জাননী আহিছিল। উদ্দেশ্য — মথাউৰি বহলোৱা হ'ব। ৩১ অক্টোবৰৰ ভিতৰত মথাউৰিৰ দুকাষে থকা ঘৰবোৰ হাতী আনি ভাঙি উচ্ছেদ কৰি দিয়া হৈছিল। কি হৃদয়বিদাৰক আছিল সেই দৃশ্য ! ! স্মৃতিবোৰ ইমানেই সজীৱ হৈ আছিল যেন এনে লাগিছিল সিদিনাৰহে ঘটনা।



নবেম্বৰৰ পৰা মথাউৰি বহলোৱা কাম আৰম্ভ হৈছিল। প্ৰথম দিনৰে পৰা ৰহমানে মাটি কাটিবলৈ মজুৰি কৰা মানুহ যোগাৰ কৰি আনি দিয়া, সস্তাতে পাচি, কোৰ, খোৱাবস্তুৰ যোগান ধৰা আৰু তাৰ কৰ্মপটুতাৰ বাবে গুৱাহাটীৰ হাঁহিমুখীয়া যুৱক ঠিকাদাৰ ৰকিবুলৰ বৰ প্ৰিয়পাত্ৰ হৈ পৰিছিল সি। ৰকিবুলক সকলোৱে মৰমত 'ৰকিদা' বুলি মাতিছিল। সৎ-উপাৰ্জনৰ সুযোগ এৰি নিদিয়া ৰহমান-আমিনাৰ লগতে পিতৃ-মাতৃ আৰু ছানিয়াইও দিন মজুৰি কাম কৰিছিল। মাটি কটা কাম। যুৱ-শৰীৰৰ বাবে তেনেই সহজ। বয়সস্থৰ বাবে কঠিন। ৰকিয়ে মাটি কাটি দিয়া মানুহক কৈ দিছিল যাতে বয়সস্থ সকলৰ আৰু মহিলাৰ পাচিত কমকৈ মাটি ভৰায়। ৰকি যেন মানৱতাৰ অন্য নাম হৈ পৰিছিল। তেওঁ খোৱা-বোৱা আমানহঁতৰ ঘৰতে কৰিছিল। আমানে চৌদিশে হঠাতে ঘটা ইমানবোৰ পৰিৱৰ্তনত তবধ মানি 'ৰকিদা আংকলে' দিয়া চকলেটবোৰ খাইছিল আৰু ইফালে সিফালে দৌৰি ফুৰিছিল। সকলোৰে দেখাদেখি সিও ৰকিক 'ৰকিদা' বুলি মাতিবলৈ লৈছিল। যিমানে তাক আংকল' বা 'ৰকি আংকল' বুলি ক'বলৈ কোৱা হৈছিল, সিমানে সি দাঁত উলিয়াই হাঁহি 'ৰকিদা আংকল' বুলিহে মাতিছিল। ৰকিয়ে ইয়াত বৰ ৰস পাইছিল। ৰহমানৰ অনুৰোধত গৃহহীন সকলৰ বাবে মথাউৰিৰ পাদদেশত কৰ্মচাৰী সকলৰ নৈশযাপনৰ বাবে অস্থায়ী তম্বুৰ ব্যৱস্থা কৰা হৈছিল।

কাম দ্ৰুতগতিত চলি আছিল বাবেই আমিনাৰ উৎকণ্ঠা আছিল — কিজানি কাম শেষ হোৱাৰ লগে

লগে আকৌ উচ্ছেদৰ বলি হ'বলগীয়া হয়! কাম শেষ হ'লে সেই তম্বুত সিঁহতক থাকিবলৈ দিব জানো? এবাৰ জিলা প্ৰশাসনৰ বিষয়াই কামৰ বুজ ল'বলৈ অহাত ৰকিৰ পৰামৰ্শ মতে ৰহমানৰ নেতৃত্বত মথাউৰিৰ নামনিত নিজাকৈ ঘৰ সাজি থাকিবলৈ অনুমতি দিয়াৰ অনুৰোধ জনাই দৰ্খাস্ত দিছিল। প্ৰশাসনে পকীঘৰ নাসাজিবলৈ সতৰ্কবাণী প্ৰদান কৰি অনিৰ্দিষ্ট কালৰ বাবেহে আনুমতি দিছিল। ৰকিয়ে ৰহমানৰ ঘৰৰ বাবে মথাউৰিৰ ওপৰেৰে কঁহুৱাতলী সাপ্তাহিক বজাৰ আৰু পাৰঘাটলৈ যোৱা সংযোগী চাৰিআলিৰ চুকৰ মাটিখিনিত ঘৰ সাজিবলৈ পৰামৰ্শ দিছিল। নতুন ঘৰ পাই যেন আমানহঁতৰ সংসাৰত সুখৰ ৰামধেনু উদিত হৈছিল।

সেইবাৰ বাৰিষা কালত ব্ৰহ্মপুত্ৰৰ ৰুদ্ৰৰূপৰ বলি হৈছিল কেইবাখনো চৰুৱা গাওঁ। ককাকৰ লগত আমানে শুকুৰবাৰে শুকুৰবাৰে নামাজ পঢ়িবলৈ যোৱা মছজিদখনো গৰখহনীয়াত জাহ গ'ল। ককাকে কৈছিল, 'ভাল উদ্দেশ্য আগত লৈ একন্তমনে কিবা খুজিলে আল্লাইহে দিয়ে। নিৰাশ নকৰে।' তেওঁ আৰু কৈছিল, 'ভক্তৰ অধীন ভগৱান।' তেওঁ বহুত কাহিনী কৈ উদাহৰণো দিছিল। সকলোৰে লগত সিও একান্ত মনে দুৱা-প্ৰাৰ্থনা কৰিছিল। কিন্তু নুবুজা সাঁথৰ হৈ মছজিদখন ব্ৰহ্মপুত্ৰত বাগৰি পৰিছিল।



কষ্ট কৰি চলিও খৰচ হৈ যোৱাৰ ভয়ত ৰহমানহঁতে মজুৰিৰ টকা অপ্ৰয়োজনত লোৱা নাছিল। ৰকিৰ হেঁচাত মাহে মাহে হিচাপ কৰিছিল আৰু তেওঁৰ ওচৰতে জমা থৈছিল। শেহতীয়া দুমাহৰ টকাৰে আমিনাই গুমটি ঘৰ এটা সাজি চাহৰ দোকান এটা দিছিল। মানা কৰা সত্ত্বেও ৰকিয়ে গুৱাহাটীৰ পৰা বিস্কুট আৰু নানা তৰহৰ খোৱাবস্তু আনি দিছিল। মূল্য যাঁচিলেও 'পিছত দিবা' বুলি কৈছিল। এনেকুৱা অস্বচ্ছ লেনদেনত আমিনা অভ্যস্ত নাছিল বাবে তাই বস্তুবোৰ ল'বলৈ লাজ পাইছিল। আমিনা-ছানিয়া দুয়োয়ে ৰকিৰ চাৱনি ভাল নাপাইছিল। ছানিয়াই এবাৰ কৈছিল, 'ৰকিদাই কিবা অসভ্যৰ নিচিনাকৈ চাই থাকে।' কিন্তু ৰকিৰ বহুত ভাল গুণ আছিল বাবে এই বিষয়টো আওকাণ কৰিছিল।

ঈষৎ কৃষ্ণকায় যদিও উজ্জ্বল মুখ আৰু বুদ্ধিদীপ্ত চকুৰ আমান দিনে দিনে বাঢ়ি আহিছিল। পাঁচ বছৰ পাৰ হোৱাত আমিনাই নিজে পঢ়া জনকল্যাণ প্ৰাথমিক বিদ্যালয়ত তাৰ নাম লগাই দিবলৈ লৈ গৈছিল। আমানক হাতত ধৰি গেটেৰে সোমাই যাওতে তাইৰ মনত ভাহিঁ উঠিছিল তাই আব্বাকৰ হাতত ধৰি এনেকৈয়ে মাথোন কেইবছৰমান আগতে নাম লগাবলৈ অহা সেই দিনটোৰ কথা। তাই হিচাপ কৰি চাইছিল- তেইছ বছৰ আগতে। সময় কেনেকৈ গুচি যায়! হেডমাষ্টৰণী ছোফিয়া বাইদেউৰ বয়স হৈছিল যদিও তেতিয়াও ধুনীয়াই হৈ আছিল। পৰিচয় দিয়াত বাইদেৱে চিনি পাইছিল তাইক। বাইদেউৰ বৰ মৰমৰ ছাত্ৰী আছিল তাই। পঢ়া-শুনাৰ লগতে খেল-ধেমালিতো কিমান পাৰ্গত আছিল তাই! কিমান পুৰস্কাৰ পাইছিল তাই প্ৰতিযোগিতাবোৰত! অষ্টম শ্ৰেণী পাছ কৰাৰ পিছত হঠাৎ তাইক যেতিয়া এদিন মাকে স্কুললৈ যাবলৈ মানা কৰিছিল, তাই বহুত কান্দিছিল। দুদিন একো নাখাইছিল। ছোফিয়া বাইদেৱে নিজে খবৰ লবলৈ আহিছিল। দৰিদ্ৰতাৰ নিষ্ঠুৰ হাঁতোৰাই চেপি-শুহি খাই পেলাইছিল আমিনাৰ শৈশৱ-কৈশোৰ সোণোৱালী কোমলতাখিনি। মাকৰ লগত কেইবছৰমান আনৰ ঘৰত কাম কৰি শেষত ৰহমানৰ লগত বিয়া দিছিল।

চাৰি বছৰৰ ভিতৰত মথাউৰিৰ কাম শেষ হোৱাৰ কথা আছিল। বাৰিষা কাম বন্ধ থাকিছিল। ৰকিয়ে বাৰিষাৰ তাণ্ডৱ দেখি এদিন কৈছিল, 'চাৰি বছৰত শেষ নহ'ব যেন লাগিছে।' তাই প্ৰায়েই হিচাপ ৰাখিছিল - 'আৰু দুবছৰ আছে', 'আৰু দেড় বছৰ আছে।' ৰকিয়ে বাৰিষা ৰহমানক গুৱহাটীলৈ লৈ গৈ নিৰ্মাণ ছাইটত কাম দিছিল। ৰকিয়েও ৰহমানক লৈ এমাহ-দুমাহৰ মূৰত এবাৰকৈ আহি সকলোৰে বুজ লৈছিল। আমিনাই জমাৰ পৰা অলপ অলপকৈ উলিয়াই সংসাৰ চলাই আছিল। আমিনাৰ চাহৰ দোকানত দুই-এপদ বস্তু বাঢ়ি

আছিল। পকৰি, মেগি এইবোৰ। সৰু বিছনাখনত বহি আমানে চিঞৰি চিঞৰি পঢ়িছিল, আমিনাই পঢ়াইছিল। দ্বিতীয় বছৰৰ চেপ্টেম্বৰত বহুদিন একেলেথাৰিয়ে বৰষুণ দিয়াত পানী বাঢ়ি বাঢ়ি আমিনাহঁতৰ ঘৰত এবুকু পানী হৈ মথাউৰিৰ আধা উচ্চতা অতিক্ৰম কৰিছিল। নৱনিৰ্মিত মথাউৰিৰ বোকাত প্লাষ্টিকৰ তম্বু তৰি বৰ কষ্টেৰে দিনবোৰ পাৰ কৰিছিল। কাম নাই মানে উপাৰ্জন নাই। কিছুমানে মাছ বিক্ৰী কৰি কোনোমতে চলি আছিল। অভাৱগ্ৰস্ততাৰ চিকাৰ সকলোৰে। সেয়ে ভাল দাম নাপাইছিল। অভাৱ-অনাটনৰ সময় বাবে আমিনাৰ দোকানৰ বিক্ৰীও কমি গৈছিল। ইপিনে ৰহমানো গুৱাহাটীত। মথাউৰিৰ ওপৰিভাগ আশ্ৰয়-শিৱিৰলৈ ৰূপান্তৰিত হৈছিল। চৰকাৰী সাহায্য — চাউল-দাইল-ঔষধ আহছিল। বিক্ৰী নোযোৱা মাছ শুকাবলৈ দিয়াত উশাহ ল'ব নোৱাৰাকৈ পৰিৱেশ দুৰ্গন্ধময় হৈছিল। আমানে ৰাতি দুৰ্গন্ধত শুব নোৱাৰিছিল। কলেৰা হৈ কেইবাজনো মানুহ ঢুকাইছিল। আমিনাৰ আব্বাকো দুদিন কলেৰাত ভুগি তৃতীয় দিনা ঢুকাইছিল। আমিনাৰ মনত আছে সিদিনা গোটেই দিন বিজুলী ঢেৰেকনিৰে ধাৰাসাৰে বৰষুণ দি আছিল। ৰহমানক খবৰ পঠোৱাৰ কোনো ব্যৱস্থাই নাছিল। পানী ক্ৰমশঃ বাঢ়ি আহি আছিল। চৌদিশ সাগৰ-সদৃশ। বৰষুণ কমাৰ নামেই নাই। যেন মহাপ্ৰলয়ৰ আৰম্ভণি। পানী বাঢ়ি অহাৰ লগে লগে বাঢ়ি আহিছিল মানুহ। ওচৰৰ বানগ্ৰস্ত গাওঁবোৰৰ পৰা বহুত মানুহ আহিছিল। প্ৰশ্ৰাৱ-পায়খানা-গা ধোৱাৰ বাবে ন্যূনতম গোপনীয়তা ৰক্ষাৰ ব্যৱস্থা নথকা এই ঠাইটুকুৰা যেন এটা সৰু নৰকলৈ ৰূপান্তৰিত হৈছিল। মৃতদেহ কবৰ দিবলৈ ওখ ঠাই এটুকুৰা নাছিল বাবে মছজিদৰ ইমাম চাহাবে আশ্ৰয়শিবিৰৰ পৰা অকণমান নিলগত মথাউৰিৰ দাঁতিতে মৃতকক কবৰ দিছিল। পাঁচ দিনৰ মূৰত খবৰ পাই ৰহমান আৰু ৰকি আহিছিল। আমিনাই সিদিনা ৰহমানৰ বুকুত মুৰ থৈ হিয়া উজাৰি কান্দিছিল। পিছদিনা কাকো নজনোৱাকৈ আমিনাৰ মাকে পুৱাই ফজৰৰ নামাজৰ পিছত কবৰ চাবলৈ গৈ দেখা পাইছিল যে পানীৰ সোঁতে ধুই নিয়া কবৰৰ পৰা ওলাই অহা অৰ্ধগলিত মৃতদেহ দুটা কুকুৰে চোবাই আছে। 'ভয়ানক কুকুৰ-ৰূপী ফেৰেস্তা! কবৰৰ আজাব! কবৰৰ আজাব' বুলি প্ৰলাপ বকি তেতিয়াৰে পৰা তাই উন্মাদ হৈ গৈছিল। কিছুদিন পিছত মথাউৰিৰ ছিগা অংশ এটা চাবলৈ আহি ৰকিয়ে আমিনাৰ মাকক তেজপুৰলৈ পঠিওৱাৰ বন্দোৱস্ত কৰিছিল। কৃতজ্ঞতাত মূৰ দোঁ খাই গৈছিল আমিনা, ছানিয়া আৰু ৰহমানৰ। দুসপ্তাহৰ ভিতৰত ককা-আইতা নোহোৱা হোৱাত আমানৰ সাধুকথা আৰু খেলৰ লগ নোহোৱা হোৱাত মাকৰ ওচৰতে দোকানত আমন-জিমনকৈ বহি থাকিছিল।



সময়ৰ লগে লগে যন্ত্ৰণায়ো বাগৰ সলায়। অ'ৰৰ পৰা আকৌ কাম আৰম্ভ হৈছিল। ৰকিয়ে ৰহমানক লগত লৈ গুৱাহাটীলৈ গৈ পুৰণি টিন এক্ট্ৰাক আনি উৰলি যোৱা খেৰৰ চাল আৰু মৰাপাট-খৰিৰ বেৰবোৰ মেৰামতি কৰাইছিল। আমানৰ জন্মদিনৰ উপহাৰ হিচাপে ৰকিয়ে আমনক দিয়া চকী-মেজৰ ওপৰিও আঠখন প্লাষ্টিকৰ চকী, দুখন প্লাষ্টিকৰ মেজৰ সৈতে আমিনাৰ দোকানে ন-ৰূপ পাইছিল। ৰকিৰ হিচাপ নিকাচৰ সহায়িকা হৈ পৰিছিল আমিনা আৰু ছানিয়া। ৰকিয়ে আমানক খেলিবলৈ পঠোৱা বা তেনে অজুহাতত আঁতৰাই ৰাখিবলৈ বিচৰাটো আৰু নিজৰ ঘৈনীয়েকৰ লগত হোৱা মনোমালিন্যৰ নিত্য নতুন কাহিনী আমিনা আৰু ছানিয়াই ভাল নাপাইছিল যদিও মানুহজনৰ ওচৰত বহু ক্ষেত্ৰত থকা কৃতজ্ঞতাৰ বাবে মনে মনে থাকিছিল। এদিন ছানিয়াই বায়েকক ৰকিৰ চকুৰ নিলাজ চাৱনিৰ বিষয়ে কৈছিল, 'কিবা এটা অভিসন্ধি আছে যেন লাগে মোৰ।' 'মই জানো।' আমিনাৰ কথাত দুচকু মেলি ৰ' লাগি চাই আছিল ছানিয়াই।

পিছৰ বছৰত একেলগে বহু টকাৰ বিল পোৱাত ঈদৰ সময়ত নতুন গাড়ী লৈ ৰকিৰ লগত ছাবিনা বৌয়ে নিজে দুখীয়া মানুহক নতুন কাপোৰ উপহাৰ দিছিল। আমিনাহঁতৰ বাবেও কাপোৰ লৈ আহিছিল আৰু গুৱাহাটীলৈ ফুৰাবলৈ নি নিজৰ ঘৰত ৰাখি চিৰিয়াখানা, যাদুঘৰ, তাৰকাগৃহ আনকি অপ্সৰা হলত

চিনেমাও দেখুৱাইছিল। ৰকিয়ে তেজপুৰলৈ লৈ গৈ মাককো দেখুৱাই আনিছিল। ৰকিৰ ঠিকা কামৰ নতুন সহায়কাৰী সুদৰ্শন আৰু মাৰ্জিত পোচাক পিন্ধা আব্দুল বোলা বিহাৰী যুৱক এজনো লগত গৈছিল। যুৱকজনে আমিনা আৰু ৰহমানৰ ওচৰত ছানিয়াৰ বিয়াৰ প্ৰস্তাৱ দিয়াত গুৱাহাটীতে অনুষ্ঠুপীয়াকৈ বিয়া সম্পন্ন হৈছিল আৰু দুদিন পিছতে নৱদম্পতী গৃহচহৰ পাটনালৈ ৰাওনা হৈছিল। আমানৰ বাবে ইমান ঘটনাবহুল গুৱাহাটী ভ্ৰমণৰ এই অভিজ্ঞতা প্ৰথম আৰু দুৰ্লভ আছিল।

মথাউৰি বহলোৱাৰ কাম আৰু দুবছৰলৈ চলিছিল। ৰকিয়ে ৰহমানক গুৱাহটীৰ কেবাটাও ছাইটত ৰাজমিস্ত্ৰী আৰু কাঠমিস্ত্ৰী হিচাপে নিযুক্ত কৰিছিল। কামো তুলনামূলকভাৱে আৰামদায়ক আৰু উপাৰ্জনো বেছি। ছমাহৰ মূৰত আব্দুলে আহি খবৰ দিছিল যে চেন্নাইত ফুৰিবলৈ যাওতে পথ দুৰ্ঘটনাত ছানিয়াৰ মৃত্যু হৈছে। কথাষাৰ বিশ্বাস কৰিবলৈ টান পাইছিল আমিনাই। ইমান সাৱধান-সতৰ্ক হৈ থকা ছানিয়াই কেনেকৈ দৌৰি ৰাস্তা পাৰ হৈ ট্ৰাকৰ তলত পৰিছিল, তাই ভাৱি পাৰ নাপাইছিল। কান্দোনত ভাঙি পৰা আমিনাক সান্ত্বনা দিবলৈ ৰকিয়ে তাইক বাহুত ধৰি ওচৰত বহুৱাই লৈ কৈছিল, 'এয়া কেৱল আমাৰ লগতে হোৱা নাই। এনে দুৰ্ভগীয়া বহুত মানুহ আছে,' আৰু ভিন ভিন ঠাইত কেনেকৈ দুৰ্ঘটনাগ্ৰস্ত হৈ কিমান মানুহ মৃত্যুমুখত পৰিছিল তাৰ বহুত উদাহৰণ দিছিল।



গুৱাহাটীৰ কামৰ হেঁচা বাঢ়ি যোৱাত ৰহমানে সম্পৰ্কীয় বিধৱা ভনীয়েক ছালমাক আমিনাৰ লগত থাকিবলৈ আনিছিল। তাই দুই এটা কামত সহায়ো কৰি দিছিল। ৰকি আহিলে খোৱা-বোৱা আমিনাৰ ঘৰতে কৰিছিল। আমানে মাংস ভাল পাইছিল বাবে ৰকিয়ে প্ৰায়ে মাংস আনি দিছিল। আমিনাই লক্ষ্য কৰিছিল- ৰকিয়ে আমানৰ লগত সময় কটায়। তাক গাড়ীত লৈ ফুৰায়। আমিনাৰ জীৱনটো যেন আমানক কেন্দ্ৰীভূত কৰি। ৰহমানক কেন্দ্ৰীভূত কৰি নহয়। ৰহমানতো সংগী। জীৱনযাত্ৰাৰ সহযাত্ৰী। ৰকিৰ সৰু সৰু সহায়, আমানক দিয়া গুৰুত্ব এইবোৰে সৃষ্টি কৰা ৰকিৰ প্ৰতি থকা কৃতজ্ঞতাৰ বোজা বাঢ়ি গৈ থাকে মানে আমিনাৰো সহনক্ষমতাৰ পৰিসৰ বাঢ়ি গৈ আছিল। কিয়নো তেতিয়ালৈ ছালমাৰ প্ৰতি ৰকিৰ চঞ্চলতা আৰু আকৰ্ষণ দৃষ্টিকটুৰ পৰ্যায় পাওঁ পাওঁ হৈছিল। তাই অপেক্ষা কৰি আছিল ধৈৰ্য্যৰ সীমাৰ অন্তিম পৰ্যায়লৈ। গুৱাহাটীত কাম কৰি থাকোতে দুৰ্ঘটনাৰশত ৰহমানৰ ভৰিত এবাৰ ৰড সোমাই হস্পিটালত ভৰ্তি হৈছিল। ৰকিয়ে আমিনা, ছালমা আৰু আমানক ঘৰলৈ লৈ গৈছিল। ৰকিয়ে নিজ গাড়ীৰে তাইক হস্পিটাললৈ অনা-নিয়া কৰিছিল। হস্পিটালৰ বহিৰে বাকীখিনি সময় তাই ছাবিনা বৌৰ কামত সহায় কৰি দিছিল। এদিন ছালমাই হঠাতে অস্বাভাৱিকভাৱে গহীন হৈ পৰিছিল। বাৰে বাৰে সোধাৰ পিছত কান্দি কান্দি কৈছিল, 'ৰকিদাই মোক চুব বিচাৰিছিল। তুমিও অলপ সতৰ্ক হৈ থাকিবা। তেওঁ বাহিৰতহে ভাল মানুহ। ভিতৰি ভিতৰি মতলব বেয়া।' সেই নিশা আমানক বুকুত সাৱটি বহু সময় উচুপি আছিল আমিনাই। আল্লাহৰ ওচৰত অস্পষ্ট ভাষাৰে দুৱা কৰিছিল। এই অস্বাভাৱিক ব্যৱহাৰত আমানে কি কৰিব বুজি নাপাই টোপনিৰ ভাও জুৰি আছিল। তাৰ নিশ্বাসৰ শব্দৰ পৰা তাই গম পাইছিল সি সাৰে আছিল বুলি।

ৰহমানৰ আৰোগ্যৰ পিছত ৰকিয়ে হিচাপ নিকাচ কৰি আমানৰ জন্মদিনত শিমলুতলৰ দুকঠা মাটিৰ আধাকঠা ৰহমানৰ নামত লিখি দি কৈছিল, 'তুমি বৰ কামৰ মানুহ। তুমি মোৰ লগত কাম কৰিবা। মাটিৰ বাবে তুমি মোক টকা দিব নালাগে। যিদৰে তুমি কাম কৰি আছা, খুব সোনকালেই পৰিশোধ হৈ যাব।'

গুৱাহাটীত সিঁহতৰ নিজা মাটি! নিজা ঘৰ! আনন্দত আত্মহাৰা হৈ পৰে আমান। তিনিটা কোঠাৰ এচালীয়া ঘৰ। আমানৰ এই আনন্দত আমিনাহঁতৰ বাবে আৰু এটা কৃতজ্ঞতাৰ বোজা আহি পৰে জীৱনত। তেতিয়া ৰহমানে ৰকিৰ কেবাটাও ফ্ল্যাটনিৰ্মাণৰ ছাইটত কাম কৰে।

'এতিয়াৰ পৰা আপোনাৰ উপাৰ্জনৰ এটকাও আৰু ঘৰলৈ নানিব। ঘৰ-মাটিৰ মূল্য হিচাপে জমা ৰাখিব। মই এটা কথা ভাৱিছোঁ। মোৰতো চাহ দোকানৰ অভিজ্ঞতা আছেই। আপুনি যদি বিচাৰে ঘৰৰ খৰচৰ বাবে শিমলুতল চাৰিআলিত মই চাৰিচকীয়া ঠেলাগাড়ীত চাহ দোকান দিম বুলি ভাৱিছোঁ।' সি সন্মতি দিছিল। ছালমাই ছাবিনা বৌৰ অনুৰোধত কামত সহায় কৰি দিবলৈ তেওঁলোকৰ ঘৰত থাকবলৈ লৈছিল। ছালমাৰ লগত তাত কি হৈ আছে বা হ'ব পাৰে, সেই চিন্তাই আমিনাক খুলি খুলি খাইছিল। কিন্তু এই চিন্তাৰ পৰা তাই এদিন মুক্তি পাইছিল, যিদিনা ছালমাই আব্দুলৰ লগত পলাই গৈছিল, আৰু ৰকিয়ে বিচাৰি আনি সিঁহতৰ বিয়া পাতি দিছিল। ৰকিৰ প্ৰতি ৰহমানৰ কৃতজ্ঞতাত মূৰ দোঁ খাই গৈছিল।

ৰকিয়ে শিমালুতল হাইস্কুলৰ প্ৰধান শিক্ষকৰ লগত আলোচনা কৰি আমানক ভৰ্তি পৰীক্ষা দিয়াই ষষ্ঠ শ্ৰেণীত নাম লগাই দিছিল। ৰকিৰ উপকাৰৰ আৰু এটা নতুন টোপোলা আহে মানে আৰু এটা কৃতজ্ঞতাৰ বোজা বাঢ়ে। স্কুলত প্ৰথম দিনা কি কি হৈছিল আমানে আহিয়েই বিৰবি কৈছিল। তাৰ কথা যেন শেষেই নহ'ব সিদিনা। শান্তি বাইদেৱে প্ৰথম দিনাই প্ৰাৰ্থনাৰ সময়ত নৱাগত আমানক নাম আৰু ক'ৰ পৰা আহিছে সুধিছিল।



'নমস্কাৰ ছাৰ-বাইদেউসকল আৰু জ্যেষ্ঠ দাদা-বা-ভাইটি-ভণ্টিসকল আৰু সহপাঠী সকল। মোৰ নাম আমান। আমান ৰহমান। মই শিমলুতলৰ ২ নং বাইলেনৰ ৬ নং ঘৰত থাকোঁ। আমাৰ আচল ঘৰ কামৰূপ জিলাৰ কঁহুৱাতলী গাঁৱত।

শান্তি বাইদেৱে কৈছিল, 'আমান! বৰ সুন্দৰ নাম। তুমি আমান শব্দৰ অৰ্থ কি জানানে?'

'জানো বাইদেউ। মায়ে কৈছে আমান মানে শান্তি।'

ছাত্ৰ-ছাত্ৰীসকলে কিয় হাঁহিলে আমানে বুজি পোৱা নাছিল। বাইদেৱেও হাঁহি এটা মাৰি কৈছিল, 'বাঃ বৰ সুন্দৰ অৰ্থ দেখোন। মোৰ নামৰ সৈতে তোমাৰ নামৰ অৰ্থ মিলি গৈছে। মোৰ নাম শান্তি। আমাৰ স্কুলত তোমাক স্বাগতম জনাইছোঁ। ভালদৰে থাকিবা, ভালদৰে পঢ়িবা।'

তাৰ অসমীয়া উচ্চাৰণৰ অলপ সমস্যা আছিল বাবে তাক সহপাঠী আৰু জ্যেষ্ঠ ছাত্ৰই 'মিয়া' বুলি জোকাইছিল। সি কান্দিছিল। আয়েশাই শান্তি বাইদেউক বিষয়টো জনোৱাত বাইদেৱে সকলোকে বুজাই কৈছিল, 'এই সমস্যা আমানৰ অকলৰ নহয়- কলকাতাৰ পৰা অহা অয়েশা, শিলচৰৰ পৰা অহা ৰিজৱান, বৰপেটাৰ পৰা অহা মনীশ, আৰিফ, বিহাৰৰ পৰা অহা ছোনি, আশীষ, আৰু উত্তৰ প্ৰদেশৰ পৰা অহা আমীৰ সকলোৰে। ঠাই বেলেগ মানে ভাষা বেলেগ। অসমীয়া মানুহে যেতিয়া হিন্দী কয়, উচ্চাৰণবোৰ কেনে শুনি কোৱাচোন? কথাটো ঠিক তেনেকুৱা। যিমান সোনকালে শিকি লোৱা, তোমালোকৰে ভাল লাগিব।' শান্তি বাইদেউৰ কথাত যাদু আছিল। অতি কম সময়ৰ ভিতৰতে সি সুন্দৰকৈ অসমীয়া ক'বলৈ শিকিছিল।

ৰকিয়ে এইপিনে আহিলে আমিনা ঘৰত থাকিলে সোমাই গৈছিল। আমিনাই মানা কৰা সত্ত্বেও প্ৰায়েই আমানৰ বাবে চকলেট, কলম, কমি', গল্পৰ কিতাপ আদি আনি দিছিল। অঙ্কত এশৰ ভিতৰত এশ নম্বৰ পোৱাৰ বাবে এডজন কচকো বল আৰু এটা কাঠৰ বেট পাই মহাসুখী হৈছিল আমান। 'আজিৰ পৰা আৰু তুমি খেলিবলৈ ৰৈ থাকিব নালাগে। এতিয়া তোমাৰ বেট আছে যেতিয়া তোমাক সকলোৱে খেলত ল'ব। তুমি খেলাগৈ যোৱা।' আমানে যেন এইখিনি কোৱালৈ অপেক্ষা কৰি আছিল। সি ওলাই যোৱাৰ লগে লগে আমিনাৰ বুকুখন চিৰিংকৈ উঠিছিল। ৰকিৰ সৈতে অকলে বৰ

ভয় লাগে তাইৰ। ছালমাৰ সতৰ্কবাণী মনত পৰে সদায়। তেওঁ চাই থাকিলে এনে লাগে যেন অসংখ্য অদৃশ্য হাত লুকাই আছে চকুত। যেন তাইৰ শৰীৰত সেইবোৰে সাপৰ দৰে বগাই থাকে। তাইৰ গা জিকাৰ খাই যায়। আজীৱন অক্লান্ত কৰ্মী তাই। মেদহীন শৰীৰ আৰু গাৰ গঠন ভাল। কিন্তু তাইৰ মুখাবয়ৱত জীৱনোপলব্ধিৰ এক কাঠিন্য আছিল। সেইবাবেই হয়তো ৰকিয়ে মুখেৰে কেতিয়াও বেয়া কথা এযাৰ কোৱা নাছিল বা বেয়া ইংগিত দিয়া নাছিল আৰু তাইও আত্মসমালোচনা কৰি মিছামিছি তেওঁৰ চাৱনিৰ ভুল অৰ্থ কৰিছে বুলি ভাৰি নিজৰ চিন্তাকে তিৰস্কাৰ কৰিছিল। কিন্তু ছাবিনা বৌৰ বদনাম আৰু নিজৰ অসুখী দাম্পত্য জীৱনৰ নিত্যনতুন কাহিনী শুনি শুনি তাইৰ কাণ ঘোলা হৈ গৈছিল। তাই সহানুভূতিৰ বাক্য এযাৰ ক'ব পাৰিলেহেঁতেন কিন্তু কোৱা নছিল। এটা চিন্তাই তাইক খুলি খুলি খাইছিল যদি কোনোবাদিনা তেওঁ তাইক কু প্ৰস্তাৱ দিয়ে বা তাইৰ গাত হাত দিয়ে, তাই কি কৰিব? আত্মসমৰ্পন কৰিব, নে বাধা দিব? নে চিঞৰ-বাখৰ কৰি নিজৰ পৰিয়ালৰ লগতে তেওঁৰো সন্মান ধূলিস্যাৎ কৰি দিব? ইপিনে তেওঁ সিঁহতক ইমানবোৰ উপকাৰ কৰি থৈছে যে সেই বোজাৰ তলত পোঁত গৈ গৈ অৱশেষত তাই কি কৰিব ভাৰি উলিয়াব পৰা নাছিল। মাথোঁ নেদেখাজনলৈ তেনে দিন কাহানিও নাহক সেই দুৱা প্ৰাৰ্থনা কৰিছিল।



আমানে সপ্তম শ্ৰেণীত বিশ্ব পৰিৱেশ দিৱস উপলক্ষে অনুষ্ঠিত কৰা ৰচনা, চিত্ৰাংকণ, আকস্মিক বক্তৃতা, কুইজ সকলোতে পুৰস্কাৰ পোৱাত শান্তি বাইদেৱে মেডেল-প্ৰমাণপত্ৰৰ ওপৰিও নাৰ্ছাৰীৰ পৰা আনি আম, জাম, চেগুন, বেল, কৃষ্ণচূড়া আদিৰ পুলি উপহাৰ দিছিল। বাঁহৰ জেওৰাৰে নিৰ্ধাৰণ কৰি দিয়া সীমাৰ ভিতৰত আমানে গছপুলিবোৰ ৰুই দিছিল। দৈনিক পানী দিছিল। কথা পাতিছিল। মৰম কৰিছিল। আলিহঁতৰ মস্ত ওখ কাবুলী ছাগলী কেইটামান আছিল। গছপুলিবোৰ যাতে সিঁহতে খাব নোৱাৰে তাৰ বাবে বাঁহৰ খুটি পুতি পুৰণি আঠুৰাৰ টুকুৰাৰে ঘেৰাও কৰি দিছিল। মাজত দীঘল খুটি পুতি শান্তি বাইদেৱে দিয়া টিনৰ পুৰস্কাৰ নাম-ফলকবোৰ লগাই থৈছিল। ৰকিয়ে সেইবোৰ চাই তবধ মানি আমানক হেমকোষ আভিধান এখন আৰু গছপুলিত পানী দিয়া জাৰ এটা উপহাৰ দিছিল।

ৰকিয়ে ৰহমানক বিনামূলীয়া ইলেকট্ৰিচিটি আৰু পানীৰ পাইপ লগোৱা প্ৰশিক্ষণ ল'বলৈ পঠিয়াইছিল। প্ৰে'কেলত সকলোতকৈ ভাল পাৰদৰ্শিতা দেখুওৱাৰ পুৰস্কাৰ হিচাপে পোৱা পাঁচহাজাৰ টকাৰে আমানলৈ হিৰো চাইকেল এখন কিনি আনিছিল। চাৰি প্ৰকাৰৰ কাম জনা হোৱাত তাৰ কামৰ হেঁচা বাঢ়ি আহিছিল। তাৰ বাবে পুৰণি স্কুটাৰ এটা কিনি দিছিল ৰকিয়ে। কঠিন সময়ে দিয়া শিক্ষাৰে অভিজ্ঞতাপুষ্ট নাৰী আমিনা। ষষ্ঠ ইন্দ্ৰিয়ৰ সংকেত বুজি পায়। কেতিয়াবা স্পষ্টকৈ আৰু কেতিয়াবা অস্পষ্টকৈ। ইমানবোৰ উপকাৰৰ অন্তৰালত থকা সুপ্ত উদ্দেশ্য তাই কম-বেছি নুবুজা নহয়। এদিন আবেলি আমানে ক্ৰিকেট খেলিবলৈ যোৱাত ৰকিয়ে আহি কৈছিল, 'মোৰ জীৱনটো বৰ জালাময় হৈছে জানানে আমিনা। মোৰ জীয়াই থাকিবৰ ইচ্ছা নোহোৱা হৈ গৈছে। তাইৰ নিজৰ সন্তান জন্ম দিবলৈ ক্ষমতা নাই, অথচ মোক কয় মই হেনো সঁচা অৰ্থত পুৰুষেই নহওঁ। মই কেনেকৈ বুজাও যে মোৰ পুৰুষত্বৰ কিমান দম আছে।'

'প্লিজ ৰকিদা এইবোৰ কথা নাপাতিব। মই বেয়া পাওঁ। বেলেগ কথা পাতক।'

'দুখৰ কথাবোৰ পাতিবলৈও মোৰ কোনো নাই তোমাৰ বাহিৰে। আনক ক'লে হাঁহিব। মিছা বুলি ভাবিব।' আমিনা নিৰৱ হৈ ৰৈছিল। 'তোমাক মোৰ বৰ আপোন আপোন লাগে। বহুদিনীয়া বান্ধৱীৰ দৰে লাগে।' কৈয়ে হঠাৎ উচুপি উঠিছিল ৰকি। বহু সময়লৈ উচুপি আছিল। তথাপিও আমিনা নিৰৱ হৈয়ে থাকিছিল। পানী এগিলাচ আগুৱাই দিছিল। গিলাচটো হাত পাতি লওতে আঙুলিৰ ইচ্ছাকৃত স্পৰ্শটোক দীঘলীয়া কৰিব বিচাৰিছিল ৰকিয়ে। তাই পুৰুষৰ নিস্পাপ স্পৰ্শ-পাপী স্পৰ্শৰ মাজৰ ব্যাৱধান বুজি পায়।

আমিনাই কি ক'ব বা কি কৰিব বুজি পোৱাৰ আগতেই একে টানে হাতখন আঁতৰাই নিছিল। কাঁচৰ গিলাচখন মজিয়াত ভাঙি টুকুৰা টুকুৰ হৈছিল। ভঙা টুকুৰাবোৰ বুটলাৰ সময়ত আমিনাই জানিছিল ৰকিৰ চকুৰ অদৃশ্য হাতকেইটাই তাইৰ শৰীৰৰ ক'ত ক'ত ঘূৰি ফুৰিছিল। চাহকাপ আনি টেবুলত নমাই 'চাহ খাওক' বুলি কৈ খুব শান্তভাৱে আমিনাই কৈছিল, 'ৰকিদা, আপুনি আমাৰ বাবে বৰ গুৰুত্বপূৰ্ণ মানুহ। আমাৰ অভিভাৱক আপুনি। আমাৰ জীৱন সলনি কৰি দিয়া মানুহ আপুনি। আপুনি আমাক বহুত উপকাৰ কৰিছে। চিৰজীৱন সেই কথা মনত ৰাখিম। কিন্তু তাৰ বিনিময়ত যদি মোৰ শৰীৰ বিচাৰি আছে সেয়া মই মৰি গলেও সম্ভৱ নহয়। আপোনাৰ লগত থকা সু-সম্পৰ্ক আমি হেৰুৱাব নিবিচাৰোঁ। ইয়াতো স্বাৰ্থ আমাৰেই। আপোনাৰ অবিহনে আমাৰ অস্তিত্বই নাথাকিব। আপুনি সহায় কৰিবলৈ আমাৰ দৰে হাজাৰটা দুখীয়া পৰিয়াল পাব, কিন্তু আমি আপোনাৰ দৰে উদাৰ মনৰ আন এটা মানুহ জীৱনতো নাপাওঁ। আপোনাৰ জীৱনত আমাৰ নিচিনা মানুহৰ আহ-যাহ হৈয়ে থাকে। কিন্তু আমাৰ জীৱনত আপুনি নাথাকিলে সকলো ওলট-পালট হৈ যাব। আপোনাৰ বাবেই আমাৰ জীৱনটো থানথিত লাগিছে। আপুনি জোৰ-জবৰদস্তি মোৰ পৰা কিবা এটা পাব বিচাৰিলে হয়তো পাব। কিন্তু তাত মোৰ অকণো সহাৰি বা সন্মতি নাপাব। আৰু হয়তো মই চিঞৰ-বাখৰ কৰি আপোনাৰ সন্মান নষ্ট কৰিব নোৱাৰিম। আপোনাৰ এটা পৰিয়াল আছে। পত্নী আছে, সংসাৰ আছে। মই কাৰো পৰিয়াল, সংসাৰ ধ্বংস হোৱাটো নিবিচাৰোঁ। এজন এজনকৈ আপোন মানুহবোৰ হেৰুৱাই আছোঁ। মই ভালকৈ বুজি পাওঁ সংসাৰ, পৰিয়াল মানে কি। আপুনি যদি জোৰ কৰে, মোৰ বাবে এটাই ৰাস্তা আছে। আত্মহত্যা। আপুনি যদি আমানক ভাল মানুহ কৰাৰ দায়িত্ব লয়, মই নিশ্চিতমনে মৰিব পাৰিম। যদি নলয়, আত্মহত্যাও কৰিব নোৱাৰিম। আমিতো মূৰ্খ হৈয়ে থাকিলোঁ। তাক ডাঙৰ মানুহ বনাম বুলি সপোন দেখিছোঁ। আপোনাৰ প্ৰতি মোৰ বিশ্বাস আছে। আপোনাক মই এনেকৈ বিচাৰোঁ- যে আপুনি ওচৰত থাকিলে মই নিৰাপদ অনুভৱ কৰোঁ। আশ্ৰয় অনুভৱ কৰোঁ। আপোনাৰ উপস্থিতিত ভয় খাব বা আতংকিত হ'ব নিবিচাৰোঁ। আমাৰ হৃদয়ত বিশেষকৈ মোৰ হৃদয়ত আপোনাৰ বাবে এটা অতি উচ্চ সন্মানৰ স্থান আছে। নিজক তাৰ পৰা নমাই নানিব। এতিয়া সিদ্ধান্ত আপোনাৰ ওপৰত।' দুচকু সেমেকি উঠিছিল আমিনাৰ।



বহু সময় কাৰো মুখত মাতবোল নাছিল। যেন এটা যুগৰ পিছত ৰকিয়ে মাত লগাইছিল, 'ভুল নুবুজিবা আমিনা। মই তোমালোকৰ বাবে যি কৰিছোঁ সেয়া কিবা বিনিময়ৰ বাবে কৰিছোঁ নেকি? মোৰ বৰ কষ্ট। কথাবোৰ পাতিবলৈ মানুহ নাই। আমিওতো মানুহ। কেতিয়াবা ভুল হৈ যায়। তুমি যে বহুত ভাল মনৰ মানুহ মই জানিছিলোঁ। আজি প্ৰমাণো পালোঁ। আমাৰ সকলোৰে ভালৰ বাবে তুমি কথাবোৰ পাহৰি যাবা। ধৰি নাৰাখিবা।' শুকান ওঁঠৰ মাজেৰে নিস্তেজ হাঁহি এটা বিৰিঙাবলৈ বহুত যত্ন কৰিছিল ৰকিয়ে সিদিনা।

ছাগলী এটা সোমাই আমানৰ নতুন আমজোপাৰ ডালপাত খোৱাৰ বাবে আমানে বহু সময় কান্দিছিল। পিছদিনা ৰাতি ৰকিয়ে আহি ৰহমানক বাউণ্ডাৰী দেৱাল মেৰামতি কৰাবলৈ পঞ্চাশ হাজাৰ টকা দি গৈছিল। এসপ্তাহ পিছত ৰকিয়ে 'আমান নিৱাস' লিখা থকা গ্ৰীলৰ সৰু গেট আনি লগাই দিছিল। আমানৰ আনন্দ-উজ্জ্বল মুখখন বহুসময়লৈ চাই আছিল আমিনাই।

অমায়িক, অধ্যয়নমুখী আৰু কৌতুহলী মনৰ আমানৰ পঢ়া-শুনাৰ লগতে আচাৰ ব্যৱহাৰো ভাল বাবে সকলোৰে মৰম পাইছিল। অসমীয়া, অংক আৰু ইংৰাজীত সদায় সৰ্বোচ্চ নম্বৰ পাইছিল। নৱম শ্ৰেণীত পঢ়ি থাকোতে শান্তি বাইদেউৰ পৰামৰ্শত সি স্কুলৰ ৰূপালী জয়ন্তী অনুষ্ঠানত 'চিপকো আন্দোলন'ৰ ওপৰত এটা সৰু নাটক লিখি এই আন্দোলনৰ হোতা সুন্দৰলাল বহুগুণাৰ অভিনয় কৰি সকলোৰে মন জয় কৰিছিল।

ৰাস্তা বহলোৱাৰ নামত উচ্ছেদ আৰু গছ কটাৰ পটভূমিত ৰচিত এই নাটৰ এটা অংশত যেতিয়া আমানে উচ্ছেদ কৰিবলৈ অহা বিষয়াৰ কঠোৰ আদেশ গান্ধীৰ অহিংস পদ্ধতিৰে অমান্য কৰি নিজৰ বাগিচাৰ গছ এজোপা সাৱটি ধৰিছিল আৰু প্ৰশাসনৰ মানুহে তাক লাঠিৰে কোবাই আছিল, আৰু সি নিৰৱে সকলো সহ্য কৰি আছিল, আৰু এই বাতৰি বিয়পি পৰাত অৱশেষত উচ্ছেদ বন্ধ হৈছিলো। এই দৃশ্য চাই স্বয়ং শিক্ষামন্ত্ৰীয়ে থিয় দি হাতচাপৰি বজাইছিল আৰু প্ৰশংসা কৰিছিল। আমানৰ লগত চেল্‌ফি তুলিছিল। তেতিয়া নিৰ্বাচনৰ সময় আছিল আৰু তেওঁ ভাষণত প্ৰতিখন স্কুলত আমানৰ নিচিনা মেধাৱী আৰু গুণী ছাত্ৰৰ প্ৰয়োজন আছে বুলি কৈছিল। নিৰ্বাচনত জিকাৰ পিছত সেই শিক্ষামন্ত্ৰীয়েই এতিয়াৰ মুখ্যমন্ত্ৰী। আমানে সদায় গৌৰৱ কৰে, 'মুখ্যমন্ত্ৰীৰ লগত মোৰ ফটো আছে।'

আৰু এটা বিনিদ্ৰ ৰজনী। পুৰণি কথাবোৰ ঘূৰি ঘূৰি কিমানবাৰ মনলৈ আহিল হিচাপ নাই। দীঘল হুমনিয়াহ ওলাই আহে আমিনাৰ বুকু গভীৰৰ পৰা। ৰহমানে তাইৰ হাত নিজৰ হাতত আনি ক'লে, 'কিবা এটা কৰিম দিয়া। মই আছোঁ নহয়। বাবুৰ কাৰণেহে বেয়া লগি আছে। এনেকৈ সি কেনেকৈ পঢ়াশুনা কৰিব, কেনেকৈ মট্ৰিক পৰীক্ষা দিব? কিমান আশাৰে সি পঢ়ি আছিল!'



'আমাৰ কাৰণে ময়ো একো নাভাৱোঁ। আমাৰ চলি যাব। মোৰো তাৰ কাৰণেহে চিন্তা।'

তৰ্জাৰ বেৰৰ সিপিনে আমানৰ কোঠালি। চেপা উচুপনিৰ শব্দ শুনি দুয়ো উঠি তাৰ ওচৰলৈ গ'ল। উবুৰি হৈ গাৰুত মুৰ গুজি কান্দি আছিল আমান।

দুপৰীয়ালৈ বিভিন্ন দল-সংগঠনৰ নেতা আহি ভিৰ কৰিলে শিমলুতলৰ বাটপথ। সেই ঠাইৰ স্কুল আৰু ছাত্ৰ-ছাত্ৰীসকলৰ স্বাৰ্থৰ কথা আগত ৰাখি আছুই হাইস্কুল শিক্ষান্ত পৰীক্ষা শেষ নোহোৱালৈ এই উচ্ছেদ বন্ধ ৰাখিবলৈ দাবী জনালে। বিৰোধী দলৰ নেতাই মানুহবোৰৰ স্থানান্তৰ বা সংস্থাপনৰ ব্যৱস্থা নকৰাকৈ এই উচ্ছেদ বন্ধ ৰাখিবলৈ দাবী জনাব বুলি আশ্বাস দিলে। আমানে ভাৱিছিল অন্ততঃ হাইস্কুল শিক্ষান্ত পৰীক্ষা শেষ হোৱালৈ চৰকাৰে সময় দিব।

উচ্ছেদৰ সময় ক্ৰমশঃ চমু চাপি আহে। আৰু মাথোঁ পাঁচটা দিন বাকী। বহু জোৰ কৰিও পঢ়াত মন বহাব পৰা নাই আমানে। শান্তি বাইদেৱে আহি খবৰ লৈ জনালে সিঁহতৰ স্কুলখনো উচ্ছেদ কৰা হ'ব বাবে ওচৰৰ পৰীক্ষাকেন্দ্ৰত আমানহঁতক বহুৱাব পৰা যায় নেকি সেই কথা চলি আছে। সিঁহতে পৰীক্ষাৰ বাবে মন দি পঢ়িব লাগে। কেন্দ্ৰ ঠিক কৰিবলৈ শিক্ষকসকলে চেষ্টা কৰি আছে।

আমিনাই এইকেইদিন দোকান খোলা নাই। ৰহমানে ৰকিৰ স্বাস্থ্যৰ বুজ ল'বলৈ বহু চেষ্টা কৰিলে। ফোন বন্ধ। ৰকিৰ বন্ধু মানৱ শৰ্মাক ৰকিৰ কথা সোধতে চেন্নাইৰ নিউজ চেনেলৰ এটা ভিডিঅ' ক্লিপ দেখুৱালে য'ত ৰকি আৰু আব্দুলক পুলিচে হাতকেৰেয়া লগাই লৈ গৈ থকা দেখা গৈছে। পিছে পিছে কান্দি কান্দি ছাবিনা বৌ। অন্য দৃশ্যবোৰত ছানিয়া আৰু ছালমাই থানাত বহি হিন্দীত পুলিচ আৰু সাংবাদিকৰ লগত উত্তেজিতভাৱে কথা পাতি আছে। সিঁহতৰ পিছপিনে পঞ্চাশ-যাঠিগৰাকী যুৱতী। ছানিয়া জীয়াই আছে তাৰমানে! বাতৰিৰ ভাষা বুজি নাপালেও ইঁহতৰ কথাৰ পৰা গম পালে যে ৰকি আৰু আব্দুলে বহুদিনৰে পৰা নাৰী সৰবৰাহৰ লগত জড়িত। জিজ্ঞাসাবাদৰ পিছত সকলোকে তামিলনাডু পুলিচে নিজ নিজ ঘৰলৈ পঠিয়াব। আশ্চৰ্য্যচকিত স্থানু ৰহমানৰ তন্ময়তা ভাঙিবলৈ শৰ্মাই ক'লে, 'লিংকটো তোমাৰ হোৱাট্‌চএপত দিছোঁ। ঘৰত চাই ল'বা। অ' আৰু এটা কথা। চিকিৎসাৰ বাবে যোৱা নাই, তামিলনাডু পুলিচে মাতি নিছে ৰকিক। ছালমা আৰু ছানিয়া বৰ সহসী ছোৱালী। সিঁহতে কিমান ছোৱালীৰ জীৱন বচালে চোৱা।'

খবৰটোৱে আমিনাক স্তম্ভিত কৰি পেলালে। এটা কাঠিন্য মিশ্ৰিত উজ্জ্বলতা লক্ষ্য কৰিলে ৰহমানে

তাইৰ মুখত। নেদেখাজনলৈ দুহাত মেলি বহুত কথা ক'লে। দুগালত অবিৰত আৱেগ-ঘন বন্ধ দুচকুৰ পৰা সৰা মুকুতা-ধাৰা। মাকৰ মুখৰ পিনে চাই বহু কথা বুজি পালে সি। মাকক সি কেনেকৈ বুজাব যে সি বহু কথা বুজিব পৰাকৈ ডাঙৰ হৈছে।

পৰিকল্পনা মতে বুলডোজাৰ লৈ প্ৰশাসনে শিমলুতলৰ শেষৰ ঘৰৰপৰা উচ্ছেদ কৰি কৰি আহি থাকিল। ধূলি আৰু ধোঁৱাৰে ধূসৰিত ফাগুনৰ গোমা আকাশত প্ৰাক-বাসন্তী ডাৱৰৰ মলিয়ন চাদৰ। কিনকিনিয়া বৰষুণৰ পানীৰ লগত উচ্ছেদিত মানুহৰ বিননি আৰু চকুপানী একাকাৰ হৈ গ'ল। শন্তি বাইদেৱৰ দৰে ধীৰ আৰু সংযমী মহিলা এগৰাকীয়েও হুক্‌হুকাই কান্দিলে। আমানে ভাবে- বননি আৰু জীৱ-জন্তুক সুৰক্ষা প্ৰদান কৰাটো ৰাজ্য চৰকাৰৰ দায়িত্ব। কিন্তু সেয়া কৰিবলৈ গৈ যদি মানুহৰ সুৰক্ষা নোহোৱা হয়? মেট্ৰিকৰ দৰে ডাঙৰ পৰীক্ষা এটাৰ প্ৰস্তুতি চলাই থকা ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ সুৰক্ষা? বিদ্যালয়ৰ সুৰক্ষা? বিদ্যালয়ত পঢ়ি থকা ইমান ছাত্ৰ-ছাত্ৰীৰ সুৰক্ষা? গৃহহীন মানুহবোৰে নিশা যাপন কৰিবৰ বাবে ঠাইৰ বন্দোৱস্ত নকৰাকৈ কেনেকৈ ঘৰবোৰ ভাঙি দিব পাৰে প্ৰশাসনে? কেনেকৈ অ'জিন দিয়া আৱাসিক গছবোৰ ভাঙি দিব পাৰে?

ৰহমানৰ হাতত ৰকিৰ ঘৰৰ ছাদৰ সৰু কোঠাৰ চাবি এপাত আছিল। কিন্তু সেই খবৰটো পোৱাৰ পিছত তালৈ যোৱাৰ চিন্তা বাদ দিলে। গধূলি সিপিনেৰে ঘৰলৈ আহোতে দেখিলে পুলিচে ৰকিৰ ঘৰৰ মুল প্ৰৱেশদ্বাৰত চৰকাৰী তলা লগাই চীল কৰি দিছে। শৰ্মাক ফোন কৰি সোধাত গম পালে ৰকীৰ কম্পিউটাৰত হেনো বহু নিষিদ্ধ ভিডিঅ', চিডি, পেন-ড্ৰাইভ আদি পোৱা গৈছে।



আজি আমানহঁতৰ ঘৰ ভাঙিব। যোৱা ৰাতিয়ে ৰহমানে বিষণ্ণ মনেৰে প্লাষ্টিকৰ তিৰ্পাল কেইটামান আনি থৈ দিছে। আজি সিঁহতৰ অন্তিম নিশা গুৱাহাটীৰ নিজা ঘৰত। এই কেইনিশা কাৰো চকুত টোপনি নাই।

কাহিলি পুৱাই আমানে নিঃশব্দে দুৱাৰ খুলি বাহিৰ ওলাল। তাৰ গছবোৰ এতিয়া ডেকা হৈছে। ওখ, সতেজ-সেউজ বলিষ্ঠ আৰু সুন্দৰ। টিনৰ ফলকত এতিয়াও জিলিকি আছে — 'প্ৰথম পুৰস্কাৰ, ৰচনা প্ৰতিযোগিতা, বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন', প্ৰথম পুৰস্কাৰ, আকস্মিক বক্তৃতা প্ৰতিযোগিতা, বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন' আৰু এনেকুৱা তিনিজোপা গছত তিনিটা ফলক। সেই গছকেইজোপা নভঙাকৈ আমানহঁতৰ ঘৰ ভাঙিবলৈ বুলডোজাৰ যাব নোৱাৰিব। তাৰ মৰমৰ গছ কেইজোপাৰ মৃত্যু হ'ব। ভাৰি দুচকু সেমেকি উঠিল তাৰ। চকুপানী মচি মচি সি প্ৰতিজোপা গছক সাৱটি ধৰিলে, মৰমেৰে হাত বুলালে। আমিনা আৰু ৰহমানে দৃশ্যটো চাই আৱেগ নিয়ন্ত্ৰণ কৰিব নোৱাৰি উচুপি উঠিল। সিঁহতে তাক এই ব্যক্তিগত সময়খিনিক তাৰ মানসিক পৰিপক্ক মনটোৰ সৈতে কটাবলৈ দিলে। প্ৰতিজোপা গছৰ তলৰ পৰা ফাগুনৰ হাতোঁৱাত তলসৰা একোখিলাকৈ পাত বুটলি নি সি তাৰ ডায়েৰীৰ মাজত ভৰাই থ'লে। যেন পাতকেইখিলাই চিৰদিনলৈ তাৰ বাবে গছকেইজোপাৰ স্মৃতি বহন কৰিব।

ধলফাট দিয়াত মানুহবোৰ উঠি বস্তু-বাহানি বাহিৰলৈ উলিয়াবলৈ আৰম্ভ কৰিলে। কিছুমানে ট্ৰাক, ভ্যান, ৰিক্সা আদি বোজাই কৰি আছে। চালকসকলৰ বাবে এয়া যেন একপ্ৰকাৰৰ উৎসৱহে! তাতোকৈ বেছি উৎসৱ লাগিছে কিছুমান মিডিয়া সাংবাদিকৰ। যেন এটা প্ৰতিযোগিতাতহে নামিছে তেওঁলোক। ৰাস্তাৰ পৰা নিলগত আমানে পিতাকৰ লগত বিছনা চকী কিতাপ, মেজ, চিলিণ্ডাৰ, কাপোৰ কানিৰ ট্ৰাঙ্ক আদি উলিয়াই তিৰ্পালৰ তলত থ'লে। মেট্ৰিক পৰীক্ষাৰ্থী হিচাপে আমানে কামৰ মাজতে দুবাৰ ইণ্টাৰভিউ দিবলগীয়া হ'ল। 'এতিয়া তোমাৰ কেনে লাগিছে?' 'তুমি কেনে অনুভৱ কৰি আছা?' ধৰণৰ প্ৰশ্নত আমানৰ চকুপানী ওলাই আহিল। তাৰ গছ কেইজোপা আৰু ফলক কেইখনৰ কথাও সুধিলে। সেইবোৰ চেনেলেবোৰত লাইভ

দেখুৱালে। বিস্তাৰিত বৰ্ণনা দিলে।

'তুমি নাম-ফলককেইটা খুলি নিজৰ লগত স্মৃতি হিচাপে ৰখিব পাৰিলাহেঁতেন!' এগৰাকী মহিলা সংবাদিকে সুধিলে।

'মোৰ বাবে নাম-ফলকতকৈ গছৰ মূল্য বেছি। গছবোৰেই যেতিয়া নাথাকিব— ।' তাৰ মাত থোকাথুকি হৈ আহিল। এইবাৰ সি চকুপানী ৰখাব নোৱাৰিলে। প্ৰশাসনিক বিষয়া, পুলিচ, আৰ্মী, বন্দুক, বুলেটপ্ৰুফ ঢাল, লাঠি, মাইক, ৱাকি-টকী, পানীৰ জেট, কন্দুৱা গেচ আদিৰে সজ্জিত হৈ বিশাল প্ৰস্তুতি। এক যুদ্ধসদৃশ পৰিৱেশ। ইতিমধ্যে বাহিৰৰ দেৱাল ভাঙি বুলডোজাৰখন আমানহঁতৰ সৰু চৌহদৰ ওচৰ পালে। মাইকৰ শব্দত একো শুনা নোপোৱা অৱস্থা। আমিনাই অউলি বাউলি হৈ বিষয়াসকলক হাতে ভৰিয়ে ধৰি অনুৰোধ কৰিলে, 'কাবৌ কৰিছোঁ। মাত্ৰ পোন্ধৰ দিন সময় দিয়ক আমাক। ল'ৰাটোৰ মেট্ৰিক পৰীক্ষা। পৰীক্ষা শেষ হলেই আমি নিজে নিজে এই ঠাই এৰি গুচি যাম।'

দুগৰাকী মহিলা পুলিচ আহি তাইক আঁতৰাই লৈ গ'ল। বুলডোজাৰৰ বিশাল হাঁতোৱাই ইতিমধ্যেই আমান-নিৱাসৰ সৰু গেটখন উঘালি পেলাইছিল আৰু ভিতৰলৈ চোঁচা লৈছিল। এতিয়া তাৰ গছ কেইজোপা ভাঙিব। কোনেও তৰ্কিব পৰাৰ আগতেই সি দৌৰি গৈ যি গছজোপাৰ ওপৰত হাঁতোৰা আছিল সেই গছজোপাক সাৱটি ধৰিলে। ঘটনাৰ আকস্মিকতাত হতভম্ব হৈ অপাৰেটৰজনে কাম স্থগিত ৰাখিলে। মাইকত বাৰে বাৰে সতৰ্কবাণী ঘোষণা কৰ হ'ল যদিও আমানৰ তাত ভ্ৰূক্ষেপ নাই। আমিনাই তাক গুচি আহিবলৈ প্ৰাণপনে চিঞৰিলে যদিও তাইৰ মাত নাৰকীয় কোলাহলৰ মাজত বিলীন হৈ গ'ল। অন্তিম সতৰ্কবাণী ঘোষিত হ'ল আৰু আমানে একেদৰেই থাকিল। যেতিয়া দুজন পুলিচে দৌৰি গৈ লাঠিৰে তাৰ পিঠিত কোবাবলৈ ধৰিলে, আমিনাই গাৰ সমগ্ৰ বল প্ৰয়োগ কৰি একে আঁজোৰে মুকলি হৈ দৌৰি গৈ আমানক সাৱটি ধৰিলে। মাকৰ ভৰি আৰু পিঠিত কোব পৰাত আমানে মাকক বচাবলৈ গছজোপা এৰি দিলে। ইতিমধ্যে পত্নী-পুত্ৰক বচাবলৈ ৰহমানেও গৈ পাইছিল। মাইকত অন্তিম সতৰ্কবাণী ঘোষিত হ'ল। বতাহত গুলী কৰা হ'ল, কন্দুৱা গেচ প্ৰয়োগ কৰা হ'ল। তিনিওকে চোঁচৰাই নিৰাপদ স্থানলৈ নিয়া হ'ল। পুলিচৰ আৰেষ্টনিৰ মাজত সজল চকুৰে আমিনা, আমান আৰু ৰহমানে প্ৰত্যক্ষ কৰিলে প্ৰথমে বুলডোজাৰে এটা এটাকৈ আমানৰ গছবোৰ ভাঙিলে। মুকলি ঠাই ওলোৱাত বুলডোজাৰ আগুৱাই গৈ বাগিচাখন তচনচ কৰিলে। তাৰ পিছত ক্ৰমশঃ বাৰান্দা, শোৱা কোঠালি, আমানৰ কোঠালি...❐



**মহান ব্যক্তিৰ উক্তি**

*আমাক এনে শিক্ষাৰ প্ৰয়োজন যাৰ দ্বাৰা আমাৰ সৎ চৰিত্ৰ গঠন হয় আৰু যাৰ দ্বাৰা মানসিক বল বৃদ্ধি হয়, যাৰ দ্বাৰা বুদ্ধিমত্তা প্ৰসাৰিত হ'ব আৰু যাৰ সহায়ত আমি নিজৰ ভৰিত নিজে থিয় দি আত্মনিৰ্ভৰশীল হ'ব পাৰো।*

**স্বামী বিবেকানন্দ**

# কবিতা



## নতুনৰ গান

**অভিজিত সিংহ,** ছাত্ৰ

সোণালী শৈশৱৰ স্মৃতিৰ দাৰ হৈ; আজি
আমি এই জ্ঞানৰ মন্দিৰত।
বুকুত আমাৰ অলেখ আশাৰ সপোন; দুচকুত
আমাৰ নিকা পোহৰ দাপোণ।
হে সতীৰ্থ, তুমি আগুৱাই ব'লা; একতাৰ দোলেৰে
বান্ধি এই সমাজ।
জাতিৰ সুৰক্ষা আৰু দেশৰ হ'ক; তোলো আহা এক
নতুন সাম্ৰাজ্য।
শ্বহীদৰ কেঁচা তেজেৰে বোলোৱা এই মাতি; ক'ত যে
বীৰৰ ত্যাগ ইয়াত আছে সাঁচি।
সেই ত্যাগৰ সোঁৱৰণত আমি হ'ম জাগ্ৰত, সেৱাৰ মন্ত্ৰে
জিলিকাম আইৰ মুখ ভাগৰত।
একতাৰ সুৰেৰে গাও আহা প্ৰগতিৰ গান; বেলতলা
মহাবিদ্যালয় আমাৰ গৌৰৱ, আমাৰ প্ৰাণ।❒

## এটি যাত্ৰা জীৱনৰ

**হেমন্ত দাস,** প্ৰাক্তন ছাত্ৰ

মই গৈ আছো
জীৱনৰ গতি পথেদি
যাত্ৰাৰ শেষ নাই,
জীৱনত বহুতো ঘাত প্ৰতিঘাত
অতিক্ৰম কৰি মাথোঁ গৈ আছো
কিবা এটা কৰাৰ মানসেৰে
কিবা এটা পোৱাৰ আশাৰে।
মই নাজানো,
মোৰ এই গতিপথৰ অন্ত ক'ত?
তথাপি ওলালো যেতিয়া
যাবই লাগিব
হে সৃষ্টিকৰ্তা
তুমি দয়া কৰা
মোৰ এই যাত্ৰা যেন সফল হয়।❒



## বৰষুণ

মন যায় মোৰ বৰষুণ হ'বলৈ
সকলোকে তিয়াই নিবলৈ,
বৰষুণৰ টোপাল হৈ
সকলোকে জীপাল কৰিবলৈ
মন যায় বৰষুণৰ টোপাল
হৈ,
তোমাৰ দুগালত চুমা আঁকিবলৈ
বৰষুণৰ টোপাল হৈ
সকলোতে মিলি যাবলৈ।

## মৰমৰ মা

**জুলি খান**
*তৃতীয় ষাণ্মাসিক, দৰ্শন বিভাগ*

অ' মা
মৰমৰ মাত এষাৰ দিয়ানা
বহু আশা কৰিছোঁ
আছে মোৰ বাসনা
আছে মোৰ কল্পনা
দিবানে সঁহাৰি মা।



# ফাগুনী বতাহ

**আফৰিনা চুলতানা**
*তৃতীয় যাণ্মাসিক, দৰ্শন বিভাগ*

ফুলিছে শিমলু
বলিছে বতাহ
ৰঙা ফাগুনে
কৰিছে বলিয়া।
সোণাৰু ফুলিছে
ফাগুনী মলয়াত
পৰিছে সৰাপাত।
ফাগুন তুমি অশান্ত
যদিও
ভাল লগা তোমাৰ
মলয়া বতাহজাক।।





## সপোন

**চামিমা মোৰাশ্বীৰা**

এটা সপোন বুকুত লৈ
সৰুৰে পৰা
মৰীচিকাৰ দৰে খেদি
ফুৰিছিলো
কিন্তু সেই আশাত মই
মুগ্ধ হৈ গৈছিলো

পিছত বাচিলো আৰু
গম পালোঁ যেন সেয়া
সপোন হে আছিল
কিন্তু তাক পাবলৈও যেন
ইমান সামৰ্থ মোৰ নাছিল
দুহাত মেলি ঈশ্বৰ ঈশ্বৰ
বুলি চিঞৰিছিলোঁ
কিন্তু ভগৱানেও যেন মোৰ মিনতিত
চকুৰে নেমেলিলে
নিৰুপায় বেদনা বুকুত লৈ যাত্ৰা
আৰম্ভ কৰিলোঁ
এক বিশেষ ঠাই বুলি।

# English Part...

## The book review on 'Ghasiram Kotwal'

**Pankaj Kumar Kalita**
*Assistant Professor,*
*Department of English, Beltola College*

**ABOUT THE AUTHOR:** Vijay Tendulkar was a famous India dramatist screen writer and a Journalist. He was also considered as one of the most influential voices in Indian theatre. He was born on 6th January 1928 in Kolhapur, Maharashtra and died on 19th May 2008 in Pune, Maharashtra.

As far as the author Vijay Tendulkar is concerned, he has started his career as a journalist and later on, he writes plays, screen plays and novels. His plays dealt with a wide range of themes – including gender, politics, power, corruption, morality, caste and power dynamics in Indian Society. His famous plays are – 'Ghasiram Kotwal', 'Sakharam Binder', 'Silence,' 'The Court is in session' and 'Gidhade'.



Moreover, Vijay Tendulkar was a recipient of numerous awards and accolades. He had received Padma Shree and the Sangeet Natak Academic Award. Again, he also remains one of the most celebrated and influential dramatists in Indian theatre history.

Introduction of the book:

Ghasiram Kotwal is a Marathi play and it is written by the dramatist Vijay Tendulkar in 1972 as a response to the rise of a local political party 1 Maharashtra.

The play ‘Ghasiram Kotwal’ is set during the peshwas rule in the 18th century in Pune, Maharashtra. The peshwas were Brahmin rulers who controlled the Maratha empire and their rule was characterized by caste-based discrimination, corruption and power struggles.

The play Ghasiram has several themes. Therefore, the themes which are present in the play are – power, caste, corruption and morality.

In the play Ghasiram Kotwal, the dramatist Vijay Tendulkar uses the character of Ghasiram to explore the themes of power, caste, corruption and morality. Besides these themes, this play also touches on the theme of identity and it also shows how it is shaped by societal norms and expectations. Indeed, all the themes which are present in the play ‘Ghasiram Kotwal’ are still relevant today.




**Summary of the play Ghasiram Kotwal**

In the beginning of the play ‘Ghasiram Kotwal’ bye Vijay Tendulkar, we have observed that the human curtain offers prayer to Lord Ganesha to bless the play. The dramatist applies the human curtain in the play in order to fill up the gaps and to provide comments as well as to give information about the minor and major happenings on the stage to the audience and readers. As far as human curtain is concerned, it comprises of twelve Brahmins who break the play into segments and it arises to appear as a unit when the situation demands. Therefore, presenting the Brahmins on the stage by Vijay Tendulkar is considered as one of the unique dramatic device.

The play Ghasiram Kotwal explores the power dynamics and corruption within the peshwa rule on the 18th century in Pune. Ghasiram Kotwal, the protagonist of the play is introduced tous as a low-caste man who rises to power as the Kotwal of Pune and later on in the play, itis seen that he becomes corrupted and ruthless in his efforts to maintain his position. The power is shown as one of the most prominent theme of the play and its corrupting influence.

The other important theme in the play is the idea of caste and its impact on the society. The play also highlights the caste-base discrimination which was prevalent during the Peshwa rule. Moreover the play also shows how Ghasiram’s low-caste status in seen as a threat by the upper-caste Brahmins.

Throughout the play, it is observed that Ghasiram’s low-caste status is show as a source of advantage and disadvantage for him. The advantage mentioned here is treat

Manipulate and he can even adventure the system to his advantage because he is not bound by the same social norms and expectations as members of higher castes.

On the otherhand, the dis advantage is that Ghasiram's low-caste status makes him vulnerable to exploitation and mistreatment by those in positions of power. Moreover, there Is also constantly risk for him to be marginalized and even his actions are often with suspicion by members of higher castes.

Corruption is also depicted as one of the important theme in the play Ghasiram Kotwal. The play depits a society where corruption is rampant and those in positions of power use it to maintain their status and control over others.

The dramatist Vijay Tendulkar shows corruption through the protagonist Ghasiram Kotwal in lion's share. The protagonist uses bribery, intimidation and other unethical tactics to rise to power as the Kotwal of Pune. He is willing to betray those around him, including his own family members, in order to maintain his hold on power and control over the city.

On the other hand, the play also highlights the corrupt practices of the higher castes in Indian society. It is seen that the higher castes use their position and influence to maintain their power at the expense of those in lower castes. The play portrays the corrupt practices of the Brahmins who manipulate the system to their advantage and even tried to maintain their control over society.

The corrupt practices of the ruling class in the play are contrasted with the moral integrity of the lower castes who are often depicted as victims of the corrupt system. In the play we have also notices that Ghasiram's father hi of the corrupt practices of the Brahmins and their manipulation of the legal system. The play also exposed the struggle of the oppressed to challenge the corrupt practices of those in power.

Morality is the another theme of the play 'Ghasiram Kotwal.' The play explores the moral dilemmas faced by the character and the impact of their decisions on themselves and others.

The protagonist Ghasiram is a prime example of the moral ambiguity in the play 'Ghasiram Kotwal,' He rises to power though unethical means and uses his position to exploit and oppress others. However, he is also shown to have moments of doubt and self-reflection, particularly towards the end of the play.

The play ultimately leaves the audience with a sense of the complexity of moral decision- making and the ways in which it can impact the lives of individuals and communities. The play portrays the struggle of the lower castes to challenge the morality of the ruling class and the ways in which their actions have profound impact of the lives of others.

In summing up, we may say with conviction that the dramatist Vijay Tendulkar is able to produce 'Ghasiram Kotwal'. Which is undoubtedly considered as a masterpiece of Indian theatre. In the play the dramatist 'has shown the Brhmins as the degraded people of the society.

**Criticism on the play Ghasiram Kotwal:**

The setting of the play 'Ghasiram Kotwal' takes us to the eighteenth century Peshwa regime in Maharastra. It therefore Shows that the play is based on historical events but the fact is that it is based on contemporary political situations.

